গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ২৯৩ ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ২ জুন, ২০২২, ১৮ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 293 Dainandin Barta ■ Guwahati, Thursday ■ 2 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only





## স্বাভাৱিকতকৈ ৪১ শতাংশ অধিক বৃষ্টিপাতৰে প্ৰাক্ মৌচুমীয়ে ল'লে বিদায়

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১ জুন ঃ** নিৰ্ধাৰিত সময়তকৈ তিনি দিন পূৰ্বে কেৰালাত ২৯ মে'ত প্ৰৱেশ কৰা দক্ষিণ-পশ্চিম মৌচুমী বায়ু কেইবাখনো ৰাজ্যৰ ওপৰেৰে অসমকে ধৰি উত্তৰ-পূবৰ দিশে গতি কৰিছে। বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই সদৰী কৰা অনুসৰি মৌচুমী বায়ুৰে হিমালয়ৰ পাদদেশৰে পশ্চিমবংগ আৰু বাংলাদেশৰ দিশে গতি কৰিছে। সকলো ঠিকে থাকে থাকিলে ২ বা ৩ জুনত মৌচুমী বায়ুয়ে অসমকে ধৰি উত্তৰ-পূবত প্ৰৱেশ কৰিব। দেশৰ কৃষি খণ্ডত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি অহা মৌচুমীৰ সময়ত বৃষ্টিপাতৰ পৰিমাণ স্বাভাৱিকতকৈ কম হ'ব নে বেছি হ'ব বা স্বাভাৱিক ■ ৮ পৃষ্ঠাত



## বন্ধ হ'ল বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান

### অন্তিম দিনাও পৰ্যটকৰ ভিৰ কাজিৰঙাত ঃ ২০২২-২৩ পৰ্যটন বৰ্ষ বতৰৰ ওপৰত নিৰ্ভৰ কৰি পহিলা অক্টোবৰৰ পৰা উদ্যান খোলাৰ সম্ভাৱনা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ১ জুন ঃ** ২০২১-২২ পৰ্যটন বৰ্ষ দেশী-বিদেশী পৰ্যটকৰ কাৰণে বন্ধ হ'ল এশিঙীয়া গঁড়ৰ বসতিস্থল বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। আগন্তুক নিৰ্দেশনা নহা পৰ্যন্ত ৰাষ্ট্ৰীয় উদ্যানখনৰ অন্তৰ্ভাগত প্ৰৱেশ কৰিব নোৱাৰিব দেশী-বিদেশী পৰ্যটক। উল্লেখ্য যে, বিগত বৰ্ষৰ পহিলা অক্টোবৰত দৰ্শনাৰ্থীৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত জীপ ছাফাৰী মুকলি কৰা হৈছিল। পৰৱৰ্তী সময়ত অৰ্থাৎ পহিলা নৱেম্বৰৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনৰ কঁহৰা আৰু বাগৰি বনাঞ্চলত এলিফেণ্ট ছাফাৰী আৰম্ভ কৰা হৈছিল। ইপিনে, বিগত দুটা বছৰ মহামাৰী ক'ভিডৰ ভয়ংকৰ সংক্ৰমণৰ কাৰণে কাজিৰঙালৈ পৰ্যটকৰ আগমন শূন্য ■ ৮ পৃষ্ঠাত



**পৰ্যটকৰ বাবে সুখবৰ**

## মানাহ ৰাষ্ট্ৰীয় উদ্যানত পানচাৰিয়ে জন্ম দিলে পোৱালি

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ১ জুন ঃ** বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাবে সুখবৰ। ৰাষ্ট্ৰীয় উদ্যানখনৰ এজনী পোহনীয়া হাতীয়ে জন্ম দিলে এটি পোৱালি। মানাহৰ কাহিতামা বীটৰ ছিদাঝাৰ বন শিবিৰত যোৱানিশা পাঞ্চালী নামৰ হাতীটোৱে জন্ম দিয়ে পোৱালিটো । সদ্যোজাত পোৱালিটো মাইকী বুলি জানিবলৈ দিছে বন বিষয়া বাবুল ব্ৰহ্মই। উল্লেখযোগ্য যে এই বৰ্ষৰে জানুৱাৰী মাহৰ পৰা এতিয়ালৈ মানাহৰ পোহনীয়া হাতীয়ে জন্ম দিছে ■ ৮ পৃষ্ঠাত

## বলীউডৰ জনপ্ৰিয় গায়ক কে কেৰ আকস্মিক মৃত্যু, শোকস্তব্ধ অনুৰাগী, হত্যাৰ সন্দেহত পশ্চিমবংগ আৰক্ষীয়ে আৰম্ভ কৰিছে তদন্ত ঃ দেশবাসীক শোকস্তব্ধ কৰি চিৰ দিনৰ বাবে এই পৃথিৱীৰ পৰা বিদায় মাগিলে বলীউডৰ জনপ্ৰিয় গায়ক কে কেই

# স্বৰস্বতী বাকৰ বাসতেই গ'লগৈ কে কে





### মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত কোৱা হ'ল কেকেৰ মৃত্যু 'অপ্ৰাকৃতিক মৃত্যু নহয়'

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ১ জুন ঃ** কলকাতাত ৩১ মে'ৰ নিশা এটা সংগীতানুষ্ঠান কৰি উঠাৰ পিছতে শিল্পীগৰাকী অসুস্থ হৈ পৰে আৰু মৃত্যুক সাবটি লয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল মাত্ৰ ৫৩ বছৰ। কে কেই কলকাতাৰ এখন মহাবিদ্যালয় সপ্তাহত গীত পৰিৱেশন কৰি থকাৰ সময়তে অসুস্থ হৈ পৰিছিল আৰু কলকাতাৰ চিএমআৰআই চিকিৎসালয়লৈ নিয়াৰ পিছতে চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। হিন্দীৰ লগতে দেশৰ কেইবাটাও আন ভাষাত গীত গোৱা কে কেই কেতিয়াও গানৰ আনুষ্ঠানিক শিক্ষাগ্ৰহণ কৰা নাছিল। ১৯৯৯ চনত তেওঁৰ প্ৰথম সংগীত এলবাম 'পল'-এ দেশজুৰি খ্যাতি লাভ কৰিছিল। 'হাম দিল দে চুকে চনম', 'তাডাপ টাডাপ কে' গীতসমূহ কে কেৰ কেৰিয়াৰৰ এটা ডাঙৰ টাৰ্ণিং পইণ্ট আছিল। ১৯৯৪ চনত মুম্বাইলৈ যোৱাৰ পূৰ্বে কে কেই হোটেলত গীত গাইছিল। হোটেলত গীত গাই থাকোতে কে কেক শিল্পী হৰিহৰণে কে কেৰ গীতত মুগ্ধ হৈ তেওঁক মুম্বাইলৈ নিয়াৰ ব্যৱস্থা কৰে। সেয়াই আৰম্ভণি। শিল্পীগৰাকীয়ে মাছিছ ছবিত 'চৰ আয়ে হাম ৰহ গলিয়া' গীতটি গাইছিল। গীতটিয়ে সকলোৰে হৃদয় চুই যাবলৈ সক্ষম হৈছিল। টেলিভিছনৰ ৰিয়েলিটী শ্ব' ফেম গুৰুকুলৰ জুৰী সদস্যসকলৰ ভিতৰৰে এজন আছিল কে কে। এই শ্ব'ৰ জৰিয়তে অৰিজিত সিং জনপ্ৰিয় হৈছিল। হিন্দীৰ উপৰি কে কেই তামিল, তেলুগু, মাৰাঠী, কানাড়া, মালায়ালম, গুজৰাটী আদি ভাষাৰ লগতে অসমীয়া ভাষাতো বহু মনপৰশা গীত গাইছিল। অসমীয়া ভাষাত তেওঁ অনুপম শইকীয়াই সংগীত পৰিচালনা কৰা 'মন' এলবামত গীত গাইছিল। এলবামটোত কে কেৰ উপৰি ছান, সাধনা সৰগম আৰু অনুপম শইকীয়ায়ো গীত গাইছিল। আজি শিল্পীগৰাকীৰ মৃতদেহ কলকাতাৰ ৰবীন্দ্ৰ সদনলৈ নিয়াৰ পিছতে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। পশ্চিমবংগ ■ ৮ পৃষ্ঠাত

## হাজোৰ কেদাৰ মন্দিৰলৈ যোৱা পথৰ দাঁতিৰ জিৰণি ঘৰত দুৰ্বৃত্তৰ তাণ্ডৱ

### ঘটনাৰ উচিত তদন্তৰ দাবী হাজো বিজেপিৰ নেতৃবৃন্দৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১ জুন ঃ** হাজোত পুনৰ দুৰ্বৃত্তৰ তাণ্ডৱ। হাজোৰ কেদাৰ মন্দিৰলৈ যোৱা পথৰ দাঁতিৰ জিৰণি চ'ৰাত এইবাৰ দুৰ্বৃত্তৰ তাণ্ডৱ। এটাৰ পিছত এটাকৈ সনাতনী সভ্যতা সংস্কৃতিৰ পীঠ তথা মঠ-মন্দিৰসমূহত এচাম দুৰ্বৃত্তৰ যেন ৰঙা চকু পৰিছে। মন্দিৰ-নামঘৰৰ সম্পত্তিৰ ওপৰত কুঠাৰাঘাত কৰাত চাঞ্চল্যৰ সৃষ্টি ■ ৮ পৃষ্ঠাত



*কনিষ্ঠ অভিযন্তা দেৱাশিস দাসক আটক কৰাৰ ছবি, গুৱাহাটীত বুধবাৰে*

## বুঢ়ীদিহীঙৰ খহনীয়া শংকিত কাষৰীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১ জুন ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ ৰাজহ চক্ৰৰ অন্তৰ্গত মৰাণ সমষ্টিৰ খোৱাঙৰ বৰবিল খলিহামাৰীত বুঢ়ীদিহিং নদীৰ খহনীয়াই ভাবুকি কঢ়িয়াইছে ৭খন গাঁৱৰ ৰাইজলৈ। খহনীয়াৰ প্ৰকোপ ইমানেই বাঢ়িছে যে প্ৰায় ৬০ মিটাৰ খহিলেই স্পৰ্শ কৰিব মথাউৰি । যাৰ ফলত শংকিত হৈ পৰিছে অঞ্চলবাসী। বৃহত্তৰ অঞ্চলটোৰ বৰবিল, গৰৈমাৰী, খলিহামাৰী, গেৰগেৰি, দলনিকুৰ, বৰবিল ব্লক, মইনা গাঁও আদিৰ গাঁৱৰ কেইবা সহস্ৰাধিক ■ ৮ পৃষ্ঠাত

## 'নেচনেল হেৰাল্ড' গোচৰত ছোনিয়া-ৰাহুললৈ জাননী জাৰি ইডিৰ



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ১ জুন ঃ** এইবাৰ পুনৰ এটা পুৰণা গোচৰে সাৰ পাই উঠিছে। গান্ধী পৰিয়ালৰ সদস্যৰ লগতে আন বহুতৰে নাম সাঙোৰ খাই পৰা 'নেচনেল হেৰাল্ড' গোচৰত ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীলৈ চমন জাৰি কৰিছে এনফ'ৰ্চমেণ্ট সঞ্চালকালয়ে। এই কথাই এতিয়া কংগ্ৰেছৰ অন্দৰ মহলত তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰিছে। কংগ্ৰেছৰ দলৰ মুখপাত্ৰ ৰণদীপ সিং সুৰ্যেৱালাই চমন জাৰি কৰাৰ বাবে কেন্দ্ৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে। উল্লেখ্য যে, ২০১১-১২ চনৰ 'নেচনেল হেৰাল্ড' গোচৰৰ স'তে সম্পৰ্কিত ধনৰ অবৈধ লেনদেনৰ এটা গোচৰত এই চমন ■ ৮ পৃষ্ঠাত

# ১০০০ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাত্ৰ ৬জন শিক্ষক

**ছাত্ৰ-ছাত্ৰী অনুপাতে পৰ্যাপ্ত নহয় শিক্ষক-শিক্ষয়িত্ৰী**

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ১ জুন ঃ** ছাত্ৰ-ছাত্ৰী অনুপাতে পৰ্যাপ্ত শিক্ষক-শিক্ষয়িত্ৰী অবিহনে চলি আছে এখন বিদ্যালয়। গুৰুত্ব নাই শিক্ষা বিভাগৰ। ভৱিষ্যৎ অন্ধকাৰৰ দিশে শ শ ছাত্ৰ-ছাত্ৰীৰ জীৱন। বৰ্তমান চৰকাৰে শিক্ষা, স্বাস্থ্য ওপৰত বেছি গুৰুত্ব দিয়াৰ সময়তে শিক্ষা বিভাগৰ আন এক ফোঁপোলা স্বৰূপ দেখা গৈছে বিশ্বনাথত। পৰ্যাপ্ত পৰিমাণৰ শিক্ষক-শিক্ষয়িত্ৰী অবিহনে যুগ ■ ৮ পৃষ্ঠাত



## ৪৫ দিনে ন্যায় নাপালে ধৰ্ষিতাই

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১ জুন ঃ** অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা তথা চৰকাৰৰ গৃহ বিভাগে অপৰাধীৰ বিৰুদ্ধে আৰক্ষীক কঠোৰ হ'বলৈ নিৰ্দেশনা দিয়াৰ লগতে সাধাৰণ জনতাই যাতে হাৰাশাস্তিৰ সন্মুখীন নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ বাৰম্বাৰ আহ্বান জনাই অহাৰ সময়তে মুখ্যমন্ত্ৰী গৰাকীৰ নিৰ্দেশনাক গুৰুত্বৰ ■ ৮ পৃষ্ঠাত

## শিশুৱে পেলোৱা পানীত পিছলিলে ডাঙৰে

### ভখুৱাদিয়াত শিশুৰ কাজিয়াক কেন্দ্ৰ কৰি দুই পক্ষৰ মাজত প্ৰচণ্ড মাৰপিট, আহত মহিলা


**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১ জুন ঃ** কামৰূপৰ বকো সমষ্টিৰ টুপামাৰী আৰক্ষী চকীৰ অন্তৰ্গত ভখুৱাদিয়াত মঙলবাৰে সন্ধিয়া শিশুৰ কাজিয়াক কেন্দ্ৰ কৰি দুই পক্ষৰ মাজত প্ৰচণ্ড মাৰপিট ■ ৮ পৃষ্ঠাত



## আমেৰিকাত এসপ্তাহত ১ লাখৰো অধিক শিশু ক'ভিডত আক্ৰান্ত

### চিন্তিত স্বাস্থ্য বিজ্ঞানী

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ১ জুন ঃ** চীনত উৎপত্তি হৈ সমগ্ৰ বিশ্বতে বিয়পি পৰা ক'ভিডে আমেৰিকাক বাৰুকৈয়ে ক্ষতিগ্ৰস্ত কৰাৰ পিছত দেশখনত ভাইৰাছবিধ নিয়ন্ত্ৰণলৈ আহিছিল। কিন্তু শেহতীয়াকৈ ভাইৰাছবিধে দেশখনৰ শিশুসকলক আক্ৰান্ত কৰিবলৈ লোৱাৰ কথাই চিন্তিত কৰি তুলিছে স্বাস্থ্য বিজ্ঞানীসকলক। আমেৰিকান একাডেমী অৱ পেডিয়াট্ৰিক্স (এএপি) আৰু চিল্ড্ৰেনছ হস্পিটেল এছ'চিয়েচনৰ শেহতীয়া প্ৰতিবেদন অনুসৰি যোৱা সপ্তাহত আমেৰিকা যুক্তৰাষ্ট্ৰত ১১২,০০০ৰো অধিক শিশু ক'ভিডত আক্ৰান্ত হৈছে। যি আগৰ চাৰি সপ্তাহৰ তুলনাত দুগুণ বেছি। আমেৰিকাত ক'ভিড মহামাৰী আৰম্ভ হোৱাৰ পিছত প্ৰায় ১৩.৪ নিযুত শিশু এই ভাইৰাছত আক্ৰান্ত হৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰত শেহতীয়াকৈ ক'ভিড আক্ৰান্তৰ ■ ৮ পৃষ্ঠাত



*দিনটোৰ ছবি ঃ ভগীৰথীলৈ বৈ যোৱা অলকনন্দা নদীৰ ছবি*

## অসম-বংগ সীমান্তত বগা চাউলৰ ৰমৰমীয়া ক'লা ব্যৱসায়

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১ জুন ঃ** চৰকাৰে দুখীয়া ৰাইজৰ বাবে বিনামূলীয়াকৈ যোগান ধৰা পি ডি এছৰ বগা চাউলসমূহ একাংশ সমবায় সমিতিৰ বিষয়া তথা সুলভ মূল্যৰ দোকানীয়ে নিজৰ পকেট গৰম কৰাৰ বাবে দুখীয়া ৰাইজৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰি চোৰাংভাৱে ■ ৮ পৃষ্ঠাত

### অ-বড়ো ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত জীৱন আহুতি দিয়া ১৮ গৰাকী ব্যক্তিৰ নিকটাত্মীয়লৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্যৰ চেক প্ৰদান মুখ্যমন্ত্ৰীৰ

## বিবিধতা আমাৰ শক্তি, দুৰ্বলতা নহয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ জুন ঃ** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত আয়োজিত এক অনুষ্ঠানত অ-বড়ো ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত জীৱন আহুতি দিয়া ১৮ গৰাকী ব্যক্তিৰ নিকটাত্মীয়লৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টা আৰু গৃহমন্ত্ৰী অমিত ■ ৮ পৃষ্ঠাত



### বড়ো ভূমিত উন্নয়নমূলক কাম-কাজেৰে বিকাশৰ গংগা বোৱাই নিব লাগিব ঃ মুখ্যমন্ত্ৰী

**নগাঁৱত চাঞ্চল্য**

## নিৰ্মীয়মাণ তিনিমহলীয়া অট্টালিকাৰ পৰা পৰি ছাত্ৰীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ জুন ঃ** নগাঁও চহৰৰ মাজমজিয়াত আজি সন্ধিয়া এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। চহৰখনৰ নতুন বজাৰৰ এটা নিৰ্মীয়মাণ তিনিমহলীয়া অট্টালিকাৰ পৰা পৰি এগৰাকী ছাত্ৰীৰ মৃত্যু হয়। মৃত্যু হোৱা ছাত্ৰীগৰাকী হ'ল নগাঁও চহৰৰ কচলুখোৱাৰ ডোলা গৌৰী আইচ (১৮)। তেওঁ ধিংস্থিত ■ ৮ পৃষ্ঠাত

**মঙলদৈত অসম সাহিত্য সভাই প্ৰদান কৰিলে পদ্মশ্ৰী সন্মানপ্ৰাপক য়েচে দৰজে ঠংচিক 'সাহিত্য সূৰ্য লুম্মেৰ দাই বঁটা'**



## অৰুণাচলবাসীয়ে অসমীয়া ভাষা এৰাৰ সময়ত মই অসমীয়া সাহিত্য চৰ্চা কৰিছিলোঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১ জুন ঃ** যিটো সময়ত অৰুণাচলবাসীয়ে অসমীয়া ভাষা এৰি দিছিল সেই সময়ত মই অসমীয়া ভাষা চৰ্চা কৰিছিলোঁ। লিখিব লৈছিলোঁ। তাপাম তাৰ্কী হৈছে অৰুণাচলৰ প্ৰথম অসমীয়া লেখক। অৰুণাচলত অসমীয়া ভাষা বন্ধ হোৱাৰ কাৰণ হ'ল চৰকাৰীভাৱে অসমীয়া ভাষা বন্ধ কৰাৰ বাবে। মানুহে ভাবিলে অসমীয়া লিখি, শিকি কি কাম হ'ব। কিন্তু পদ্মশ্ৰী লুম্মেৰ দায়ে অসমীয়া ভাষালৈ বৃহৎ অৱদান দি গৈছে। এইদৰে কয় অৰুণাচলৰ বিশিষ্ট সাহিত্যিক, পদ্মশ্ৰী য়েচে দৰজে ঠংচিয়ে। আজি মঙলদৈ জিলা পুথিভঁৰালত অনুষ্ঠিত অসম সাহিত্য সভাৰ ২০২১ বৰ্ষৰ সাহিত্য সূৰ্য লুম্মেৰ দাই বঁটা প্ৰদান অনুষ্ঠানত সাহিত্যিকগৰাকীয়ে বঁটা গ্ৰহণ কৰি তেওঁ কয়— ৰচনা লিখা প্ৰতিযোগিতাৰ বাবে ছাত্ৰ অৱস্থাতে তেওঁ অসম সাহিত্য সভাৰ পৰা হৰিহৰ চৌধুৰী বঁটা লাভ কৰিছিল। কটন কলেজত অসমীয়া বিষয়ত নামভৰ্তি কৰি অসমীয়া ভাষা-সাহিত্যৰ সৈতে একাত্ম হৈ পৰা বুলি কৈ যেতিয়া অৰুণাচলত অসমীয়া ভাষা এলাগি হৈ পৰিছিল, তেতিয়া অদ্ভুত পৰিস্থিতি হৈছিল । তেতিয়া লুম্মেৰ দায়ে অসমীয়া লিখিব বাদ দিলে আৰু মই ঠংচিয়েও গোপনে লিখিব লৈছিলোঁ। তাত সাহিত্য বুলি ক'লে লাজ লগা পৰিস্থিতি হ'ল। পিছত আমি ২০০৬ চনত অৰুণাচল লিটাৰেৰী ছ'চাইটী গঠন কৰিলোঁ। লাহে লাহে সাহিত্যৰ প্ৰতি নতুন চামৰ আগ্ৰহ বৃদ্ধি পালে। তেওঁ আৰু কয় যে এতিয়া অৰুণাচলতো ভাল ভাল লিখক ওলাল, ৰাষ্ট্ৰীয় পৰ্যায়ৰ লেখক ওলাল। কিন্তু ■ ৮ পৃষ্ঠাত



জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
২ জুন, ২০২২ ■ বৃহস্পতিবাৰ ■ গুৱাহাটী ■ ১৮ জেঠ, ১৯৪৪ শক



দৰং জিলাৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী তেলীৰ

# দুৰ্বল শ্ৰেণীৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে অহোপুৰুষাৰ্থ কৰিছে ঃ তেলী



**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙ্গলদৈ, ১ জুন ঃ** মঙ্গলদৈৰ সনাতন ধৰ্মসভাত ভাৰত চৰকাৰৰ শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ৰ দত্তোপন্ত ঠেঙাদি নেচনেল ব'ৰ্ড ফৰ ৱৰ্কাৰছ এডুকেচন এণ্ড ডেভেলপমেণ্টৰ উদ্যোগত আৰু অসম চৰকাৰৰ শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ৰ সহযোগত অসংগঠিত শ্ৰমিকৰ বাবে দুদিনীয়া বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে ভাষণত কয় যে আমি নিপীড়িতৰ উত্থানৰ বাবে কাম কৰি আছো। আমি দৰঙত মিনি ফুড প্ৰচেছিং পাৰ্ক স্থাপন কৰিছো, য'ত বহুলোকে কৰ্মসংস্থাপন পাব। তদুপৰি ধানৰ খোলাৰ পৰা বায়'ইথানল নিষ্কাশন কৰাৰ কথাও ভাবি আছো। প্ৰশিক্ষণ লাভ কৰা ২৫৫ জন শ্ৰমিকক তেওঁ শুভকামনা জনায়। মন্ত্ৰীগৰাকীয়ে সমাজৰ দুৰ্বল শ্ৰেণীৰ বাবে কাম কৰি দত্তোপন্ত ঠেঙাদীয়ে জীৱন অতিবাহিত কৰিছিল বুলি ভাষণত উল্লেখ কৰে । তেওঁ ই শ্ৰম পৰ্টেল পঞ্জীয়ন গুৰুত্বপূৰ্ণ আৰু অসংগঠিত খণ্ডৰ কৰ্মীসকলে সুবিধা লাভৰ বাবে নিজেই পঞ্জীয়ন কৰিব লাগিব বুলি কয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পি এম শ্ৰম যোগী মন ধন যোজনা যে এটা ভাল আঁচনি তাৰ ওপৰতো বক্তব্য ৰাখে আৰু জৰুৰীকালীন প্ৰয়োজনীয়তা চোৰা-চিতাৰ বাবে উপকাৰী বুলি কয়। তেওঁ কয় যে এটা জিলা এটা প্ৰডাক্ট - তেওঁ খাদ্য প্ৰক্ৰিয়াকৰণ মন্ত্ৰালয়ত থাকোঁতে এই আঁচনিখন আৰম্ভ কৰা হৈছিল। তাৰ সুবিধা জনসাধাৰণে লোৱা উচিত। আজিৰ কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে ২৫৫ গৰাকী প্ৰশিক্ষাৰ্থীক মানপত্ৰ প্ৰদান কৰে আৰু কাইলৈ আন এক অনুষ্ঠানত ৭২৫ গৰাকী হিতাধিকাৰীক প্ৰমাণ পত্ৰ প্ৰদান কৰিব। মঙ্গলদৈ সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই ভাষণত কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সকলো শ্ৰেণীৰ লোকৰ সমবিকাশ সম্ভৱপৰ হৈছে । ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়েও এই কাৰ্যসূচীত ভাষণ দি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অধিক সংখ্যক উন্নয়ন আঁচনি ৰূপায়ণ কৰি আছে। লগতে বিভিন্ন আঁচনিৰ সুবিধা লোৱাৰ বাবে সংগঠিত খণ্ডৰ কৰ্মীসকলক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। জিলা উপায়ুক্ত প্ৰণৱ কমাৰ শৰ্মাই কয় যে এই প্ৰশিক্ষণৰ জৰিয়তে অসংগঠিত খণ্ডৰ কৰ্মীসকল উপকৃত হ'ব। প্ৰমাণ পত্ৰ বিতৰণ কাৰ্যসূচীত অংশ লোৱাৰ বাবে মন্ত্ৰী ৰামেশ্বৰ তেলীক তেওঁ ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ আগতে কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰীগৰাকীয়ে ছিপাঝাৰৰ নেহৰু স্মৃতি বালিকা বিদ্যালয় পৰিদৰ্শন কৰি আন্তঃগাঁথনিৰ বুজ লয় আৰু বিদ্যালয়খনৰ উন্নয়নৰ বাবে হিন্দুস্তান পেট্ৰ'লিয়াম কৰ্প'ৰেচনৰ তৰফৰ পৰা চিএছআৰৰ অধীনত ১০ লাখ টকাৰ আৰ্থিক অনুদান ঘোষণা কৰে । মন্ত্ৰীগৰাকীয়ে ছিপাঝাৰৰ নায়কপাৰাৰ ঐতিহাসিক বলদেৱ পুখুৰী পাৰত অনুষ্ঠিত হোৱা পৌৰসভা কাৰ্যালয় উদ্বোধনী অনুষ্ঠানতো অংশগ্ৰহণ কৰে।

ৰাজ্যত অবৈধ গৰু সৰবৰাহ অব্যাহত

# অবৈধ সৰবৰাহত একাংশ সাংবাদিক-আৰক্ষীৰ লোক জড়িত থকাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১ জুন ঃ** অবৈধ গো-ধন সৰবৰাহৰ বিৰুদ্ধে চৰকাৰে কঠোৰ আইন প্ৰণয়ন কৰাৰ পিছতো ৰাজ্যত অব্যাহত আছে গৰুৰ অবৈধ সৰবৰাহ। কিন্তু তাৰ মাজতে অবৈধভাৱে সৰবৰাহ হৈ আছে পশুধন। আৰক্ষীৰ চকুত ধূলি দি একাংশই চলাই গৈছে গৰুৰ চোৰাং বেহা। তাৰ বিপৰীতে চোৰাং গো-ধন সৰবৰাহকাৰীৰ বিৰুদ্ধে কঠোৰ হৈছে কলিয়াবৰ মহকুমা আৰক্ষী। জব্দ কৰিছে ইখনৰ পিছত সিখন গৰুভৰ্তি বাহন। এই অবৈধ গৰু সৰবৰাহত মেনেজ মাষ্টাৰ হিচাবে জড়িত কলিয়াভোমোৰা দলঙৰ একাংশ নিৰাপত্তাৰক্ষী, কোনো অজ্ঞাত সংগঠন, একাংশ সংবাদকৰ্মী। --এই গুৰুতৰ অভিযোগ আনিলে উলুৱনি আৰক্ষীয়ে। উলুৱনি আৰক্ষীৰ অভিযানত জব্দ দুখন গৰুভৰ্তি ট্ৰাক। কলিয়াবৰৰ নলতলিত দুখন ১২ চকীয়া গৰুভৰ্তি ট্ৰাক জব্দ আৰক্ষীৰ। বুধবাৰে পুৱা কলিয়াবৰত পুনৰ গৰুভৰ্তি বাহন জব্দ কৰি সংবাদ মাধ্যমৰ আগত এই মুকলি অভিযোগ কৰে। লখিমপুৰৰ পৰা ৰূপহীহাট অভিমুখী গৰুভৰ্তি ট্ৰাক দুখন জব্দ কৰে উলুৱনি আৰক্ষীয়ে। জব্দকৃত ট্ৰাক দুখনৰ নম্বৰ এ এচ-০৪বিচি-০২১১ আৰু এ এচ-০১এলচি-১৬৭৯। জব্দকৃত দুখন ট্ৰাকৰ পৰা উদ্ধাৰ ৩০ টাৰো অধিক গৰু। লগতে আটক কৰে চাৰি গৰু সৰবৰাহকাৰী। আটকাধীন চাৰি গৰু সৰবৰাহকাৰী জখলাবন্ধাৰ বৰদলঙৰ ৰফিকুল আলী, নিজামুদ্দিন আৰু কঁহৰাৰ প্ৰেম চেত্ৰী, ৰফিক আলী। আনহাতে কলিয়াভোমোৰা দলঙৰ একাংশ নিৰাপত্তাৰক্ষী, অজ্ঞাত সংগঠন আৰু একাংশ সংবাদদাতাও গৰু সৰবৰাহৰ সৈতে জড়িত থকাৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰি উলুৱনি আৰক্ষী নিৰেশৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নৱ কুমাৰ দাসে অভিযোগ কৰি কয় যে কোনো অজ্ঞাত সংগঠন আৰু একাংশ সংবাদকৰ্মীয়ে মিলি ৩০ হাজাৰ টকাত মেনেজ হোৱাৰ বিপৰীতে দলঙৰ একাংশ নিৰাপত্তাৰক্ষীয়ে ১০ হাজাৰ টকাত গৰু সৰবৰাহৰ ক্ষেত্ৰত সহায় কৰি আহিছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে যদিও আৰক্ষীৰ অভিযোগ তদন্তৰ পাছতহে প্ৰমাণিত হ'ব।

## ছাত্ৰ-ছাত্ৰীৰ ১০০% উত্তীৰ্ণৰ সাফল্যত উৎফুল্ল মধ্য মাজুলী সংগীত মহাবিদ্যালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ১ জুন ঃ** মাজুলীৰ অগ্ৰণী শিক্ষানুষ্ঠান মধ্য মাজুলী সংগীত মহাবিদ্যালয়ৰ শিক্ষাৰ্থী সকলে শেহতীয়াকৈ আয়োজিত অসম সত্ৰ মহাসভাৰ বাৰ্ষিক চূড়ান্ত পৰীক্ষাত লাভ কৰা সফলতাত মহাবিদ্যালয় পৰিয়ালৰ লগতে স্থানীয় অভিভাৱক সকল উৎফুল্ল হৈ পৰিছে। ফলাফল অনুসৰি মহাবিদ্যালয় খনৰ ২ জন শিক্ষাৰ্থীয়ে বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। তাৰ উপৰিও ১৩ জন শিক্ষাৰ্থী প্ৰথম বিভাগত, ১৯ জন দ্বিতীয় বিভাগত আৰু এজন শিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। ইয়াৰ উপৰিও অসম সত্ৰ মহাসভাৰ দ্বাৰা অনুষ্ঠিত ২০২০-২১ বৰ্ষৰ শ্ৰেষ্ঠ বাচনি পৰীক্ষাত মহাবিদ্যালয় খনৰ ছাত্ৰ কৌশিক বৰাই প্ৰথম স্থান লাভ কৰি অঞ্চলতোলৈ সুনাম কঢ়িয়াই আনিছে। শিক্ষাৰ্থী সকলৰ সফলতা সন্দৰ্ভত মহাবিদ্যালয় খনৰ অধ্যক্ষ নাৰায়ণ ভৰালীয়ে এক বিবৃত্তিত কয় বিভিন্ন সমস্যাৰ মাজেৰে পৰ্যাপ্ত সুবিধা অবিহনেই ছাত্ৰ-ছাত্ৰী সকলে যিখিনি সফলতা অৰ্জন কৰিছে সেয়া অতিকৈ প্ৰশংসনীয়। এইক্ষেত্ৰত অধ্যক্ষ জনে শিক্ষাৰ্থীসকলৰ অসীম কষ্টক কৃতজ্ঞতা জনোৱাৰ লগতে অভিভাৱক সকলৰ সচেতনতা আৰু স্থানীয় ৰাইজৰ সহযোগিতাৰো আন্তৰিক শলাগ লয়। মাজুলীৰ নৱ প্ৰজন্মৰ মাজত সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নীৰৱে সংগ্ৰাম অব্যাহত ৰখা মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু অনুষ্ঠানটোৰ লগত জড়িত সকলোকে মাজুলীৰ সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে।

ভেৰগাঁও উচ্চ বিদ্যাপীঠক হায়াৰ ছেকেণ্ডাৰীলৈ উন্নীতকৰণ

## শুভ উদ্বোধনী অনুষ্ঠানৰ উদ্বোধক বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ১ জুন ঃ** উল্লেখ্য যে ১৯৫৪ চনতে স্থাপিত হোৱা ওদালগুৰি জিলাৰ ভেৰগাঁওস্থিত ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান ভেৰগাঁও উচ্চ বিদ্যাপীঠক এতিমধ্যে অঞ্চলটোৰ শৈক্ষিক হাৰৰ প্ৰতি লক্ষ্য ৰাখি বিভাগীয়ভাৱে হায়াৰ ছেকেণ্ডাৰীলৈ উন্নীতকৰণ কৰা হৈছে। সেয়েহে আজি ১ জুনৰ দিনা বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ দ্বাৰা আনুষ্ঠানিকভাৱে ভেৰগাঁও উচ্চ বিদ্যাপীঠ হায়াৰ ছেকেণ্ডাৰী ৰূপে শুভ উদ্বোধন কৰে। পুৱা ৯ বজাৰে পৰা আৰম্ভ কৰা পতাকা উত্তোলন স্মৃতি তৰ্পণক গছপুলি ৰোপণ আৰু উদ্বোধনী অনুষ্ঠানৰ পিছতে মুকলি সভাৰ উদ্বোধনী ভাষণ ৰাখে বিটিচিৰ কাৰ্যবাহী সদস্য দাউৰাইছা বড়োৱে। আনহাতে ওদালগুৰি জিলা বিদ্যালয় পৰিদৰ্শক জয়পাল ব্ৰহ্মই আদৰণী ভাষণ ৰখা মুকলি সভাত মুখ্য অতিথি হিচাপে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো উপস্থিত থাকে। লগতে ভেৰগাঁও জিলা ইউপিপিএলৰ সভাপতি নিৰ্মল বড়ো, বিজেপি জিলা সম্পাদক জুশ্ৰাং বড়ো, সমাজসেৱক মনমোহন বড়োৰ লগতে ভেৰগাঁও আঞ্চলিক আৰছু, এবছু, আছাৰ লগতে বিভিন্ন দল-সংগঠনৰ নেতাসহ অঞ্চলটোৰ বুদ্ধিজীৱীসকলে উক্ত বিদ্যালয় উন্নীতকৰণ আৰু উদ্বোধনী অনুষ্ঠানত উপস্থিতিৰে সহায়-সহযোগিতা আগবঢ়ায়। উদ্বোধনী অনুষ্ঠান সম্পন্ন কৰি অধ্যক্ষ দৈমাৰীয়ে ভেৰগাঁও উচ্চ বিদ্যাপীঠ হায়াৰ ছেকেণ্ডাৰীৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে ৩ কোটি টকাৰ পুঁজি আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে। আনহাতে মুখ্য অতিথি প্ৰমোদ বড়োৱে বিটিচিত টেট নিযুক্তিসমূহ শীঘ্ৰেই কাৰ্যকৰী হ'ব বুলি সাংবাদিকৰ আগত মন্তব্য আগবঢ়ায়।



*ৰাজ্যৰ বন্যাৰ্তসকললৈ সহায়ৰ হাত আগবঢ়াই আজি মুখ্যমন্ত্ৰীৰ প্ৰধান ব্যক্তিগত সচিব প্ৰশান্ত প্ৰতিম কাঠকটীয়াই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ৫০ হাজাৰ টকাৰ বৰঙনি আগবঢ়ায়। মানৱীয় প্ৰমূল্যৰ উজ্জ্বল দৃষ্টান্ত দাঙি ধৰি তেখেতে দেখুওৱা বদান্যতাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ*

ধুবুৰী চিকিৎসা মহাবিদ্যালয়ত স্বাস্থ্যমন্ত্ৰী

## ১১টা বিভাগেৰে আৰম্ভ হ'ল অ' পি ডি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১ জুন ঃ** অসম চৰকাৰৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই আজি ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ বহিঃ বিভাগ মুকলি কৰে। চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শনৰ বাবে অহা স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰা মতে ধুবুৰী অসামৰিক চিকিৎসালয়ক ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ সৈতে সংলগ্ন কৰি দিয়া হৈছে। চিকিৎসা মহাবিদ্যালয়খনৰ অ' পি ডিত সদ্যহতে ১১ টা বিভাগ থাকিব। সেইকেইটা হৈছে মেডিচিন, শল্য চিকিৎসা বিভাগ, স্ত্ৰী ৰোগ আৰু প্ৰসূতি বিভাগ, শিশু ৰোগ চিকিৎসা বিভাগ, হাড় আৰু জোৰাৰ ৰোগ সম্বন্ধীয় বিভাগ, চকু ৰোগৰ বিভাগ, ই এন টি বিভাগ, চৰ্মৰোগ বিভাগ, মানসিক ৰোগ বিভাগ, দন্তৰোগ বিভাগ আৰু আয়ুষ বিভাগ। মন্ত্ৰীগৰাকীয়ে চিকিৎসা মহাবিদ্যালয়খনৰ চিকিৎসকসকলৰ লগত বাৰ্তালাপ কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীক সংগ দিয়ে চিকিৎসা শিক্ষা সঞ্চালক ডাঃ অনুপ বৰ্মন, ধুবুৰী জিলা উপায়ুক্ত অন্বামুথন এম পি, আৰক্ষী অধীক্ষক অভিজিত গুৰাৰ প্ৰমুখ্যে স্বাস্থ্য বিভাগৰ কেবাজনো শীৰ্ষ বিষয়াই।

## সংগীতশিল্পী নিখিলেশ বৰুৱালৈ বিশেষ সন্মান



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ জুন ঃ** অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অৱসৰপ্ৰাপ্ত মুখ্য অভিযন্তা তথা গীতিকাৰ, সুৰকাৰ, গায়ক-বাদ্যযন্ত্ৰী নিখিলেশ বৰুৱালৈ আগবঢ়োৱা হৈছে সন্মানীয় ডক্টৰেট ডিগ্ৰী। প্ৰয়াত ৰমণী মোহন বৰুৱা আৰু চন্দ্ৰপ্ৰভা বৰুৱাৰ পুত্ৰ গুৱাহাটী নিবাসী নিখিলেশ বৰুৱাক ২৪ মে'ত নতুন দিল্লীত অনুষ্ঠিত ইউ এছ এৰ ছেণ্ট মাদাৰ টেৰেছা বিশ্ববিদ্যালয়ৰ এক অনুষ্ঠানত বৰুৱাক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। সাংস্কৃতিক ক্ষেত্ৰখনত আগবঢ়োৱা অৱদান আৰু গৱেষণাৰ বাবে তেওঁক এই সন্মান প্ৰদান কৰা হয়। উত্তৰ-পূবৰ বিভিন্ন লোক-সংস্কৃতিৰ ওপৰত তেওঁ গৱেষণা কৰি আহিছে। তেওঁক ইতিমধ্যে ভাৰতীয় দলিত সাহিত্য অকাডেমীয়ে 'কলাশ্ৰী' আৰু এক্সিলেঞ্চী ছাৰ্ভিচ বঁটাৰে সন্মানিত কৰিছে। জাৰ্মানীত অনুষ্ঠিত 'ক'বলেন্স' গীটাৰ প্ৰতিযোগিতাত (অনলাইন) অংশ লৈ তেওঁ সন্মানিত হৈছিল।

মূল্যবৃদ্ধিৰ বিৰুদ্ধে সৰৱ বৰপেটাৰ বিধায়ক আব্দুৰ ৰহিম আহমেদ

## মূল্যবৃদ্ধি হৈছে যদিও কৃষকে পোৱা নাই উৎপাদিত সামগ্ৰীৰ উচিত মূল্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ১ জুন ঃ** মূল্যবৃদ্ধিৰ বিৰুদ্ধে সৰৱ হোৱা দেখা গৈছে বৰপেটাৰ বিধায়ক আব্দুৰ ৰহিম আহমেদক । বৰপেটাৰ ভেল্লাত আজি প্ৰধানমন্ত্ৰীৰ কৃষি সিঞ্চাই আঁচনিৰ অধীনত স্থাপন কৰা দুখনকৈ অগভীৰ নলীনাদ আঁচনিৰ শুভ উদ্বোধন কৰি তেওঁ সাংবাদিকৰে হোৱা সাক্ষাৎকাৰত এইদৰে কৈ লগতে কয়- ৰাজ্যত মূল্যবৃদ্ধি হৈছে যদিও কৃষকে পোৱা নাই উৎপাদিত সামগ্ৰীৰ উচিত মূল্য । চৰকাৰে মধ্যভোগীক নাকি লগাব নোৱাৰা বাবে ৰাজ্যৰ কৃষক সকলোৰ সমস্যা বৃদ্ধি পাইছে । অতি কম মূল্যত উৎপাদিত ফচল মধ্যভোগীৰ জৰিয়তে বিক্ৰী কৰিব লগা হৈছে। এই ক্ষেত্ৰত চৰকাৰৰ নিয়ন্ত্ৰণ নাই বাবে ক্ষতিৰ সন্মুখীন হৈছে কৃষকসকল। অত্যাৱশ্যকীয় সামগ্ৰী আকাশলংঘী মূল্যবৃদ্ধিয়ে জুৰুলা কৰিছে জনতাক। কিন্তু সামগ্ৰীৰ মূল্য বৃদ্ধি পালেও উপকৃত হোৱা নাই কৃষকসকল । অকল বিনামূলীয়া চাউল লাভৰ বাদে বিভিন্ন ক্ষেত্ৰত ৰাইজে জীয়াতু ভুগিছে । কৃষকে যদি এক কিলো চজিত ১০ টকা পাইছে গুৱাহাটীত গ্ৰাহকে সেই চজিখিনি ৮০ টকাত কিনিব লগা হৈছে । মুল্যবৃদ্ধি নিয়ন্ত্ৰণত ব্যৰ্থ হৈছে চৰকাৰ'। ইপিনে পেট্ৰল-ডিজেলৰ মূল্য ৫০ টকাতে সীমাবদ্ধ হ'ব লাগিছিল বুলি কৈ ইউ পি এ চৰকাৰে যি হাৰত টে' লৈছিল সেই ধৰণে ললে পেট্ৰ'ল-ডিজেলৰ মূল্য ৫০-৬০ টকা হ'লহেঁতেন বুলিও কয়। বৰপেটাৰ ভেল্লাত উক্ত আঁচনিৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ বিধায়ক ৰহিম আহমেদে কয় যে কৃষক ৰাইজে এই আঁচনিৰ সুফল সৌৰশক্তিৰে দ্বাৰা চালিত হলে কৃষক ৰাইজ উপকৃত হ'ব বুলি কয়। কাৰণ বিদ্যুতৰ বিল সময়মতে দিব নোৱাৰে কৃষকসকলে। বৰপেটা সমষ্টিত এই আঁচনি মুঠ ৬০ টা চলি আছে আৰু ১২০ টা আৱন্টন হ'ব বুলি জনায় বিধায়ক গৰাকীয়ে। অনুষ্ঠানত বৰপেটা জলসিঞ্চন বিভাগৰ অধীক্ষক অভিযন্তা কমললোচন বায়ন, কাৰ্যবাহী অভিযন্তা কিশোৰ বৰ্মন, সহকাৰী কাৰ্যবাহী অভিযন্তা ব্ৰজেন নমস্কাৰ তালুকদাৰসহ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি কৃষকৰ হিতকৰ বহু গুৰুত্বপূৰ্ণ ভাষণ ৰাখে ।

দেউৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন সমাগত

## ফিল'বাৰীত দেউৰী স্বায়ত্তশাসিত পৰিষদৰ সদস্যা ৰীমা দেউৰীৰ সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ১ জুন ঃ** দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন সমাগত। তৎপৰ হৈ পৰিছে ৰাজ্যৰ ৰাজনৈতিক দলসমূহ । ৰাজনৈতিক দলসমূহে প্ৰচাৰ কাৰ্য কৰাৰ লগতে হিতাধিকাৰিৰ মাজত বিভিন্ন সামগ্ৰী বিতৰণ কৰাত ব্যস্ত হৈ পৰিছে। দেউৰী স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত ৭ নং মাৰ্ঘেৰিটা দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ সদস্যা ৰীমা দেউৰীয়ে নিজা পাৰিষদৰ সামাজিক উন্নয়ন পুঁজিৰে আজি সোনাপুৰ দেউৰী গাঁৱৰ ৰাজহুৱা ৰংঙ্গমঞ্চত হিতাধিকাৰীৰ মাজত চাইকেল, পাৱাৰ টিলাৰ, সৌৰ চাকি, ৰোগীসকলক চেক প্ৰদানৰ লগতে ভীমবৰ গৃহ আৱাস যোজনাৰ অধীনৰ হিতাধিকাৰিক চেক বিতৰণ কৰে। দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ সামাজিক উন্নয়নৰ পুঁজিৰে ফিল'বাৰী সোণাপুৰ দেউৰী গাঁও আৰু গুটিবাৰী দেউৰী গাঁৱৰ ৪৪ গৰাকী ব্যক্তিক ৫০০০ টকাকৈ চেক, ৬০ গৰাকী হিতাধিকাৰীক সৌৰ চাকি, ৪০ গৰাকীক চাইকেল, ৪ গৰাকীক পাৱাৰ টিলাৰ হেণ্ড ট্ৰেক্টৰ, ২০ গৰাকী হিতাধিকাৰীক ১,৫০,০০০ টকাকৈ ভীমবৰ গৃহ আৱাস যোজনাৰ অধীনত গৃহ প্ৰদান কৰে। আজি হিতাধিকাৰীৰ সামগ্ৰী বিতৰণ কাৰ্যসূচীত উপস্থিত থাকে প্ৰাক্তন শিক্ষক হেৰম্ব দেউৰী, পুণ্য দেউৰী, যতীন দেউৰী, ৭ নং মাৰ্ঘেৰিটা দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ সদস্যা ৰীমা দেউৰী, গাভৰুভেটি জিলা পৰিষদৰ সদস্যা এঞ্জি লামা পাদুন, অনুসূচিত জাতি উন্নয়ন পৰিষদৰ সভাপতি প্ৰশান্ত দাসৰ লগতে কেইবাগৰাকী বিজেপি দলৰ নেতৃত্ব।

## কলগাছিয়াৰ খাৰবাল্লীত অব্যাহত আছে অবৈধ খনন কাৰ্য

কুম্ভকৰ্ণ নিদ্ৰাত বন বিভাগ, স্থানীয় প্ৰশাসন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলগাছিয়া, ১ জুন ঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত খাৰবাল্লী গাঁৱত অব্যাহত আছে অবৈধ খনন কাৰ্য। শংকাত টোপনি নোহোৱা হৈছে স্থানীয় ৰাইজৰ। উল্লেখযোগ্য যে বেঁকী নৈৰ কাষৰীয়া অঞ্চলত অবৈধ খননৰ ফলত ইতিমধ্যে শ শ পৰিয়ালৰ মাটি-ভেটি জাহ গৈছে বেঁকী নৈত। তথাপি ভূতৰ ওপৰত দানহ পৰা দি একাংশ ট্ৰেক্টৰৰ মালিক আৰু মাটিৰ মালিকে মিলি চলাই আছে এই অবৈধ খনন। ভয়-শংকাত নিদ্ৰা হাৰিছে নৈৰ কাষৰীয়া পৰিয়ালৰ। স্থানীয় ৰাইজৰ অভিযোগ মতে কাকো কেৰেপ নকৰে ট্ৰেক্টৰ আৰু মাটিৰ মালিকে, ওলোটাই থানাৰ ভয় দেখুৱাই দম্ভালি মাৰি ফুৰে। বন বিভাগ আৰু আৰক্ষীক মেনেজ কৰি এই অবৈধ খনন চলাই থকাৰ কথা গাই ফুৰে বুলি স্থানীয় ৰাইজে জানিবলৈ দিয়ে। গৰাখহনীয়াৰ ভয়ত নিদ্ৰা হৰণ কৰা এইসকল ৰাইজে অসম চৰকাৰ আৰু জিলা প্ৰশাসনক অতিশীঘ্ৰে অবৈধ খনন বন্ধ কৰাৰ আহ্বান জনাইছে।

**LOST**

I have lost my Original Mark sheet B.A. 3rd semester, ROLL CODE : A-15338, ROLL NO : 0504.
Name - Rousima Sultana
D/O - Saiful Islam
Vill -Nagabandha
P.S - Laharighat
Dist- Morigoan
Ph. No - 6002080994

## ছিপাঝাৰৰ সাতখলিত মুকলি হ'ল এটিএম সেৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১ জুন ঃ** দৰং জিলাৰ ছিপাঝাৰৰ সাতখলিৰ শিক্ষিত যুৱ ব্যৱসায়ী কবিৰুল হকৰ বিশেষ তৎপৰতাত সানোৱা, গৰুখুঁটি, দেবানন্দ, বৰাচুবা আদি অঞ্চলৰ ৰাইজক সেৱা কৰাৰ মানসেৰে ৩১ মে'ত মুকলি কৰা হয় এই এটি এম সেৱা । বন্ধন বেংকৰ ছিপাঝাৰৰ শাখা পৰিচালক পৰামাৰ্থ গোস্বামীয়ে মুকলি কৰে এই এ টি এম সেৱা । আবেলি মুকলি অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত হয় ৰাজহুৱা সভা । সমাজকৰ্মী নজমল হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত সভাত ডা: এছ জে শইকীয়া, অভিযন্তা তথা টাটাৰ ইণ্ডিগ'কৈচ কৰ্মচাৰী চামাদুল হক, স্থানীয় গাঁও প্ৰধান মোদাব্বিৰ হুছেইনকে ধৰি অঞ্চলটোৰ কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সাতখলি গ্ৰাম্য ক্ৰীড়া সন্থাৰ খেলপথাৰৰ সমীপতে স্থাপিত টাটাৰ ইণ্ডিগ'কৈচ এটিএম সেৱাই সাধাৰণ ৰাইজক উপকৃত কৰিব বুলি মত ব্যক্ত কৰে সভাত উপস্থিত লোকসকলে।

## ডিব্ৰুগড় জিলা মটক সন্মিলনৰ নৱম দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১ জুন ঃ** অহা ১১ আৰু ১২ জুনত ডিব্ৰুগড় বাণীপুৰ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হ'ব ডিব্ৰুগড় জিলা মটক সন্মিলনৰ নৱম দ্বি-বাৰ্ষিক অধিৱেশন। ডিব্ৰুগড সদৰ মটক সন্মিলনৰ উদ্যোগত, বাণীপুৰ শাখা মটক সন্মিলনৰ সহযোগত আৰু বৃহত্তৰ বাণীপুৰবাসী ৰাইজৰ আতিথ্যত দুদিনীয়াকৈ অনুষ্ঠিত হ'ব লগীয়া মটক সন্মিলনৰ নৱম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি পৰম্পৰাৰ ৰীতি-নীতিয়ে লাইখুঁটা স্থাপন কৰে।অধিৱেশনত মটক জনগোষ্ঠীৰ উন্নয়নৰ সন্দৰ্ভত আলোচনা হোৱাৰ লগতে বিশেষকৈ মটক জনগোষ্ঠীক জনজাতিকৰণ মৰ্যাদা বিষয়ে আলোচনা কৰি চৰকাৰক ওচৰত দাবী উত্থাপন কৰিব। কাৰ্যসূচী অনুসৰি ১১ জুনৰ ৯ বজাত মটক অসম মটক সন্মিলনৰ পতাকা আৰু আদৰণি সমিতিৰ পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰিব ক্ৰমে- ডিব্ৰুগড় জিলা মটক সন্মিলনৰ ভাৰপ্ৰাপ্ত সভাপতি বিশ্বজিত নেওগ আৰু অভ্যথনা সমিতিৰ সভাপতি বিনোদ হাজৰিকাই। ইয়াৰ পাছতে স্মৃতি তৰ্পন আৰ বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত হ'ব।দুপৰীয়া ১২ বজাত ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰিব চিত্ৰাংকন প্ৰতিযোগিতা আৰু থলীতে লিখা ৰচনা প্ৰতিযোগিতা। বিয়লি ৫ বজাত অনুষ্ঠিত হ'ব লোক কৃষ্টি প্ৰদৰ্শন।১২ জুনৰ দিনৰ ১১ বজাত প্ৰতিনিধি পঞ্জীয়ন। দিনৰ ১-৩০ বজাত মটক জনগোষ্ঠীৰ ক'লা-কৃষ্টি প্ৰদৰ্শন। দিনৰ ২ বজাত ডিব্ৰুগড় জিলা মটক সন্মিলনৰ ভাৰপ্ৰাপ্ত সভাপতি বিশ্বজিত নেওগৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা।আদৰণি ভাষন দিব আদৰণি সমিতিৰ সভাপতি বিনোদ হাজৰিকাই।মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ কৃষি মন্ত্ৰী আতুল বৰা আৰু শক্তি,সাংস্কৃতিক মন্ত্ৰী বিমল বড়াই। বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰিব বিধায়কদ্বয় ক্ৰমে পোণাকণ বৰুৱা আৰু বলিন চেতিয়া লগতে অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাকে ধৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কেইবাজনো অধ্যাপক আৰু বিভিন্ন সংগঠনৰ বিষয়ববীয়াই ।নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিব তিনিচুকীয়া মহাবিদ্যালয়ত অধ্যাপিকা ডঃ কৰবী বৰুৱা গগৈয়ে।এই মুকলি সভাতে স্মৃতিগ্ৰন্থ উন্মোচন কৰিব। সন্ধিয়া ৬ বজাত বাৰে ৰহণীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব সদৌ অসম মটক সন্মিলনৰ সাংস্কৃতিক সম্পাদক চুচেন বৰুৱা আৰু মটক যুৱ-ছাত্ৰ সন্মিলনৰ উপ-সভাপতি অজয় গগৈয়ে। সন্ধিয়া ৭ বজাত প্ৰতিনিধি সভা আৰু বিষয় বাচনি সভা অনুষ্ঠিত হ'ব। প্ৰতিনিধি শিবিৰ মুকলি কৰিব সদৌ অসম মটক সন্মিলনৰ উপ-সভাপতি গৌৰীকান্ত গোহাঁয়ে।

## বৰপেটাৰোড আৰক্ষীৰ বৃহৎ সফলতা ঃ ৫জনীয়া ছিন্তাইকাৰীৰ দল আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ১ জুন ঃ** বৰপেটাৰোড আৰক্ষীয়ে যোৱানিশা এক গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিপুল চন্দ্ৰ কলিতাৰ নেতৃত্বত বৰপেটাৰোড আৰক্ষীৰ এটি দলে ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই কোকৰাঝাৰ পৰা ছিন্তাই হোৱা বোলেৰো পিকাপখন জব্দ কৰাৰ লগতে ২ জন ছিন্তাইকাৰীক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন যুৱকদ্বয়ক বৰপেটাৰোড আৰক্ষী থানাত লৈ আহি সোধাপোছা কৰে আৰু সিঁহতৰ তথ্যৰ ভিত্তিত বৰপেটাৰোডৰ বিভিন্ন স্থানত আৰক্ষীয়ে অভিযান চলাই আন ৩ জনক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ছিন্তাইকাৰীসকলৰ পৰা ৬ টা মোবাইল ফোনৰ লগতে এখন বাজাজ ডিস্কোভাৰ বাইক জব্দ কৰে। আটকাধীন যুৱককেইজন ক্ৰমে ধুবুৰী জিলাৰ গৌৰীপুৰ থানাৰ অন্তৰ্গত মহম্মদ ইন্তাজ আলীৰ পুত্ৰ মহিবুল ইছলাম, মৃত ৰসিদ আলীৰ পুত্ৰ মোফিজুল ইছলাম, মহম্মদ ছায়েদ আলী শেখৰ পুত্ৰ ইমৰাণ আলী শেখ, বৰপেটা জিলাৰ বৰপেটাৰোড থানাৰ অন্তৰ্গত মহম্মদ খবৰ আলীৰ পুত্ৰ সাগৰ আলী, আনজন হ'ল বৰপেটা জিলাৰ হাউলী থানাৰ অন্তৰ্গত বৰবালা গাঁৱৰ মহম্মদ সুলতান আলী খানৰ পুত্ৰ বাহাৰুল ইছলাম।

GNRC Quality•Value•Trust
স্বাস্থ্য-বাৰ্তা
প্ৰকাশ পালে জুন সংখ্যা
জিএনআৰচি স্বাস্থ্য




ওচৰৰ বিপণীৰ পৰা আপোনাৰ কপিটো আজিয়েই সংগ্ৰহ কৰক

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২ জুন ■ ২০২২ ■ ১৮ জেঠ ■ গুৱাহাটী

# এইবাৰৰ আইপিএল আৰু ৰিয়ানৰ প্ৰদৰ্শন

বিশ্বৰ নাম-দামী ক্ৰিকেট তাৰকাৰে সমৃদ্ধ আইপিএল সমাপ্ত হ'ল। কিন্তু অসমবাসীৰ বাবে সুখবৰ নহ'ল, কাৰণ অসমৰ একমাত্ৰ উদীয়মান খেলুৱৈয়ে আইপিএলত খেলাৰ যি যোগ্যতা অৰ্জন কৰিছিল তেওঁৰ খেলত ৰাজ্যবাসীৰ ২০২২ৰ সংস্কৰণত প্ৰত্যাশা পূৰণত ব্যৰ্থ হ'ল। এই ব্যৰ্থতাৰ বাবে অসমবাসীয়ে বেথা অনুভৱ কৰিলেও মূলতঃ গতিটো বৈ গ'ল খেলুৱৈগৰাকীৰ আৰু খেলুৱৈগৰাকীৰ ভৱিষ্যতলৈও অশনি সংকেতৰ সৃষ্টি হ'ল। এইগৰাকী খেলুৱৈ ৰিয়ান পৰাগক দেখি অসমবাসীৰ বুকু গৰ্বত উথলি উঠিছিল। এইবাৰ ৰাজস্থান ৰয়েলছে ৩.৮ কোটি টকাত খেলুৱৈ ৰিয়ানক চুক্তিবদ্ধ কৰি নতুন স্বপ্নৰ জন্ম দিছিল। কুৰিবছৰীয়া খেলুৱৈগৰাকীক খেলপথাৰত অপৰ্যাপ্ত সুযোগ দিছিল যদিও তাক সদ্ব্যৱহাৰ কৰাত খেলুৱৈগৰাকী সক্ষম নহ'ল। ই ৰাজ্যবাসীৰ বাবে দুৰ্ভাগ্যজনক যদিও খেলুৱৈগৰাকীৰ পেছাদাৰী মনোভাৱেও উজ্জ্বলতাৰ চিহ্ন প্ৰকাশ নাপালে। এই কথাটোত খেলুৱৈগৰাকীয়ে ভৱিষ্যতে কেনেদৰে মোকামিলা কৰিব পাৰে তাৰ ওপৰত নিৰ্ভৰ কৰিব। কিন্তু ইমান প্ৰতিভাসম্পন্ন হোৱাৰ পিছতো তথা বিশ্বৰ সন্মুখত নিজৰ দক্ষতাক তুলি ধৰি চমক দিয়াৰ বাবে এখন দুৰ্লভ ক্ষেত্ৰত সুন্দৰ সুযোগ পোৱা সত্ত্বেও ৰিয়ানে তাক সদ্ব্যৱহাৰ কৰাত সফল নোহোৱাত ৰাজ্যবাসী তেওঁৰ লগতেই চিন্তিত হৈছে। কাৰণ ক্ৰিকেট এবিধ এনে খেল, য'ত চামে চামে নতুনৰ প্ৰতিভা প্ৰতিভাত হৈ আহিছে। তেওঁলোকে নিজৰ শক্তি-সামৰ্থ্যৰ প্ৰদৰ্শন কৰি এই ক্ৰীড়া ক্ষেত্ৰখন দিনে দিনে দীঘলীয়া কৰি গৈ আছে। ইমানবোৰৰ মাজৰ পৰা আইপিএলৰ দৰে পেছাদাৰী লীগৰ দলবোৰৰ বাছনিত নিশ্চিত কৰাটো দুৰ্লভ সাফল্য। ৰিয়ান পৰাগৰ সৌভাগ্য যে তেওঁ একেবাৰে চাৰিটাকৈ ছিজিনত ৰাজস্থান ৰয়েলছৰ বাছনিত উঠি নিয়মীয়াকৈ দলৰ মূল একাদশত খেলাৰ সুবিধা পাইছিল। এই সৌভাগ্য কম খেলুৱৈৰ ক্ষেত্ৰতহে ঘটে। খেলপথাৰত বৃহৎ ৰানৰ জোৱাৰ তুলিবলৈ সক্ষম নহ'ল। প্ৰকৃততে ক্ৰিকেটৰ সফলতা ৰান, উইকেটতহে। অৱশ্যে বৰ্ষটোত সোতৰটা কেচ ধৰি সৰ্বাধিক কেচ ধৰাৰ অভিলেখ গঢ়িছে ঠিকেই কিন্তু ই ফাইনেল খেলা দলটোৰ ছয় বা সাত নম্বৰ বেটছমেনৰ বাবে পৰ্যাপ্ত নহয়। অথচ এনে স্থানত আহি বিস্ফোৰক ইনিংছ খেলি স্থান লাভ কৰা ভাৰতীয় দলত কেইবাজনো খেলুৱৈ আছে। কিন্তু ৰিয়ানক ভাৰতীয় দলত প্ৰতিনিধিত্বৰ দুৰ্বাৰ বাসনাক থমকি ৰাখিলে। এইক্ষেত্ৰত খেলুৱৈগৰাকীয়ে খেলপথাৰত ভৱিষ্যতে দিব লাগিব বেটবেৰে। তেতিয়াহে তেওঁৰ লগতে ভাৰতীয় দলত ৰিয়ান শীৰ্ষক সপোন সাকাৰ হ'ব, তাৰ বাবে নিৰলস সাধনাও লাগিব। লগতে নিজৰ প্ৰতিভা বা দক্ষতাক অতিৰিক্ত মাত্ৰা প্ৰদান কৰিব লাগিব। এইক্ষেত্ৰত ৰাজ্যবাসীয়ে প্ৰতিনিধিত্ব নোপোৱাৰ বাবে বঞ্চনা, উপেক্ষাৰ অভিযোগ কৰিলেও সুযোগৰ সদ্ব্যৱহাৰৰ প্ৰশ্নও আহে। এইক্ষেত্ৰত খুটি-নাটি, দুৰ্বলতাবোৰ অতিক্ৰমী আগবঢ়াৰ প্ৰয়োজন। ৰিয়ানৰ অৱশ্যে এইক্ষেত্ৰখনত অৱতীৰ্ণ হ'বলৈ হাতত বহু সময় আছে। ইতিমধ্যে শ্ৰেষ্ঠ খেলুৱৈৰে সান্নিধ্য পাইছে যেতিয়া এইবোৰক কামত লগাই নিজক প্ৰস্তুত কৰিব পাৰিলে তেওঁৰ সাফল্য নিশ্চয় আহিব। ইয়াৰ বাবে প্ৰয়োজন হ'ব পৰিশ্ৰম, সাধনা, পৰিৱৰ্তিত মানসিকতা আৰু ধাৰাবাহিকতা। এইবোৰ চালি-জাৰি চোৱাৰ সময় সমাগত ৰিয়ানৰ বাবে।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### চৰকাৰী বিদ্যালয়ত চৰকাৰী কৰ্মচাৰীৰ সন্তান পঢ়োৱা বাধ্যতামূলক

ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়খনৰ সামগ্ৰিক পাৰদৰ্শিতাৰ ওপৰত মান নিৰূপণ কৰিবলৈ অসম চৰকাৰৰ মাধ্যমিক আৰু প্ৰাথমিক শিক্ষা বিভাগে চৰকাৰী বিদ্যালয়সমূহত বিগত দুটা বৰ্ষৰ দৰে এইবাৰো তৃতীয়বাৰৰ বাবে 'গুণোৎসৱ' পাতিছে। গুণোৎসৱৰ দৰে এটি ব্যৱস্থা গ্ৰহণ কৰি অসম চৰকাৰে সঁচাকৈয়ে প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে। কিন্তু প্ৰশ্ন হ'ল, গুণোৎসৱ পাতিবলৈ প্ৰয়োজনীয়তা আহিল কিয়? চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ বহু পৰিমাণে বেয়া নে অন্য কিবা? যদি চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ মান নিম্নগামী হৈছে তাৰ বাবে দায়ী কোন? চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শিকন দিশটোৰ লগতে বিদ্যালয়খনৰ মান পৰ্যবেক্ষণ কৰাৰ বাবে বৰ্তমান গুণোৎসৱ ব্যৱস্থাৰ নীতিনিৰ্ধাৰণ কৰাৰ আঁৰত থকা ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ সৰহ ভাগৰেই নিজৰ সন্তানবোৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ শিক্ষানুষ্ঠানত পঢ়া। তদুপৰি আমাৰ চৰকাৰী বিদ্যালয়তে শিক্ষকতা কৰি থকা একাংশ শিক্ষকৰ সন্তানক চৰকাৰী বিদ্যালয়ত পঢ়িবলৈ নিদি ব্যক্তিগত খণ্ডত পঢ়িবলৈ দিয়ে। তাৰ মানে চৰকাৰী বিদ্যালয়বিলাকত তেখেতসকলৰ আত্মবিশ্বাস নাই নেকি? নিজেই চৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰি নিজৰ ল'ৰা-ছোৱালীক ব্যক্তিগত বিদ্যালয়বোৰত পঢ়িবলৈ দিয়াটো কিমান যুক্তিসংগত? মন্ত্ৰী, বিধায়কৰ পৰা আদি কৰি সকলো চৰকাৰী কৰ্মচাৰীয়ে নিজৰ নিজৰ ল'ৰা-ছোৱালীক চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰাবলৈ কঠোৰ আইন প্ৰয়োগ কৰিব লাগে। এনে কৰাৰ ফলত চৰকাৰী বিদ্যালয়সমূহে পুনৰ প্ৰাণ পাই উঠিব আৰু গুণোৎসৱৰ নিচিনা অনুষ্ঠানৰো প্ৰয়োজনীয়তা নাথাকিব। চৰকাৰে সময়ৰ আহ্বানক ইতিবাচক দিশত গ্ৰহণ কৰি চৰকাৰী শিক্ষাখণ্ডটোক জাকত-জিলিকা কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আমি দৃঢ় বিশ্বাসী।

■ উপেন মিনা

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# এডিবি, ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন আৰু দৰিদ্ৰতা, খাদ্য সংকট ইত্যাদি



**ইপাৰ-সিপাৰ**

■ বেবী সোনোৱাল হাজৰিকা



দৰিদ্ৰতাই মানুহৰ শৰীৰ-মন কোঙা কৰে। ২০২২ চনৰ পৰা কৰ'না মহামাৰীৰ কেইবাটাও ঢৌৱে কোবাই গ'ল। এতিয়াও অঞ্চলবিশেষে কৰ'নাই ৰূপ সলাই আছে। চীনৰ কৰ'নাৰ সংক্ৰমণ বঢ়াৰ লগতে বৰ্তমান উত্তৰ কোৰিয়াত কৰ'না দ্ৰুতগতিত পুনৰ বাঢ়িবলৈ ধৰিছে। গতিকে বিশ্বৰ সৰ্বত্ৰ যাতে আকৌ সংক্ৰমণে গুৰুতৰ ৰূপ ধাৰণ নকৰে, তাৰ বাবে সকলো সচেষ্ট হোৱা উচিত। কিয়নো এই দুৰ্যোগৰ ফলত বিশ্ব অৰ্থনীতি বহুখিনি পিছুৱাই গ'ল।

বিশ্বৰ সৰ্বাত্মক উন্নয়নত কৰ'না ভাইৰাছে মাৰাত্মক প্ৰভাৱ পেলাইছে। কৰ'না মহামাৰীৰ কাৰণে এছিয়াত দাৰিদ্ৰ্যৰ পৰিমাণ ব্যাপক হাৰত বৃদ্ধি পাইছে। দক্ষিণ-পূব এছিয়াত প্ৰায় চাৰে সাত কোটিৰ পৰা আঠ কোটি মানুহক কৰ'না মহামাৰীয়ে 'চৰম দৰিদ্ৰতা'ৰ মাজলৈ ঠেলি দিছে। যোৱা ১৫ মাৰ্চ ২০২২ তাৰিখে এছিয়া উন্নয়ন বেংক (এছিয়ান ডেভেলপমেণ্ট বেংক চমুকৈ এডিবি)ৰ এখন প্ৰতিবেদনে এই তথ্য প্ৰকাশ কৰিছে। 'কী ইণ্ডিকেটৰ্ছ ফৰ এছিয়া এণ্ড দ্য পেচিফিক ২০২১' শীৰ্ষক এই প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে, মহামাৰীয়ে এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত নিৰ্ধাৰিত উন্নয়নৰ লক্ষ্যমাত্ৰা বা এছ ডি জি অৰ্জনক ভাবুকিৰ সন্মুখীন কৰাইছে। মহামাৰীৰ কাৰণে আৰ্থিক বৈষম্য বৃদ্ধি পাইছে। মহামাৰীৰ ফলত বিশেষকৈ দৰিদ্ৰতা চৰম হাৰত বাঢ়িছে। দৈনিক ১ দশমিক ৯০ ডলাৰ উপাৰ্জন কৰা ব্যক্তিসকলক প্ৰতিবেদনত চৰম দৰিদ্ৰতাৰ শাৰীত (কেটেগৰী) পেলোৱা হৈছে। এই চৰম দাৰিদ্ৰ্যৰ শাৰীত পৰা মানুহৰ সংখ্যা মহামাৰীৰ সময়ত বহুগুণে বৃদ্ধি পাইছে। এই সংখ্যা মুঠ জনসংখ্যাৰ প্ৰায় ৩.৭ শতাংশ। প্ৰতিবেদনত উল্লেখ থকা অনুসৰি, এছিয়াৰ যিবোৰ অঞ্চলত দাৰিদ্ৰ্য, স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত অগ্ৰগতি দেখা গৈছিল, মহামাৰীৰ কাৰণে সেইবিলাকৰ অগ্ৰগতিও স্তব্ধ হৈ পৰিছে। মহামাৰীৰ আগতে দক্ষিণ-পূব এছিয়াৰ দৰিদ্ৰতাৰ সংখ্যা কিছু পৰিমাণে কমিবলৈ আৰম্ভ কৰিছিল। ২০১৭ চনত দাৰিদ্ৰ্যৰ সংখ্যা আছিল ২১.২ মিলিয়ন। ২০১৮ চনত আছিল ১৮ মিলিয়ন আৰু ২০১৯ চনত দাৰিদ্ৰ্যৰ সংখ্যা কমি হৈছিলগৈ ১৪.৯ মিলিয়ন। এ ডি বিৰ প্ৰেছিডেণ্ট মাচাতচুগু আছাকাওৱাৰ মতে, 'মহামাৰীৰ কাৰণে ব্যাপক কৰ্মসংস্থাপনহীনতা, অসমতা বৃদ্ধি আৰু দাৰিদ্ৰ্যৰ মাত্ৰা ব্যাপক হাৰত বৃদ্ধি পাইছে। বিশেষকৈ মহিলা, তৰুণ আৰু বয়সস্থসকলৰ মাজত এই সংখ্যা উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছে।

এ ডি বিয়ে ৪৯খন আঞ্চলিক সদস্য দেশৰ অৰ্থনৈতিক, বাণিজ্যিক, সামাজিক আৰু পৰিৱেশগত পৰিসংখ্যাৰ বিস্তাৰিত মূল্যায়ন কৰি প্ৰতিবেদনখন প্ৰকাশ কৰিছে। এছিয়াৰ উন্নয়নশীল দেশসমূহৰ মুঠ জনসংখ্যাৰ ৫.২ শতাংশ বা ২০ কোটি ৩০ লাখ মানুহে ২০১৭ চনলৈকে চৰম দৰিদ্ৰতাৰ মাজত জীৱন-যাপন কৰিছে। যদি কৰ'না মহামাৰীয়ে সৃষ্টি কৰা পৰিস্থিতিৰ উদ্ভৱ নহ'লহেঁতেন, তেন্তে ২০২০ চনৰ ভিতৰত এই হাৰ ২ দশমিক ৬ শতাংশলৈ নামিলহেঁতেন।

এডিবিৰ প্ৰধান অৰ্থনীতিবিদ ইয়াচুকি ছাওয়াদাৰ মতে, এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলে যথেষ্ট অগ্ৰগতি কৰিছিল। কিন্তু ক'ভিডৰ কাৰণে অনেক মানুহে কৰ্মসংস্থাপন হেৰুৱাইছে। যাৰ ফলত নিবনুৱাৰ সংখ্যা বাঢ়িছে।

এডিবিৰ প্ৰতিবেদনে দক্ষিণ-পূব এছিয়াৰ কৰ'নাসৃষ্ট বৰ্ধিত দৰিদ্ৰতাৰ প্ৰতিচ্ছবি দাঙি ধৰিছে। বৰ্তমান ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধই সমগ্ৰ বিশ্ব অৰ্থনীতিৰ ওপৰত মাধমাৰ শোধাইছে। বিশেষকৈ তেল, গেছ আৰু সাৰৰ দাম বৃদ্ধিয়ে সকলো সামগ্ৰীৰ মূল্যবৃদ্ধি কৰিছে। তাতে বৰ্তমান সমগ্ৰ বিশ্বত খাদ্য সংকটে দেখা দিছে।

বৰ্তমান ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনতো খাদ্য সংকটৰ ভয়াৱহ তথ্য প্ৰকাশ পাইছে। সেই প্ৰতিবেদন মতে, বৰ্তমান ৫৩খন দেশ খাদ্য সংকটৰ কবলত পৰিছে। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন মতে, দিনৰ হিচাবত নোখোৱাকৈ থকা মানুহৰ সংখ্যাই যোৱা এটা বছৰত সৰ্বোচ্চ সীমা অতিক্ৰম কৰিছে। ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধই বিশ্বব্যাপী খাদ্য উৎপাদন প্ৰভাৱিত কৰিছে। তাৰ ফলত বিশ্ববাসী নতুনকৈ আৰু ডাঙৰ সমস্যাৰ সন্মুখীন হ'বলগীয়াত পৰিব। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত দেখা গৈছে যে, ৫৩খন দেশৰ প্ৰায় ১৯৩ মিলিয়ন মানুহে ২০২১ চনত আধাপেটীয়াকৈ খাই জীৱন ধাৰণ কৰিছে। প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে, সংঘৰ্ষ, জলবায়ুৰ পৰিৱৰ্তন আৰু কৰ'না মহামাৰীয়েই এই অৱস্থাৰ বাবে দায়ী। আমাৰ ভাৰততো জলবায়ু পৰিৱৰ্তনৰ ফলত খাদ্য সংকটৰ আশংকাই দেখা দিছে। বিশেষজ্ঞসকলে তৈয়াৰ কৰা প্ৰতিবেদন মতে, জলবায়ু পৰিৱৰ্তনৰ ফলত আমাৰ দেশৰ খাদ্য উৎপাদন ১৬ শতাংশ হ্ৰাস পাইছে। যাৰ ফলত ২০৩০ চনৰ ভিতৰত ভাৰতত ক্ষুধাতুৰ লোকৰ সংখ্যা বাঢ়িব। খাদ্য সংকট ৩০ শতাংশ বাঢ়ি যাব বুলি প্ৰতিবেদনত আশংকা প্ৰকাশ কৰা হৈছে। ২০৫০ চনৰ ভিতৰত খাদ্য সংকট ৬০ শতাংশলৈ বৃদ্ধি পাব। যাৰ ফলত দেশত দৰিদ্ৰতা তীব্ৰ হৈ উঠিব বুলি উল্লেখ কৰা হৈছে।

সম্প্ৰতি ভাৰত চৰকাৰে খাদ্য সংকটে যাতে দেশক বিপদত নেপেলায়, সেই বাবে বিদেশলৈ গম ৰপ্তানি বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই কথাক লৈ সাতখন পশ্চিমীয়া দেশৰ সংগঠন জি-৭ এ ভাৰতক কঠোৰ সমালোচনা কৰিছে। কিন্তু ভাৰতৰ গম ৰপ্তানি বন্ধ সংক্ৰান্তত এইবাৰ চীনে ভাৰতক সমৰ্থন কৰিছে।


গতিকে সকলোৱে এই কথাবোৰ চিন্তা কৰিবৰ হ'ল। প্ৰকৃতিৰ বাধা অতিক্ৰম কৰিবলৈ অন্ততঃ মানুহৰ নিজৰ সৎ প্ৰচেষ্টাৰ প্ৰয়োজন আছে। অযথা বাদ-বিবাদ পৰিহাৰ কৰি চলি থকা যুদ্ধখন বন্ধ কৰিবলৈ সকলোৱে চেষ্টা কৰা দৰকাৰ। বৰ্তমান মানৱ জাতিটোৱেই বিভিন্ন সংকটৰ সন্মুখত। গতিকে সঁচা অৰ্থত মানৱ জাতিয়ে সু-সভ্য জাতি বুলি পৰিচয় দিয়াৰহে সময় সমাগত।

# কাজিৰঙাৰ অৰ্কিড উদ্যান কিয় চাব লাগে?

■ নৱজ্যোতি বৰা

সৌ সিদিনা মোৰ লগতে মোৰ জীয়ৰী অংকি বৰা, মোৰ ঘৰৰ ওচৰৰ ভাই গুণমণি নাথৰ সৈতে কাজিৰঙাৰ অৰ্কিড উদ্যান চাবলৈ গ'লো। বুঢ়া পাহাৰ পাৰ হৈ এটি ভিউ পইণ্টত আমি ৰ'লো। সেই সময়ত ভিউ পইণ্টৰ কাষত এটি হাতীৰ জাক, ম'হ, গঁড়ৰ লগতে বিভিন্ন প্ৰজাতিৰ চৰাই দেখিবলৈ পালো। সেইবোৰ ভালদৰে চাবৰ বাবে বিশ টকা দি এটি বাইনুকুলাৰ ভাৰালৈ লৈ জীয়ৰীক দিলো। জীয়ৰীয়ে ভালেই পালে। তাৰ পিছতে আমি উদ্যান পালোগৈ। উদ্যানলৈ সোমাই যোৱা পথছোৱাৰ দুয়ো কাষে পৰ্যটকৰ বাবে বিভিন্ন তৰহৰ আকৰ্ষণীয় সামগ্ৰীৰ দোকানৰ ব্যৱস্থা আছে। উদ্যানৰ মূল তোৰণৰ কাষতে উদ্যানলৈ প্ৰৱেশৰ বাবে টিকট ঘৰৰ পৰা তিনিখন প্ৰৱেশ-পত্ৰ কিনি উদ্যানৰ ভিতৰলৈ সোমাই গ'লো। প্ৰথমতে আমি অৰ্কিডেৰে পৰিপূৰ্ণ হৈ থকা ঠাই ডোখৰত প্ৰৱেশ কৰিলো। উদ্যানৰ কৰ্মকৰ্তাসকলে বৰ সুন্দৰভাৱে শাৰী শাৰীকৈ সজাই থোৱা অৰ্কিডৰ বাগিচাখন দেখি মুগ্ধ হ'লো। ইমানবোৰ বিভিন্ন প্ৰজাতিৰ অকিৰ্ড মই আগতে একে লগে একে ঠাইতে কেতিয়াও দেখা পোৱা নাছিলো। মোৰ জীয়ৰীয়েও ফুলবোৰ দেখি আচৰিত হ'ল। অৰ্কিড উদ্যানৰ ভিতৰত কিছুমান অৰ্কিড ৰছীত ওলমাই ৰখা হৈছে আৰু কিছুমান টাবত লগাই সজাই ৰখা হৈছে। সেইবোৰ হাতেৰে চুই চোৱাত মানা আছে। তেওঁলোকৰ পৰা অৰ্কিড ইমানবোৰ প্ৰজাতিৰ বিষয়ে জানিব বিচৰাত তেওঁলোকে ক'লে যে উদ্যানখনত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰা সংগ্ৰহ কৰি প্ৰায় এহাজাৰ বিধ প্ৰজাতিৰ এই উদ্যানত সংৰক্ষণ কৰি ৰখা হৈছে আৰু অনাগত দিনত আৰু অধিক প্ৰজাতিৰ অৰ্কিড ইয়াত সংগ্ৰহ কৰি ৰাখিবলৈ চেষ্টা কৰি থকা হৈছে। লগতে ইয়াকো জানিব পাৰিলো যে সমগ্ৰ অসমত অৰ্কিডৰ ৩৯৮টা প্ৰজাতিৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত ৯০০টা প্ৰজাতি বৰ্তমানলৈকে পোৱা হৈছে।

ইমানবোৰ কথা জানি আমি অৰ্কিডৰ বাগিচাখনৰ পৰা ওলাই আহি কাষতে থকা সংগ্ৰহালয়টোলৈ সোমাই গ'লো। সংগ্ৰহালয়টোত অসমৰ বহুকেইটা জাতি-জনগোষ্ঠীৰ দৈনন্দিন জীৱনত ব্যৱহৃত বহু সম্পদ সংগ্ৰহ কৰি প্ৰণালীবদ্ধভাৱে সজাই থৈছে। সংগ্ৰহালয়তে কঁকালত বান্ধি বোৱা শালখনত অনবৰতে শিপিনীয়ে কাপোৰ বৈ থাকে। সংগ্ৰহালয়টোৰ শেষৰ পিনৰ অংশটোত গোটেই অসমৰ সভ্যতা-সংস্কৃতিৰ ফটো সংগ্ৰহ কৰি ৰখা আছে। তাৰ পৰা ওলাই আমি প্ৰৱেশ কৰিলো জনজাতীয় সাজ-পোছাক বিক্ৰী কৰা কেন্দ্ৰত। উক্ত কেন্দ্ৰটোত অসমৰ প্ৰায়বোৰ জনজাতীয় পোছাক আটকধুনীয়াকৈ সজাই ৰখাৰ লগতে বিক্ৰীৰ ব্যৱস্থাও আছে। ইয়াৰ পাছত আমি প্ৰৱেশ কৰিলো অসমত থলুৱাভাৱে উৎপাদন কৰা ধানৰ উপৰি ভেষজ ঔষধৰ সংগ্ৰহালয়টোত। বৰ্তমান ধান সংগ্ৰহালয়টোত তিনিশ দহ (৩১০) বিধ ধান সংৰক্ষণ কৰাৰ লগতে তাৰে কেইবিধমান তেওঁলোকে খেতিও কৰি আছে। আমাৰ অসমতো থলুৱাভাৱে ইমানবোৰ প্ৰজাতিৰ ধান হয় বুলি মই আগতে ভাবিবই পৰা নাছিলো। এইখিনি কথা জনাৰ পাছত নিজৰে বুকুখন ডাঠ ডাঠ লাগি গ'ল। তাৰ পিছত আমি প্ৰৱেশ কৰিলো অকিৰ্ডৰ এটা গেলেৰীত প্ৰৱেশ কৰিলো। এই গেলাৰীটোত কেইবা হাজাৰ অৰ্কিডৰ ফটোগ্ৰাফ সুন্দৰকৈ বন্ধাই আঁৰি থোৱা হৈছে। এই গেলাৰীতে এটা কথা জানিব পাৰিলো যে ভেনিলা নামৰ এবিধ অৰ্কিডৰ পৰাই আইচক্ৰিম বনোৱা হয়। যি খাবলৈ বৰ সোৱাদযুক্ত হয়। তাৰ পৰা বাহিৰ হৈ আমি উদ্যানতে থকা এখন অৰণ্যত প্ৰৱেশ কৰিলো। অৰণ্যৰ মাজেদি পকী কৰা সুৰুকীয়া বাট আৰু বাটৰ কাষে কাষে বহিব পৰা বেঞ্চ বনাই ৰখা হৈছে। অৰণ্যৰ মাজে মাজে ভ্ৰমণ কৰি মনটো শাত পৰি গ'ল। অৰণ্যখন চাই আমি প্ৰৱেশ কৰিলো কেক্টাছৰ বাগিচাত। কেক্টাছৰ বাগিচাখনত বিভিন্ন প্ৰজাতিৰ কেক্টাছ সংৰক্ষণ কৰি ৰখা হৈছে। কেক্টাছ বাগিচা চাই তাৰ গাতে লাগি থকা বনৌষধিৰ গছ থকা উদ্যানত প্ৰৱেশ কৰিলো। উদ্যানত থকা গাইড ৰূপম বৰুৱাই জনালে যে উদ্যানখনত ৮৫৫ বিধি বনৌষধিৰ গছ সংৰক্ষণ কৰা আছে। বনৌষধিৰ গাতে লাগি আছে কণ কণ ল'ৰা-ছোৱালীবোৰে খেলা-ধূলা কৰিব পৰাকৈ এখন উদ্যান আছে। তাতে মোৰ জীয়ৰীয়ে কিছু সময় খেলা-ধূলা কৰিলে। খেলা-ধূলা শেষ কৰি আমি প্ৰৱেশ কৰিলো গোৰ্খা সংগ্ৰহালয়ত। সংগ্ৰহালয়টোত গোৰ্খাসকলে পূৰ্বতে তথা বৰ্তমান সময়তো ব্যৱহাৰ কৰা বিভিন্ন ধৰণৰ বস্তু যেনে— বাচন-বৰ্তন, বিভিন্ন কাম-কাজ কৰা সঁজুলি, ঘৰুৱা কামত ব্যৱহাৰ হোৱা দা-কটাৰিৰ লগতে বিভিন্ন দেশ-বিদেশৰ অতীত আৰু বৰ্তমানত প্ৰচলিত হৈ থকা মুদ্ৰাসমূহ সুন্দৰভাৱে সংৰক্ষণ কৰি থোৱা আছে। ইয়াৰ পাছতে আমি এশ দহ বিধ মান বন শাকেৰে ভৰা উদ্যানখন চালো। বহুতো চিনি নোপোৱা বন শাক চিনি পোৱাৰ লগতে সময়ৰ বুকুত হেৰাই যাব ধৰা বন শাকবোৰক বৰ সুন্দৰভাৱে লগাই সংৰক্ষণ কৰাৰ উপৰি উঠি অহা প্ৰজন্মক বন শাকবোৰ চিনি পোৱাত সহায় কৰি দিছে। তাৰ পাছত আমি আহি প্ৰৱেশ কৰিলো বাঁহ উদ্যানত। ইয়াত আমি একেবাৰে সৰু বাঁহ গছ জোপা চিনাকি হোৱাৰ পৰা ক'লা বাঁহো দেখা পালো। বাঁহ উদ্যানখনত মুঠ ৭০ বিধ মান পোৱা যায়। তাৰে ভিতৰত উত্তৰ-পূৰ্বাঞ্চলত প্ৰায় ৬৫ বিধ বিভিন্ন প্ৰজাতিৰ বাঁহ পোৱা যায়। বাঁহ গছবোৰৰ



তলবোৰ বৰ সুন্দৰভাৱে চাফা কৰি ৰাখিছে। উদ্যানখনত ঘূৰি ফুৰোতে আমি দেখিলো উদ্যানখনৰ বিভিন্ন ওখ গছত কেতবোৰ চাংঘৰ নিৰ্মাণ কৰি ৰাখিছে, যাতে পৰ্যটকসকলে চাংঘৰত উঠি ইয়াৰ আমেজ ল'ব পাৰে। মোৰ জীয়ৰীয়ে এনে চাংঘৰত উঠি আনন্দ লভিলে। তাৰ পিছত আমি উদ্যানতে থকা নাৰ্চাৰীখন চালো। তাত অৰ্কিডবোৰ বিক্ৰী কৰাৰ লগতে বিভিন্ন প্ৰজাতিৰ ফুলৰ পুলিৰ লগতে গছৰ পুলিও বিক্ৰী কৰাৰ ব্যৱস্থা কৰি ৰাখিছে। ইয়াৰ লগতে নাৰ্চাৰীখনতে অসমৰ ৰাজ্যিক বৃক্ষ হিচাপে মৰ্যাদা পোৱা হোলোং জোপা দেখাৰ সৌভাগ্য হ'ল। কাৰণ আগতে নামটোহে জানিছিলো, দেখা হ'লে নাছিলো। জীয়ৰীয়েও গছ জোপাৰ বিষয়ে জানি আনন্দিত হ'ল। ইমানবোৰ ঘূৰি ফুৰোতে আমাৰ পেটটোৱে কলমলাই আহাৰ খোৱাৰ জাননী দিলে। সেই বাবে আমি অকিৰ্ড উদ্যানৰ মাজ ভাগতে থকা খাদ্য খোৱা ঠাইখন পালোহি। তাত আমি আহাৰৰ থালি অৰ্ডাৰ কৰিলো। এখন থালত কমেও ১৮ বিধ বিভিন্ন ব্যঞ্জনেৰে এসাঁজ ভাত পোৱা যায়। অকল যে নিৰামিষ ভাত পায় তেনে নহয়, মাছ-মাংসও পোৱা যায়। খাদ্য খোৱা ঠাইখনৰ কাষতে এটি মুকলি সাংস্কৃতিক মঞ্চ আছে। য'ত উদ্যানত প্ৰৱেশ কৰা সকলো লোকক অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্য প্ৰদৰ্শন কৰি আমোদ দিয়াৰ লগতে চিনাকি কৰাই দিয়ে। আমি আহাৰ গ্ৰহণ কৰিয়েই সকলো সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰিলো। সাংস্কৃতিক মঞ্চৰ গাতে লাগি আছে চাহ খোৱা ঘৰ। চাহৰ লগত খাবৰ বাবে বিভিন্ন ধৰণৰ থলুৱাভাৱে তৈয়াৰ কৰা বিভিন্ন ধৰণৰ পিঠাপনাৰ ব্যৱস্থা কৰা হৈছে। ই এটা ভাল লক্ষণ। অৰ্কিড উদ্যানখনত ঘূৰি ফুৰোতে এটা কথাই আমাক বৰ আকৰ্ষণ কৰিলে যে উদ্যানখনত থকা প্ৰতিজন কৰ্মচাৰীয়েই অতিথিপৰায়ণ। সি যি কি নহওক, আমাৰ অসমৰ পৰ্যটন উদ্যোগটো বিকশাই তুলিব পৰাৰ আদৰ্শ ধাৰণা উক্ত অৰ্কিড উদ্যানখনে বহন কৰিছে। কাজিৰঙাত থকা অৰ্কিড উদ্যানখন এখন জৈৱ-বৈচিত্ৰ্যৰে পৰিপূৰ্ণ পৰ্যটন কেন্দ্ৰ। সেই আদৰ্শৰে যদি অসমত অৱহেলিত হৈ পৰি থকা পৰ্বত-পাহাৰ তথা ভৈয়ামৰ মাটিবোৰত এনে ধৰণৰ উদ্যান গঢ়ি উঠে তেন্তে অনাগত দিনত আমি পৰ্বত-পাহাৰবোৰ চিৰ সেউজ কৰাই নহয় বিভিন্ন হেৰাই যাব ধৰা গছ-গছনিৰ লগত বিভিন্ন ধৰণৰ ঔষধি সংৰক্ষণ কৰাৰ লগতে ইয়াৰ দ্বাৰা নিবনুৱা সমস্যা সমাধান হোৱাৰ লগতে অসমখন পৰ্যটন ক্ষেত্ৰত এঢাপ আগবাঢ়ি যাব। মই এটা কাৰণতে অৰ্কিড উদ্যানখন চাব লাগে বুলি ভাবো যে তাত নেদেখা বিভিন্ন গছ-লতা, ফল-ফুল, শাক-বনৌষধিৰ লগতে নজনা বহু কথা জানিব পাৰি। যিবোৰ কথা বিশেষভাৱে অধ্যয়ন কৰি থকা ল'ৰা-ছোৱালীক প্ৰায়ে প্ৰয়োজন হয়। এই অৰ্কিড উদ্যানখন চাবৰ বাবে বিদেশৰ পৰাও পৰ্যটক আহিছে। ই কিন্তু আমাৰ বাবে শুভ লক্ষণ।

# ঈৰ্ষা

■ হিমাজ্যোতি তালুকদাৰ

আমি প্ৰায়ে শুনিবলৈ পোৱা ঘটনা হৈছে যে তেওঁ আনৰ ঈৰ্ষাৰ সন্মুখীন হৈ অতিষ্ঠ হৈ পৰিছে। আচলতে আজিৰ বিশ্বায়নৰ সমাজ ব্যৱস্থাত মানুহে যদিও আধুনিকতাৰ প্ৰলেপ সানি হাবু-ডুবু খাইছে, তথাপি কিছুমান মানুহৰ আনৰ ভাল দেখিব নোৱৰা স্বভাৱটো আছে। আনৰ উন্নতি দেখিলে সিহঁতৰ ভোক-পিয়াহ নোহোৱা হৈ যায় আৰু কেনেকৈ তেওঁৰ অনিষ্ট কৰিব পাৰে তাকে ছল বিচাৰি থাকে। যিসকল লোক ঈৰ্ষাৰ বদ্ গুণেৰে ভৰপূৰ সিহঁতে লোকৰ উন্নতি দেখিব নোৱৰাৰ উপৰি নিজৰ সম্বন্ধীয় লোকৰ ভাল হ'লেও চট্ফটাই উঠে। ঈৰ্ষা এক এনেকুৱা মাৰাত্মক মানসিক ব্যাধি, যিয়ে ব্যক্তিগৰাকীক লাহে লাহে আনৰ পৰা আঁতৰাই ৰাখিবলৈ আৰম্ভ কৰে। কাৰণ আনৰ উন্নতি দেখিব নোৱাৰি ব্যক্তিগৰাকীয়ে সমাজৰ আন আন সভ্য মানুহৰ লগত মিলিজুলি থাকিবলৈ অপাৰগ হৈ পৰে।

মানুহ অভ্যাসৰ ফলতে সৎ আৰু অসৎ স্বভাৱৰ হৈ গঢ়ি উঠে। আনকি জন্তু এটাও অভ্যাসৰ ফলতে বিভিন্ন আচৰণ শিকে। সৎ স্বভাৱৰ ব্যক্তি সকলোৰে প্ৰিয় আৰু অসৎ স্বভাৱৰ ব্যক্তি কু-মন্ত্ৰণাৰে প্ৰথম অৱস্থাত আনৰ প্ৰিয়ভাজন হৈ পৰিলেও কিন্তু বেছি দিন অসৎ ব্যক্তি আনৰ প্ৰিয়পাত্ৰ হৈ থাকিব নোৱাৰে। কাৰণ মিছা কথাৰ ঠেং চুটি। আমি সমাজপ্ৰিয় মানুহ যিহেতু আমি সমাজ পাতি বসবাস কৰোঁ কিন্তু আমাৰ সমাজত ঈৰ্ষাপৰায়ণ লোকৰ বৰ্তমান আকাল নাই। অতীততো আমাৰ সমাজত ঈৰ্ষাপৰায়ণ লোক আছিল আৰু বৰ্তমানেও আছে। কিন্তু আমাৰ বিচাৰ্যৰ বিষয় এইটো হ'ব নালাগে যে আমাৰ সমাজত ঈৰ্ষাপৰায়ণ ব্যক্তি আছে যদি কিমান আছে? আচলতে আমি একোখন সভ্য সমাজৰ মানুহ হিচাপে আমাৰ সমাজৰ সোঁচৰা ব্যাধিস্বৰূপ ঈৰ্ষাপৰায়ণ লোকৰ পৰা আমাৰ চৌপাশৰ পৰিৱেশ কেনেকৈ সুৰক্ষিত কৰিব পাৰি সেয়াহে বিচাৰ্যৰ বিষয় হোৱা উচিত। ঈৰ্ষাপৰায়ণ লোকৰ কোপৰ পৰা আনকি বৰ্তমান শিশুসকলেও ৰেহাই নাপায়। এটা শিশু পঢ়ি-শুনি ডোপতডোপে আগুৱাই যোৱা দেখিলে ওচৰ-চুবুৰীয়া কিছুমান হিংসুক লোকে কেনেদৰে শিশুটিক মাদ্ৰক দ্ৰব্য, অনৈতিক কাৰ্য আদিৰে বেয়াৰ পথলৈ ঠেলি পঠিয়াবলৈ সক্ষম হয় তাকে মন্ত্ৰণা কৰে। আমাৰ সমাজত নাৰীক ধৰিত্ৰী আইৰ লগত তুলনা কৰা হয় বিভিন্ন সময়ত; বৰ্তমান চৰকাৰেও নাৰীৰ সবলীকৰণৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰিছে যদিও নাৰীৰ যি ধৰণে উন্নতি হ'ব লাগিছিল তেনে ধৰণৰ সফলতা দেখিবলৈ পোৱা নাই। ইয়াৰ মূল কাৰণ আমাৰ সমাজৰ সেই বিশেষ ঈৰ্ষাপৰায়ণ লোকসকল। সিহঁতৰ ওচৰ-চুবুৰীয়াৰ মহিলা শিক্ষা -দীক্ষাৰে আগবাঢ়ি যোৱা দেখাৰ লগে লগে সেই মহিলাৰ ওপৰত হকে-বিহকে নানা অপবাদ জাপি দিয়ে, আনকি চৰিত্ৰত মিছা চেকা লগাই হ'লেও আগুৱাই যোৱাত বাধা প্ৰদান কৰিবলৈ কুণ্ঠাবোধ নকৰে বৰঞ্চ কিবা প্ৰকাৰে সেই নিৰ্দিষ্ট নাৰীগৰাকীৰ সমস্ত সুখ-শান্তি কাঢ়ি নিবলৈ উঠিপৰি লাগে। মাত্ৰ যে নাৰীসকলেই ঈৰ্ষাৰ সন্মুখীন হয় তেনে নহয় পুৰুষেও বিভিন্ন সময়ত ঈৰ্ষাৰ বলি হৈ জীৱন যাত্ৰাত আগবাঢ়ি যাব নোৱাৰে। শিক্ষা এনেকুৱা এটা মাধ্যম যাৰ জৰিয়তে আমি মানুহ হিচাপে জীৱন নিৰ্বাহ কৰাৰ জ্ঞান লাভ কৰিবলৈ সক্ষম হওঁ। বৰ্তমান শিক্ষা ব্যৱস্থা বহু আগুৱালে, অথচ আমাৰ কিছুসংখ্যক মানুহক মানুহ হিচাপে গঢ়ি তুলিবলৈ সক্ষম হোৱা নাই; ইয়াৰ বাবে দায়ী আমি নিজেই কাৰণ আমি ঈৰ্ষাপৰায়ণ স্বভাৱৰ নহ'লেও আমি কেতিয়াবা হ'লেও তেনে ব্যক্তিৰ কথাত অংশগ্ৰহণ কৰিছোঁ (অজানিতে হ'লেও) বা কেতিয়াবা তেনে ব্যক্তিৰ কু-নীতিৰ বিষয়ে জানিও একো পদক্ষেপ গ্ৰহণ নকৰিলোঁ। যাৰ ফলত সেই কুটিল স্বভাৱৰ ব্যক্তিগৰাকীৰ বেয়া কৰ্ম কৰিবলৈ আত্মবিশ্বাস বেছিকৈ বাঢ়িল। সমাজ এখন বা দেশ এখনৰ পতনৰ বাবে যুদ্ধ-বিগ্ৰহৰ প্ৰয়োজন নাই আমাৰ সমাজত ঈৰ্ষাৰে ভৰপূৰ লোকৰ বৃদ্ধিয়ে সমাজ-দেশক ধ্বংস কৰি পেলাব।

◆◆◆আমি সমাজ প্ৰিয় মানুহ যিহেতু আমি সমাজ পাতি বসবাস কৰোঁ কিন্তু আমাৰ সমাজত ঈৰ্ষাপৰায়ণ লোকৰ বৰ্তমান আকাল নাই। অতীততো আমাৰ সমাজত ঈৰ্ষাপৰায়ণ লোক আছিল আৰু বৰ্তমানেও আছে কিন্তু আমাৰ বিচাৰ্যৰ বিষয় এইটো হ'ব নালাগে যে আমাৰ সমাজত ঈৰ্ষাপৰায়ণ ব্যক্তি আছে যদি কিমান আছে?◆◆◆

*ফোন ঃ ৯৭০৬৬-৮২০৩৪*

# চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত পিএম গৃহৰ হিতাধিকাৰী অনিয়মৰ অভিযোগ

## জিপিচিক নীতি-নিয়ম বৰ্তাই আঁচনি ৰূপায়ণ কৰিবলৈ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১ জুন ঃ** ৰাজ্যত এতিয়া পি এম এ ৱাই গৃহৰ বতৰ। কেন্দ্ৰীয় চৰকাৰে কেইবা লক্ষ দৰিদ্ৰ পৰিয়ালৰ বাবে কেইবা কোটি টকা ইতিমধ্যে মুকলি কৰি দিয়াৰ পাছত ৰাজ্যৰ গাঁও পঞ্চায়তসমূহত তীব্ৰগতিত চলিছে আঁচনি ৰূপায়ণৰ কাম-কাজ। দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত ২৫খন গাঁও পঞ্চায়তেতো চলিছে একে পৰম্পৰা। ইয়াৰে চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তেতো চলিছে একেই ধাৰা। আঁচনি বুলি ক'লেই বিতৰ্কই সহলগ্নী হৈ পৰা পঞ্চায়তখনত পি এম গৃহৰ হিতাধিকাৰীক লৈ গাঁৱে গাঁৱে সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। কিয়নো আঁচনিৰ নীতি-নিয়ম অনুসৰি কোনো পৰিয়ালত পূৰ্বতে গৃহ লাভ কৰা, তিনি-চাৰিচকীয়া বাহন, ধান মৰা যন্ত্ৰ, তিনি-চাৰিচকীয়া বাহন থকা, চৰকাৰী চাকৰি থকা পৰিয়াল আদিকে ধৰি তেৰটা নীতি-নিৰ্দেশনা বৰ্তাই আঁচনিখন ৰূপায়ণ কৰিব লাগে। কিন্তু পঞ্চায়তখনত তেনে নিয়ম-নীতিক একাষৰীয়া কৰি থৈ নিজে বনাই লোৱা নীতি-নিয়মেৰে আঁচনি ৰূপায়ণ কৰিবলৈ লোৱাত আশ্চৰ্যান্বিত হৈ পৰিছে সচেতন মহল। অভিযোগ অনুসৰি ২০১১ত কৰা তালিকাৰ পৰা বাদ পৰি যোৱা হিতাধিকাৰীসকলক গৃহ আৱণ্টনৰ বাবে গ্ৰামোন্নয়ন বিভাগে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰি পঞ্চায়তৰ জৰিয়তে ৰূপায়ণ কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। যাৰ বাবে উল্লিখিত তালিকাক লৈ তীব্ৰগতিত চলাই থকা হৈছে ৰূপায়ণৰ কাম-কাজ। কিন্তু আশ্চৰ্যজনক কথা যে, তালিকাৰ ৩০ শতাংশ লোকৰ আছে পকী গৃহ, কোনোজনৰ ধান মৰা যন্ত্ৰ আদি থকাও দেখা গৈছে। জানিব পৰা মতে কোনো পৰিয়ালৰ ঘৰত পকীঘৰ থাকিলে গৃহ আৱণ্টন দিয়াত বাধা আছে। আশ্চৰ্যজনক কথা যে ২০১১ত ছাৰ্ভে কৰাৰ সময়ত যিগৰাকী ল'ৰাৰ নিচেই কম বয়স আছিল তেনে যুৱকৰো নাম তালিকাত ৰাইজে দেখা পোৱাত আশ্চৰ্যান্বিত হৈ পৰিছে। ইফালে তালিকাত সন্নিৱিষ্ট সকলোকে কোনোজন প্ৰতিনিধিয়ে গৃহ আৱণ্টনৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখা বুলি ভু-ৰখা মহলে জানিব পাৰি ক্ষোভিত হৈ পৰিছে। যিটো কথা ৰহস্যজনক বুলি ক'ব খোজে। ইফালে পঞ্চায়তখনৰ সচিব ৰমেশ বেজবৰুৱা আৰু জিপিচি অখিল শৰ্মাক কাৰো মুখৰ চলাহী কথাত মুগ্ধ হৈ আঁচনি ৰূপায়ণ নকৰি আঁচনিৰ নীতি-নিয়ম বৰ্তাইহে কাম কৰিবলৈ আহ্বান জনাইছে। ইয়াত কোনোৰে ভালপোৱা, বেয়া পোৱাৰ যুক্তি থাকিব নোৱাৰে। যদি বিপৰীতটোহে হয় তেন্তে এইবাৰ সচেতন লোকসকল বহি নাথাকিব বুলি সকীয়াই দিছে। জানিব পৰা মতে, ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে পঞ্চায়তখনত ৰাখিছে শেনদৃষ্টি। অনিয়মৰ অভিযোগ পালেই তদন্ত যে কৰিব ই খাটাং হৈ পৰাত ৰাইজে বিধায়কগৰাকীক আদৰণি জনাইছে। আনপিনে উপায়ুক্তকো অনিয়ম হ'লে অভিযোগ দিয়াৰ বাবে সচেতন লোকসকল সাজু হৈ থকা বুলি প্ৰকাশ। পৰৱৰ্তী খবৰ পিছৰ প্ৰতিবেদনত প্ৰকাশ কৰা হ'ব।



## গোসাঁইগাঁৱৰ আজমল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত ধঁপাতবিৰোধী দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১ জুন ঃ** গোসাঁইগাঁও মহকুমাৰ হাছৰাওবাৰীস্থিত আজমল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষক-শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে ৩১ মে'ত বিশ্ব ধঁপাতবিৰোধী দিৱস পালন কৰে। তদুপলক্ষে ছাত্ৰ-ছাত্ৰীসকলে স্কুলৰ পৰা চাইকেল সমদল উলিয়াই হাতে হাতে ধঁপাতবিৰোধী ফেষ্টুন, প্লেকাৰ্ড প্ৰদৰ্শন কৰি তবাকু হটাও, জিন্দেগী বচাও, ধঁপাত বৰ্জন কৰক, ধঁপাত সেৱন বন্ধ কৰক আদি শ্ল'গানেৰে সকলো শ্ৰেণীৰ ৰাইজৰ মাজত দৃষ্টি আকৰ্ষণ কৰাৰ প্ৰয়াস চলায়। লগতে ধঁপাত সেৱনে মানৱ জীৱনৰ ক্ষতিকাৰক দিশসমূহ দৃষ্টিপাত কৰাই সজাগতা অনাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে প্ৰচেষ্টা চলায়। ধঁপাতবিৰোধী দিৱস বিশ্ব স্বাস্থ্য সংস্থাৰ এক প্ৰচেষ্টা আৰু প্ৰতি বছৰে ৩১ মে'ত পালন কৰা হয়। এই অভিযানৰ উদ্দেশ্য হৈছে ধঁপাতৰ বিপদ আৰু স্বাস্থ্যৰ ওপৰত ইয়াৰ নেতিবাচক প্ৰভাৱৰ বিষয়ে ৰাইজৰ মাজত সজাগতা কৰা। ইয়াৰ মূল লক্ষ্য হৈছে ধঁপাত সেৱনৰ ফলত হোৱা ৰোগ আৰু মৃত্যু হ্ৰাস কৰা বুলি কয় আজমল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ আনোৱাৰ হুছেইনে। আজমল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা উলিওৱা চাইকেল ৰেলী কৰি মহকুমাৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি গোসাঁইগাঁও মহকুমাধিপতিৰ কৰ্যালয়ৰ সন্মুখত উপস্থিত হৈ ধঁপাতবিৰোধী শ্ল'গানেৰে খোজকাঢ়ি সমদল কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে ধঁপাতৰ ওপৰত নাটক প্ৰদৰ্শন কৰি দেখুৱাই দিয়ে।

## ওদালগুৰিৰ ধূপগুৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বৈজয়ন্তী বড়োক ৰাজহুৱা বিদায় সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১ জুন ঃ** ওদালগুৰি প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ধূপগুৰি প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বৈজয়ন্তী বড়োক ৩১ মে'ত ধূপগুৰি গাঁৱৰ ৰাইজ, বিদ্যালয় পৰিচালনা সমিতি, বাথৌ সমাজ আৰু খ্ৰীষ্টান সমাজে বিপুলভাৱে সম্বৰ্ধনা জনায়। ধূপগুৰি গাঁৱৰ লাট গাঁওবুঢ়া খগেন স্বৰ্গীয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা বিদায় সম্বৰ্ধনা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে গাঁও উন্নয়ন সমিতিৰ উপদেষ্টা নবীন দৈমাৰীয়ে। বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক নন্দেশ্বৰ বড়োই অতিথিসকলক আৰনাইৰে আদৰণি জনায়। উক্ত বিদায় সম্বৰ্ধনা সভাত সোণাইগাঁও আঞ্চলিক সমিতিৰ সভাপতি ডেভিদ বসুমতাৰী, কাঁহীবাৰীৰ চি আৰ চি চি দিব্যজ্যোতি দাস, কাঁহীবাৰী শিক্ষক কেন্দ্ৰ সভাৰ সভাপতি গৌতমজ্যোতি তালুকদাৰ, উপ-সভানেত্ৰী লাইশ্ৰী বড়ো আদিয়ে অৱসৰী কৃতী প্ৰধান শিক্ষয়িত্ৰী বৈজয়ন্তী বড়োই চাকৰি জীৱনত কিদৰে নিজৰ দক্ষতাৰে এগৰাকী সফল শিক্ষয়িত্ৰী হোৱাৰ যোগ্যতা অৰ্জন কৰি বিদ্যালয় পৰিচালনা সমিতিৰ লগতে ৰাইজৰ সহযোগিতাৰে কাম কৰি গৈছিল, সেই সন্দৰ্ভত বক্তব্য দাঙি ধৰে। তেওঁৰ কাৰ্যকালতে বিদ্যালয় পৰিচালনা সমিতি বঁটা লাভ কৰাৰ লগতে তেওঁ বিটিচিৰ শিক্ষা বিভাগৰ জৰিয়তে কৃতী শিক্ষয়িত্ৰীৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৮৭ৰ ১ আগষ্টত বিদ্যালয়খনত যোগদান কৰি নীতি-আদৰ্শৰে সফলতাৰে অৱসৰ গ্ৰহণ কৰিব পৰাটো সৌভাগ্যৰ কথা বুলি লগতে উল্লেখ কৰে। শিক্ষয়িত্ৰী বৈজয়ন্তী বড়োই নিজৰ বক্তব্যত বিদ্যালয়খনত যোগদান কৰাৰ সময়ৰে পৰা ৰাইজ তথা পৰিচালনা সমিতিৰ সৈতে লগ হৈ কাম-কাজ কৰাৰ মধুৰ স্মৃতি ৰোমন্থন কৰি তেওঁলোকৰ সহযোগিতাৰ শলাগ লৈ আৱেগিক হৈ পৰে আৰু তেওঁলোকৰ কথা সদায় মনত ৰাখিব বুলি উল্লেখ কৰে। উল্লেখ্য যে, ৰাজহুৱাকৈ উষ্ম সম্বৰ্ধনা জনোৱাৰ সময়তে বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰী, অভিভাৱক, ৰাইজ উপস্থিত শিক্ষক-শিক্ষয়িত্ৰীসকল অশ্ৰুসিক্ত নয়নেৰে আৱেগিক হৈ পৰা দৃশ্য অবৰ্ণনীয় আছিল। সম্বৰ্ধনা সভাত সোণাইগাঁও আঞ্চলিক এবছুৰ উপ-সভাপতি ৰিতু দৈমাৰী, সম্পাদক ইলিছা দৈমাৰী, শিক্ষা সম্পাদক চাহেজ বসুমতাৰী, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সুৰেন স্বৰ্গীয়াৰী, কাঁহীবাৰী কেন্দ্ৰৰ সম্পাদক মিনেন চন্দ্ৰ দাস, শিক্ষক ৰাজু শেখৰ নাৰ্জাৰী, অনিল দৈমাৰীকে ধৰি অঞ্চলটোৰ ভালেমান বিশিষ্ট লোক উপস্থিত আছিল। বিদায় সম্বৰ্ধনা সভাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ নৃত্য-গীতৰ লগতে থানা ওদালগুৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মধু পাটোৱাৰীয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰি আপ্লুত কৰি তোলে। শলাগৰ শৰাই আগবঢ়ায় বিদায় সম্বৰ্ধনা পৰিচালনা সমিতিৰ সভাপতি থেফাৰাম বাগ্‌লাৰীয়ে।



## নগাঁও জিলাত আৰম্ভ বিশেষ প্ৰসৱপূৰ্বক পৰীক্ষা অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ জুন ঃ** ৰাজ্যখনত প্ৰসূতি আৰু শিশুৰ মৃত্যুৰ হাৰ হ্ৰাসৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানে আৰম্ভ কৰিছে এসপ্তাহজোৰা অভিযান। নগাঁও জিলাৰ প্ৰতিটো স্বাস্থ্য খণ্ডৰ অধীনৰ স্বাস্থ্য কেন্দ্ৰসমূহতো ৫ জুন পৰ্যন্ত এই বিশেষ প্ৰসৱপূৰ্বক স্বাস্থ্য পৰীক্ষা কৰা হ'ব। উল্লেখ্য যে এই অভিযানত চিকিৎসকৰ দ্বাৰা গৰ্ভৱতী মহিলাৰ প্ৰসৱপূৰ্ব পৰীক্ষা কৰোৱা হ'ব। তদুপৰি জিলাখনৰ প্ৰতিগৰাকী গৰ্ভৱতী মহিলাৰ স্বাস্থ্য পৰীক্ষা আৰু এই সময়ত ল'ব লগা যত্ন সম্পৰ্কে শিক্ষা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব। ইয়াৰ ফলত সুৰক্ষিত প্ৰসৱ, প্ৰসৱজনিত জটিলতা আৰু প্ৰসৱজনিত মৃত্যু ৰোধ কৰিব পৰা যাব। জটিল আৰু অতি বিপজ্জনক গৰ্ভধাৰণ আৰু প্ৰসৱৰ ক্ষেত্ৰত প্ৰাথমিক পৰ্যায়তে চিহ্নিত কৰা আৰু উপযুক্ত চিকিৎসা প্ৰদান কৰাৰ মূল উদ্দেশ্যৰে এই বিশেষ অভিযান জিলাখনত আৰম্ভ হৈছে। প্ৰসূতিসকলৰ তালিকা প্ৰস্তুত আৰু চিকিৎসালয়লৈ অনাৰ ব্যৱস্থা 'আশা কৰ্মী'সকলক দায়িত্ব অৰ্পণ কৰিছে। উল্লেখযোগ্য যে গৰ্ভৱতী মহিলাসকলক আধাৰ কাৰ্ড আৰু ম'বাইল ফোন নম্বৰৰ সৈতে সংযুক্ত কৰি আভা আঁচনিৰ সুবিধা পোৱাৰো নিশ্চিতি প্ৰদান কৰা হ'ব। নগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অতুল চন্দ্ৰ পাতৰে ৫ জুন পৰ্যন্ত জিলাখনত এই বিশেষ অভিযান চলিব বুলি জানিবলৈ দিয়ে।

## শুৱালকুছিৰ অৱসৰী বন বিষয়াৰ আকস্মিক বিয়োগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১ জুন ঃ** পশ্চিম শুৱালকুছিৰ জ্যোতিনগৰ নিবাসী অৱসৰী বন বিষয়া কুমুদ কাকতিৰ (৬৫) কালি আবেলি কলকাতাৰ এখন চিকিৎসালয়ত আকস্মিকভাৱে মৃত্যু হয়। দীৰ্ঘদিন ধৰি তেওঁ বৃক্ক ৰোগত ভুগি আছিল। যোৱা সপ্তাহত বৃক্ক সংৰোপণৰ বাবে কলকাতালৈ গৈছিল। কালি চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু ঘটে। প্ৰয়াত কাকতিৰ মৃত্যুত পুখুৰীপাৰা ৰাইজ, শংকৰজ্যোতি সংঘ, জ্যোতি নগৰৰ ৰাইজে সমবেদনা জ্ঞাপন কৰে। কাইলৈ মৃতদেহ নিজ গৃহ পোৱাৰ পিছত সৎকাৰ কৰা হ'ব। মৃত্যুৰ সময়ত তেওঁ পত্নীসহিতে দুগৰাকী জীয়ৰী ইহসংসাৰত এৰি থৈ যায়।

## মডাৰ্ণ ইংলিছ স্কুল, গুৱাহাটীত বিশ্ব ধঁপাত নিষেধ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ১ জুন ঃ** বিশ্ব ধঁপাত নিষেধ দিৱসৰ দিনা অসমৰ গুৱাহাটীস্থিত মডাৰ্ণ ইংলিছ স্কুলে কাৰ্যসূচীৰ আয়োজন কৰি ধঁপাত সেৱনৰ দ্বাৰা উদ্ভৱ হোৱা স্বাস্থ্যজনিত বিপদাশংকাৰ বিষয়ে শিক্ষাৰ্থীসকলক সজাগ আৰু দায়বদ্ধ কৰাৰ বাবে এক প্ৰশংসনীয় প্ৰয়াস কৰে। অনুষ্ঠানটোত, বিদ্যালয়খনে অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে 'ব্যাখ্যা মালা 2022 — উন্নত ভৱিষ্যতৰ বাবে শৈক্ষিক লাৰ্ণথন'ৰ এক সন্মিলন আয়োজন কৰে। এম বি বি এছ, এম এছ, প্ৰজেক্ট-চাইল্ডৰ মুখ্য সমন্বয়ক ডাঃ শান্তনু কুমাৰ দাসে অধিৱেশনখন পৰিচালনা কৰে। ইয়াত যিকোনো প্ৰকাৰৰ ধঁপাত সেৱনৰ পৰা হ'ব পৰা ক্ষতি আৰু মানুহৰ শৰীৰৰ ওপৰত ইয়াৰ কু-প্ৰভাৱৰ বিষয়ে তথ্য প্ৰদান কৰাৰ ওপৰত গুৰুত্ব দিয়া হয়। পঞ্চম শ্ৰেণীলৈকে শিক্ষাৰ্থীসকলে পৰিৱেশ সম্পৰ্কীয় বিষয়ৰ ওপৰত শিল্পকৰ্ম তৈয়াৰ কৰে। আনহাতে, ষষ্ঠ শ্ৰেণীৰ পৰা উচ্চতৰ শ্ৰেণীৰ শিক্ষাৰ্থীসকলে ধূমপান ত্যাগ কৰা, স্বাস্থ্যই হৈছে সম্পত্তি আৰু ধূমপানৰ ফলত হ'ব পৰা বিপদৰ দৰে বিষয়ৰ ওপৰত পোষ্টাৰ তথা শ্ল'গান প্ৰস্তুত কৰে। বিদ্যালয়খনে শিক্ষাৰ্থীসকলৰ এখন ব'ৰ্ড প্ৰস্তুত কৰে, য'ত তেওঁলোকে তেওঁলোকৰ ধাৰণাবোৰ সৃষ্টিশীলভাৱে প্ৰকাশ কৰিব পাৰে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে (এম অ' এছ এফ ডব্লিউ) গ্ল'বেল য়ুথ টবাকো জৰীপৰ (জি ৱাই টি এছ) চতুৰ্থ পৰ্যায় মুকলি কৰাৰ সময়ত সতৰ্কবাণী জাৰি কৰিছে যে ১৩ৰপৰা ১৫ বছৰ বয়সৰ প্ৰায় এক-পঞ্চমাংশই বিভিন্ন ৰূপত ধঁপাত সামগ্ৰী সেৱন কৰে। কিন্তু আমাৰ চৰকাৰে বিভিন্ন সজাগতামূলক প্ৰচেষ্টাৰ জৰিয়তে যোৱা দশকত এই বয়সৰ শিশুসকলৰ মাজত ধঁপাত সেৱন ৪২ শতাংশ হ্ৰাস কৰিবলৈ সক্ষম হৈছে।

## ৰৌতাৰ মদন গোৱালাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১ জুন ঃ** ওদালগুৰি জিলাৰ মাজবাট প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ৮০৭নং মৰা ধনশিৰি প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি মদন গোৱালাৰ ৩১ মে'ৰ পুৱা আঠ বজাত নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৪৫ বছৰ হৈছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু দুটি সন্তানক ইহ সংসাৰত এৰি থৈ যায়। মদন গোৱালাৰ অকাল বিয়োগত মৰা ধনশিৰি প্ৰাথমিক বিদ্যালয়ৰ তৰফৰ পৰা গভীৰ শোকপ্ৰকাশ কৰা হয়। ৩১ মে'ত বিদ্যালয়ত এখন শোকসভা পাতি তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰা হয়।

## সতী ৰাধিকাৰ স্মৃতি দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১ জুন ঃ** সদৌ যোৰহাট জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাৰ উদ্যোগত, অনুসূচিত জাতি মহিলা সন্মিলনী আৰু বালিআটী আঞ্চলিক সমিতিৰ সহযোগত মহীয়সী নাৰী সতী ৰাধিকাৰ ৫৬৬ সংখ্যক স্মৃতি দিৱস ভাগি ২৯ মে'ত যোৰহাটৰ বালিআটীত উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা বন্তি প্ৰজ্বলন কৰে গিৰীশ দাসে, পতাকা উত্তোলন কৰে আঞ্চলিক সভাপতি ৰাজু দাসে। বালিআটী আঞ্চলিকৰ সম্পাদক চিৰঞ্জীৱ দাসে সতী ৰাধিকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ পিছতে স্মৃতি দিৱসৰ অনুষ্ঠান উদ্বোধন কৰে সমাজকৰ্মী ৰাতুল কুমাৰ দাসে। জিলা সমিতিৰ সভাপতি দেৱ প্ৰসাদ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম অনুসূচিত জাতি পৰিষদৰ সাধাৰণ সম্পাদক দীপাংকৰ হাজৰিকাই সতী ৰাধিকাৰ জীৱন পৰিক্ৰমাৰ সম্পৰ্কে আলোকপাত কৰে। জিলা সম্পাদক মৃদুল কুমাৰ দাসে আঁত ধৰা সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি পাৰ্থপ্ৰতিম কাশ্যপ, সাধাৰণ সম্পাদক দেৱ কুমাৰ দাস, অসম কৈৱৰ্ত সাহিত্য-সংস্কৃতি সভাৰ সাধাৰণ সম্পাদক জিতুল দাসেও ভাষণ দিয়ে।



## প্ৰধানমন্ত্ৰী মোদীৰ ভাৰ্চুৱেল মতবিনিময় অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১ জুন ঃ** ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ শুভক্ষণত দেশত 'আজাদী কা অমৃত মহোৎসৱ'ৰ উপলক্ষে 'আজাদী কা অমৃত মহোৎসৱ'ৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰীয়ে ভাৰত চৰকাৰৰ ৯টা বিভাগৰ দ্বাৰা ৰূপায়িত প্ৰায় ১৫খন আঁচনিৰ অধীনৰ হিতাধিকাৰীসকলৰ সৈতে অনলাইনযোগে আজি ছিমলাৰ পৰা মত বিনিময় কৰে। প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ আৰু চহৰাঞ্চল), প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি, প্ৰধানমন্ত্ৰী উজলা আঁচনি, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, স্বচ্ছ ভাৰত অভিযান (গ্ৰামীণ আৰু চহৰাঞ্চল), জল জীৱন মিছন আৰু অটল মিছন ফৰ ৰিজুভেনেচন এণ্ড আৰ্বান ট্ৰেন্সফৰ্মেচন, প্ৰধানমন্ত্ৰী স্ব-নিধি আঁচনি, এক ৰাষ্ট্ৰ, এক ৰেচন কাৰ্ড), প্ৰধানমন্ত্ৰী গৰিব কল্যাণ অন্ন যোজনা, আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আঁচনি সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে অনলাইনযোগে মতবিনিময় কৰিব। উক্ত আঁচনিসমূহে আৰ্থিকভাৱে দুৰ্বল আৰু দৰিদ্ৰ জনসাধাৰণক সাঙুৰি লয়। সেয়েহে, প্ৰধানমন্ত্ৰী এই অনুষ্ঠানটোৰ নাম দিয়া হৈছে 'গৰিব কল্যাণ সন্মিলন'। এই মত বিনিময়ৰ মুখ্য উদ্দেশ্য কেৱল মাত্ৰ এই আঁচনিসমূহে নাগৰিকসকলৰ জীৱন ধাৰণ কেনেদৰে সহজ কৰি তুলিছে সেয়া উপলব্ধি কৰাই নহয়, প্ৰধানমন্ত্ৰীয়ে হিতাধিকাৰীসকলৰ সৈতে কৰা মত বিনিময়ৰ জৰিয়তে ইয়াৰ একত্ৰীকৰণ আৰু সংপৃক্ততাৰ সম্ভাৱনাও অন্বেষণ কৰিব আৰু এই অনুষ্ঠানে ভাৰতৰ প্ৰতিগৰাকী হিতাধিকাৰীৰ আকাংক্ষা মূল্যায়ন কৰাৰো সুযোগ প্ৰদান কৰে। ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত মানকটা খেলপথাৰত পুৱা ৯ বজাৰ পৰা আৰম্ভ হ'বলগীয়া এই অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিয়োগ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে অংশগ্ৰহণ কৰি থকা সময়তে পিছফালে মঞ্চত হিতাধিকাৰী সলনি খালী চকী। জিলাখনৰ সাতটা সমষ্টিৰ পৰা কেইবাটাও উন্নয়ন খণ্ডৰ হিতাধিকাৰীসকলক গাড়ীয়ে অনুষ্ঠানলৈ আনিছিল যদিও ৯ বজাত আহি অনুষ্ঠানত উপস্থিত থকা ৰাইজে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাৰ্চুৱেলযোগে মত-বিনিময় আৰু ভাষণ শুনিবলৈ ধৰ্য নাইকিয়া হ'ল। তেওঁলোকে কেন্দ্ৰীয় পেট্ৰলিয়াম, প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিয়োগ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ ভাষণ শুনাৰ পাছত মঞ্চৰ পৰা যাবলৈ ধৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাৰ্চুৱেল মত-বিনিময়ৰ সময়ত বিশাল মঞ্চখন খালী হৈ পৰে হিতাধিকাৰী আৰু জনসাধাৰণ। প্ৰধানমন্ত্ৰীয়ে ভাৰ্চুৱেলযোগে ছিমলাৰ পৰা ভাষণ দি থকা সময়ত ডিব্ৰুগড় মানকটা খেলপথাৰ বিশাল মঞ্চত খালী চকীহে থিয় হৈ থাকিল। আজি ডিব্ৰুগড়ৰ এই অনুষ্ঠানত আদৰণী ভাষণ আগবঢ়ায় উপায়ুক্ত বিশ্বজিৎ পেগুৱে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ যোগেদি আৱাস গৃহ লাভ কৰা হিতাধিকাৰীক দালালৰ পৰা সাৱধান হ'বলৈ আহ্বান জনায়। এই গৃহৰ ধন কোনো দালালে কিঞ্চিত হ'লেও আত্মসাৎ কৰিলে শাস্তি পাব বুলি কয়। অনুষ্ঠানত ডিব্ৰুগড় সমষ্টি বিধায়ক প্ৰশান্ত ফুকন, লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকা, মৰাণ সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ, চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাৰ লগতে স্বায়ত্তশাসিত পৰিষদৰ কেইবাজনো সদস্যৰ লগতে বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

## দুধনৈ ছোৱালী হাইস্কুলত জৈৱ-বৈচিত্ৰ্যৰ ওপৰত আলোচনা-চক্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ১ জুন ঃ** দুধনৈ ছোৱালী হাইস্কুলত 'গোৱালপাৰাৰ জৈৱ-বৈচিত্ৰ্য'ৰ ওপৰত যোৱা ৩০ মে'ত এখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। এই আলোচনা-চক্ৰত মুখ্য আলোচক হিচাপে উপস্থিত থাকে দুধনৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰৱক্তা নৰেন দাসে। জৈৱ-বৈচিত্ৰ্যৰ ভিতৰত বিশেষকৈ বিভিন্ন ধৰণৰ উদ্ভিদৰ সম্পৰ্কে বিদ্যালয়ৰ ছাত্ৰীসকলে বুজিব পৰাকৈ আলোচনা আগবঢ়ায়। কপৌ ফুলৰ প্ৰজাতিৰ লগতে পৰাশ্ৰয়ী উদ্ভিদৰ পৰিচয়ৰ লগতে প্ৰায় ১০৯ বিধ পক্ষীৰ ফটোৰ সৈতে চিনাকি কৰি দিয়ে। উদ্ভিদৰ প্ৰজননৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যি ভাষণ আগবঢ়ায় প্ৰৱক্তা নৰেন দাসে। এই অনুষ্ঠানত দুধনৈ ডায়েটৰ শিক্ষক প্ৰশিক্ষাৰ্থীৰ লগতে বিদ্যালয়খনৰ অধ্যয়নৰত ছাত্ৰী, প্ৰাক্তন ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।




## নগাঁৱত চোৰে লুটি নিলে লক্ষাধিক টকা মূল্যৰ সামগ্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ জুন ঃ** নগাঁও চহৰত সঘনাই হৈ থকা চুৰি কাৰ্যই চহৰখনৰ নাগৰিকসকলক চিন্তিত কৰি তুলিছে। কালি পুৱতি নিশাও নগাঁও চহৰৰ আভিজাত এলেকা আমোলাপট্টীৰ এম বি পথত এক চুৰি কাৰ্য সংঘটিত হয়। দুলেন শৰ্মাৰ ঘৰত চোৰৰ দল প্ৰৱেশ কৰি লুটপাত চলায়। চোৰৰ দলে শৰ্মাৰ ঘৰৰ গডৰেজ ভাঙি সোণৰ অলংকাৰ, কাপোৰ, নগদ ধনসহ লক্ষাধিক টকাৰ সামগ্ৰী লুট কৰি নিয়ে। চোৰৰ দলে শৰ্মাৰ ঘৰৰ বিভিন্ন সামগ্ৰী লণ্ড-ভণ্ড কৰি য'তে-ত'তে পেলাই থৈ যায়। এই সন্দৰ্ভত দুলেন শৰ্মাই নগাঁও আৰক্ষীক খবৰ দিয়াত নগাঁও আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ অনুসন্ধান কৰে। বাতৰি লিখা সময়লৈকে এই চুৰি কাৰ্যৰ লগত জড়িত কোনো লোকক গ্ৰেপ্তাৰ কৰিব পৰা নাই। উল্লেখ যে দুদিনৰ পূৰ্বে চহৰখনৰ লাওখোৱা পথটো চুৰি কাৰ্য সংঘটিত হৈছিল। নগাঁও চহৰৰ বিভিন্ন স্থানত চুৰি কাৰ্য সংঘটিত হৈ থকাত সচেতন মহল উদ্বিগ্ন হৈ পৰিছে। নগাঁৱৰ নাগৰিক সমাজে চহৰখনত সঘনাই হৈ থকা চুৰি কাৰ্যৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনাইছে।

■ স্বচ্ছ ভাৰত মিছনৰ উদ্যোগত সজাগতা সভা ■

# গহপুৰত গোটা আৱৰ্জনা নিষ্কাশন-কেঁচুসাৰ প্ৰকল্পৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুবিয়া, ১ জুন ঃ** বিশ্বনাথ জিলাৰ গহপুৰ মহকুমাৰ ডুবিয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত জাৰণি গাঁৱৰ সম্ভাৱনা ভৱনত ভাৰত চৰকাৰৰ এক অভিলাষী আঁচনি স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ খণ্ড-২)ৰ অধীনত গোটা আৱৰ্জনা নিষ্কাশন সম্পৰ্কে এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। এই সজাগতা সভাত গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰা, ডুবিয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী স্নিগ্ধা গোস্বামী, বিশ্বনাথ জিলা পৰিষদৰ সভানেত্ৰী লাৱণ্য চাৰিঙীয়া, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰবীণ কুমাৰ সন্দিকৈ, বিশ্বনাথ জিলাৰ গোটা আৰু জুলীয়া আৱৰ্জনা নিষ্কাশন প্ৰকল্পৰ পৰামৰ্শক শৰৎ বৰাকে আদি কৰি গাঁও পঞ্চায়তখনৰ সচিব, অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন ব'ৰ্ডৰ সভাপতি নোমল বৰুৱা, গাঁও পঞ্চায়তৰ কৰ্মকৰ্তাসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। সজাগতা সভাৰ আৰম্ভণিতে পঞ্চায়তখনৰ সভানেত্ৰীগৰাকীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে ডুবিয়া গাঁও পঞ্চায়তখনত ইতিমধ্যে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা বৰ্জনীয় সামগ্ৰী সংগ্ৰহ কেন্দ্ৰত পঞ্চায়তখনত উৎপন্ন হোৱা গোটা আৱৰ্জনা নিষ্কাশন কৰিবলৈ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে। সভাত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থকা গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰাই গোটা আৱৰ্জনা নিষ্কাশনৰ ক্ষেত্ৰত আমাৰ ৰাজ্যৰ বাহিৰৰ কেইবাখনো ৰাজ্যত গোটা আৱৰ্জনা নিষ্কাশন সম্পৰ্কে পোৱা সফল অভিজ্ঞতাৰ বিষয়ে ব্যক্ত কৰে। বিধায়কগৰাকীয়ে নাতি-দীৰ্ঘ ভাষণত প্ৰত্যেক ঘৰৰ পৰা উৎপন্ন হোৱা গোটা আৱৰ্জনাসমূহ উৎসতে জৈৱিক আৰু অজৈৱিক আৱৰ্জনা হিচাপে পৃথকীকৰণ কৰি এই আৱৰ্জনাসমূহ তিনিচকীয়া বাহনৰ যোগেদি মুখ্য আৱৰ্জনা সংগ্ৰহ কেন্দ্ৰলৈ নি জৈৱিক আৱৰ্জনাসমূহ কেঁচুসাৰ প্ৰকল্পৰ যোগেদি জৈৱিক সাৰলৈ ৰূপান্তৰিত কৰাৰ বাবে আহ্বান জনায়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰবীণ কুমাৰ সন্দিকৈয়ে যোৱা ফেব্ৰুৱাৰী মাহত বিশ্বনাথ কৃষি মহাবিদ্যালয়ত বিশ্বনাথ জিলা পানী আৰু অনাময় সমিতিয়ে বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ সহযোগত কেঁচুসাৰ প্ৰকল্প স্থাপন কৰাৰ সম্পৰ্কে আয়োজন কৰা প্ৰশিক্ষণত উপস্থিত থকা পঞ্চায়তৰ কৰ্মকৰ্তাসকলক নিজ নিজ পঞ্চায়ত স্বচ্ছ ভাৰত মিছন আঁচনিৰ অধীনত কেঁচুসাৰ প্ৰকল্প স্থাপন কৰিবলৈ আহ্বান জনায়। তেওঁ কেঁচুসাৰ প্ৰকল্প স্থাপনৰ যোগেদি নিবনুৱা যুৱক-যুৱতী, মহিলাসকলক স্বাৱলম্বী হ'বলৈও আহ্বান জনায়। জিলাৰ গোটা আৰু জুলীয়া আৱৰ্জনা নিষ্কাশন প্ৰকল্পৰ পৰামৰ্শক শৰৎ বৰাই জিলাখনত চলিত বৰ্ষত ২৫টা গাঁও পঞ্চায়তৰ আৱৰ্জনা সংগ্ৰহ কেন্দ্ৰসমূহৰ কাম সম্পূৰ্ণ কৰি কেঁচুসাৰ প্ৰকল্প স্থাপন কৰিবলৈ আহ্বান জনায়। পৰামৰ্শক বৰাই পঞ্চায়তখনত উৎপন্ন হোৱা আৱৰ্জনাৰ পৰিমাণ আৱৰ্জনাৰ চৰিত্ৰ, বৰ্তমান আৱৰ্জনা নিষ্কাশনৰ ব্যৱস্থা সম্পৰ্কে জানিবলৈ এক সু-শৃংখল ব্যৱস্থাৰ জৰিয়তে জৰীপ কৰাৰ সম্পৰ্কে পৰামৰ্শ আগবঢ়ায়। যোৱা ২৭ মে' তাৰিখে অনুষ্ঠিত হোৱা এই অনুষ্ঠানৰ অন্তত স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ) আঁচনিৰ অধীনত ডুবিয়া গাঁও পঞ্চায়তৰ সভানেত্ৰীগৰাকীৰ বাসগৃহৰ চৌহদত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা আদৰ্শ কেঁচুসাৰ প্ৰকল্পত বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ পৰা অনা উন্নত প্ৰজাতিৰ কেঁচু আনুষ্ঠানিকভাৱে এৰি দিয়ে গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰাই। এই প্ৰকল্পৰ পৰা উন্নত মানৰ কেঁচুসাৰ উৎপাদন হ'ব বুলিও বিধায়কগৰাকীয়ে আশা প্ৰকাশ কৰে।



*গুৱাহাটী প্ৰেছ ক্লাবত বুধবাৰে ড° ছাহনাজ ৰহমানৰ গৱেষণা গ্ৰন্থ 'ইনড'-পাক ৰিলেশ্বনছ ছিন্স দ্য ইমাৰ্জেঞ্চি অৱ বাংলাদেশ (১৯৭১-১৯৮১) উন্মোচনৰ ছবি*

# ইটাখোলাত প্ৰশাসনৰ উচ্ছেদ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১ জুন ঃ** বিশ্বনাথ জিলাৰ ইটাখোলা উপ-আৰক্ষী চকীস্থিত ইটাখোলাৰ ব্যৱসায়ী প্ৰতিষ্ঠান আজি প্ৰশাসনে উচ্ছেদ অভিযান চলায়। পুৱা ভাগৰ পৰাই বিশ্বনাথ প্ৰশাসনে জেচিবি লগাই এফালৰ পৰা পকী গৃহসমূহ ভাঙি উচ্ছেদ অভিযান চলায়। জানিব পৰা মতে ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ইটাখোলা সংযোগী পথৰ পৰা অৰুণাচলৰ চিজুছালৈ যোৱা পথৰ কাষত এচাম লোকে অবৈধ দখলেৰে ব্যৱসায় প্ৰতিষ্ঠানৰ লগতে আৱাস গৃহ নিৰ্মাণ কৰিছিল। ফলস্বৰূপে পথছোৱা ক্ৰমান্বয়ে ঠেক হৈ যান-জঁটৰ সৃষ্টি কৰাৰ লগতে ইটাখোলা ব্যৱসায় কেন্দ্ৰৰ গাতে লাগি থকা দিকৰাই সপ্তাহিক বজাৰৰ ভূমি সংকুচিত হৈ অহাৰ অভিযোগ উত্থাপন হৈ আহিছিল। ইপিনে ইটাখোলা অঞ্চলত দীৰ্ঘদিনে চৰকাৰী ভূমি অবৈধ দখল উচ্ছেদৰ দাবী উত্থাপন কৰি আহিছিল বিভিন্ন দল-সংগঠনে। চতিয়া ৰাজহ চক্ৰ বিষয়াৰ উপস্থিতিত ইটাখোলা ব্যৱসায়ী কেন্দ্ৰৰ কেইবাটাও ব্যৱসায়ী কেন্দ্ৰ জেচিবিৰে ভাঙি পেলায়। তদুপৰি ইটাখোলা সাপ্তাহিক বজাৰৰ আশে পাশে থকা অবৈধ গৃহসমূহো কালি জিলা প্ৰশাসনে উচ্ছেদ চলাই যদিও বৈ যোৱা অবৈধ ব্যৱসায় প্ৰতিষ্ঠানসমূহো অনতিপলমে উচ্ছেদ কৰা হ'ব বুলি প্ৰশাসনে জানিবলৈ দিয়ে। উল্লেখ্য যে ইটাখোলা ব্যৱসায়ী অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ইটাখোলা অঞ্চলৰ বিভিন্ন প্ৰান্তত চৰকাৰী ভূমি অবৈধ দখল উচ্ছেদৰ বিষয়টি চৰ্চিত হৈ আহিছিল আৰু সোমবাৰে নদুৱাৰ ৰাজহ চক্ৰৰ জাননী অনুসৰি কালি প্ৰশাসনে উচ্ছেদ অভিযান চলায়।

*গৰিব কল্যাণ সন্মিলন ঃ বৰ্তমান চৰকাৰৰ ৮ বছৰৰ সাফল্য*

# ৰাজহুৱা কল্যাণ আঁচনিসমূহৰ ওপৰত হিতাধিকাৰীসকলৰ সন্তুষ্টি প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ১ জুন ঃ** সমগ্ৰ ভাৰতবৰ্ষতে বৰ্তমান চৰকাৰৰ কাৰ্যকালৰ অষ্টম বাৰ্ষিকী উদ্‌যাপন কৰাৰ হকে গৰিব কল্যাণ সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলন সমগ্ৰ দেশৰ ৰাজ্যৰ ৰাজধানীসমূহ, জিলা সদৰসমূহ আৰু কৃষি বিজ্ঞান কেন্দ্ৰসমূহত আয়োজন কৰা হৈ আছে। উল্লেখনীয়ভাৱে এই সন্মিলনে চৰকাৰৰ দ্বাৰা প্ৰৱৰ্তিত বিভিন্ন কল্যাণকামী কাৰ্যসূচীসমূহৰ সম্পৰ্কে সমল সংগ্ৰহ কৰাৰ এক প্ৰয়াসস্বৰূপে প্ৰত্যক্ষভাৱে জনসাধাৰণৰ সৈতে মত বিনিময়েৰে সমগ্ৰ দেশৰ নিৰ্বাচিত ৰাজহুৱা প্ৰতিনিধিবৰ্গৰ বাবে এক অৱধাৰণাৰ সৃষ্টি কৰে। এই সন্মিলনৰ এক অংশ স্বৰূপে প্ৰধানমন্ত্ৰীয়ে ছিমলাৰ পৰা বিভিন্ন হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে। কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি কলিকতাৰ বেহালা ৰে'লৱে ইনড'ৰ স্প'ৰ্টছ ষ্টেডিয়ামত বিভিন্ন হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁৰ ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমান কেন্দ্ৰীয় চৰকাৰে পশ্চিমবংগত ৰে'ল সেৱাৰ বাবে দহ হাজাৰ কোটি টকাৰ এক আবণ্টন প্ৰদান কৰিছে। পশ্চিমবংগৰ বিভিন্ন ষ্টেচনত সাংসদ, বিধায়ক আৰু অন্যান্য ৰাজহুৱা প্ৰতিনিধিবৰ্গ উপস্থিত থাকে। উল্লেখনীয় যে, সাংসদ আৰু বিধায়কসকলে পশ্চিমবংগৰ বিভিন্ন ষ্টেচনৰ পৰা বেহালাত কেন্দ্ৰীয় ৰে'লমন্ত্ৰী আৰু ছিমলাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে অনুষ্ঠানসূচীত ভাৰ্চুৱেলী উপস্থিত আছিল। সাংসদ নিশিথ প্ৰমানিক আৰু অন্যান্য বিধায়কসকল নিউ কোচবিহাৰত ষ্টেচনত উপস্থিত আছিল। জ'ন বাৰলা আৰু অন্যান্য বিধায়কসকল আলিপুৰদুৱাৰ জংচনত উপস্থিত আছিল আৰু বালুৰঘাট ষ্টেচনত ড° সুকান্ত মজুমদাৰ, দাৰ্জিলিং ষ্টেচনত ৰাজু বিষ্টা, নিউ জলপাইগুৰি ষ্টেচনত ড° জয়ন্ত কুমাৰ ৰয় আৰু অন্যান্য বিধায়কসকল উপস্থিত আছিল। আনহাতে, মাথাভাঙ্গা ষ্টেচনত বিধায়ক সুশীল বৰ্মন, তুফানগঞ্জ ষ্টেচনত মালতী ৰাভা ৰয়, ফালাকাটা ষ্টেচনত দীপক বৰ্মন, মাদাৰিহাট ষ্টেচনত মনোজ টিগ্গা, নাগ্ৰাকাটা ষ্টেচনত পুনা ভেংগ্ৰা, ময়নাগুৰি ষ্টেচনত কৌশিক ৰয়, ধুপগুৰি ষ্টেচনত বিষ্ণুপদ ৰয়, শিলিগুৰি ষ্টেচনত ড° শংকৰ ঘোষ আৰু গংগাৰামপুৰ ষ্টেচনত সতেন্দ্ৰ নাথ ৰয় উপস্থিত থাকে। উল্লেখযোগ্য যে এই পোনপটীয়া মতবিনিময়ৰ উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সমগ্ৰ পাঁচটা মণ্ডলৰ ১৪৬টা ষ্টেচনতো সম্প্ৰচাৰ কৰা হয়। সন্মিলনৰ প্ৰয়াসে অধিক দক্ষতাসম্পন্নভাৱে চৰকাৰী কাৰ্যসূচীক জনসাধাৰণৰ ওচৰলৈ চপাই নিবলৈ আৰু ইয়াৰ লাভালাভসমূহ উপলব্ধ কৰিছে যাতে দেশৰ জনসাধাৰণৰ জীৱনৰ মানৰ অধিক সুগমতাৰে উন্নত হৈ পৰে।

## ছিপাঝাৰ মহাবিদ্যালয়ত বিশ্ব ধপাঁতবিৰোধী দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১ জুন ঃ** দৰং জিলাৰ মঙলদৈত থকা দৰং কেন্সাৰ কেন্দ্ৰৰ জৰিয়তে অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচন আৰু ছিপাঝাৰ মহাবিদ্যালয়ৰ NSSৰ উদ্যোগত বিশ্ব ধঁপাতবিৰোধী দিৱস পালন কৰে ছিপাঝাৰ মহাবিদ্যালযত। বিশ্ব ধঁপাতবিৰোধী দিৱস উপলক্ষে ছিপাঝাৰ মহাবিদ্যালয়ত দৰং কেন্সাৰ কেন্দ্ৰৰ কৰ্মচাৰীৰ উপস্থিতিত সজাগতা সভা অনুষ্ঠিত কৰে। সজাগতা সভাত উপস্থিত থাকি উদ্বোধন কৰে ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ চন্দ্ৰ ডেকাই। সজাগতা সভাৰ আঁত ধৰে ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° দুলেন্দ্ৰ নাথে, শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰামচন্দ্ৰ ডেকাই। অনুষ্ঠানত উপস্থিত থাকে অধ্যাপক-অধ্যাপিকাৰ লগতে ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী বৃন্দ। উক্ত অনুষ্ঠানত উপস্থিত থাকি বিশ্ব ধঁপাতবিৰোধী দিৱস উপলক্ষে বক্তব্য আগবঢ়ায় দৰং কেন্সাৰ কেন্দ্ৰৰ কৰ্মচাৰী চূড়ামণি শইকীয়া, দীপজ্যোতি শৰ্মাই। সজাগতা সভাত উপস্থিত থকা ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ, দৰং কেন্সাৰ কেন্দ্ৰৰ কৰ্মচাৰীসকলে ধঁপাত জাতীয় খাদ্য-সামগ্ৰী বৰ্জন কৰি পুষ্টিকৰ খাদ্য গ্ৰহণ কৰি নিৰোগী হোৱাৰ লগতে কেন্সাৰ ৰোগৰ পৰা মুক্ত হৈ থাকিবলৈ আহ্বান জনায় লগতে ধঁপাত জাতীয় সামগ্ৰী সকলোকে বৰ্জন কৰিবলৈ আহ্বান জনায় বক্তব্যৰ জৰিয়তে।

# বাঁও দলসমূহৰ আহ্বানত শিৱসাগৰত প্ৰতিবাদ

## ■ মুখ্যমন্ত্ৰীলৈ আঠদফীয়া দাবীপত্ৰ প্ৰেৰণ

## ■ চৰকাৰৰ যোগান বিভাগৰ নিয়ন্ত্ৰণ বজাৰত নাইকিয়া হৈছে ঃ কনক গগৈ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১ জুন ঃ** বাঁওদলসমূহৰ আহ্বানত সমগ্ৰ দেশৰ লগতে কালি শিৱসাগৰতো ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিগত ২৫ মে'ৰ পৰা ৩১ মে'লৈকে দেশজুৰি চি পি আই, চি পি আই (এম), আৰু চি পি আই আৰু চি পি আই (এম এল)-এ দেশজুৰি বিজেপি চৰকাৰৰ দিনত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী, ঔষধ, ইন্ধনজাত সামগ্ৰী, নিৰ্মাণ কাৰ্যত ব্যৱহৃত সামগ্ৰী আদিৰ আকাশলংঘী মূল্যবৃদ্ধিৰ প্ৰতিবাদত আহ্বান জনোৱা প্ৰতিবাদী কাৰ্যসূচীৰ লগত সংগতি ৰাখি শিৱসাগৰ জিলাতো চি পি আই আৰু চি পি আই (এম)-এ উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা-বিক্ষোভ প্ৰদৰ্শন কৰি কেইবাটাও দাবী পূৰণাৰ্থে চৰকাৰক আহ্বান জনায়। ধৰ্ণাস্থলীত অনুষ্ঠিত হোৱা প্ৰতিবাদী সভাত অংশগ্ৰহণ কৰি চিপিআই নেতা কনক গগৈয়ে কয় যে- প্ৰতিদিনে বজাৰত নিত্য প্ৰয়োজনীয় খাদ্য-সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিয়ে সাধাৰণ জনতাৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। বজাৰত নিৰ্মাণ সামগ্ৰীকে ধৰি সকলো প্ৰয়োজনীয় সামগ্ৰী, জীৱনদায়িনী ঔষধৰ দাম বৃদ্ধিয়ে জনজীৱন অচল কৰি তুলিছে। ১৯৫৫ চনৰ নিত্য প্ৰয়োজনীয় সামগ্ৰী আইন প্ৰত্যাহাৰ কৰাৰ পিছত মজুতকাৰী, মুনাফাখোৰ, ফটকাবাজবোৰৰ দৌৰাত্ম্য বাঢ়িছে। সাধাৰণ মানুহৰ আথকত জুই নুমুৱাৰ অৱস্থা হৈছে। চৰকাৰৰ যোগান বিভাগৰ নিয়ন্ত্ৰণ বজাৰত নাইকিয়া হৈছে। অত্যধিক কৰৰ বোজা কেন্দ্ৰীয় চৰকাৰে জাপি দি পে'ট্ৰল-ডিজেলৰ ১০৯ টকা পৰ্যন্ত আৰু ৰন্ধন গেছৰ প্ৰতি চিলিণ্ডাৰৰ মূল্য ১০০০ টকাৰ অধিক হৈছেগৈ। চৰকাৰে মূল্যবৃদ্ধি হ'বই বুলি হাত সাবটি বহি আছে বুলি নেতাগৰাকীয়ে প্ৰকাশ কৰে। ইয়াৰ লগতে তেওঁ চৰকাৰক উদ্দেশি কৰি কয় যে, পেট্ৰ'লজাত সামগ্ৰীৰ ওপৰত থকা সকলো উপ-কৰ প্ৰত্যাহাৰ কৰক চৰকাৰে। ৰাজহুৱা বিতৰণ ব্যৱস্থা শক্তিশালী কৰি চাউলৰ উপৰি দাইল, আটা, মিঠাতেল, চেনি, নিমখ আদি অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰক আৰু কেৰাচিন তেলৰ সস্তা দৰ নিৰ্ধাৰণ কৰক। আয়কৰৰ আউটিত নপৰা পৰিয়ালক নগদ ধন মাহিলি ৭,৫০০ টকাকৈ প্ৰদান কৰক। এম জি এনৰেগা আঁচনিৰ বাবে আবণ্টিত ধনৰ পৰিমাণ বৃদ্ধি কৰক চৰকাৰে। নিবনুৱা ভাত্তা সম্পৰ্কীয় এক কেন্দ্ৰীয় আঁচনি ৰূপায়ণৰ বাবে আইন প্ৰণয়ন কৰক। চহৰ অঞ্চলত কৰ্মসংস্থাপনৰ নিশ্চয়তা প্ৰদানৰ বাবে প্ৰয়োজনীয় আইন প্ৰণয়ন কৰাৰ পদক্ষেপ চৰকাৰে গ্ৰহণ কৰক। সকলো বিভাগৰ খালী হৈ থকা পদসমূহ অতিশীঘ্ৰে পূৰণ কৰক আৰু বানপানীত ক্ষতিগ্ৰস্ত সকলোকে পৰ্যাপ্ত সাহায্য প্ৰদান আৰু ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰে গগৈয়ে। আজিৰ এই প্ৰতিবাদস্থলীৰ পৰা শিৱসাগৰ জিলা উপায়ুক্তৰ যোগেদি ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীলৈ বাঁও দলসমূহে আঠদফীয়া দাবীসম্বলিত এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। আজিৰ এই কাৰ্যসূচীত চি পি আই এমৰ জিলা সম্পাদক দেবেন গোহাঁই এ আই টি ইউ চি জিলা সম্পাদক মদন বৰুৱা আৰু চি পি আই ৰ জিলা সহঃ সম্পাদক মণি বুঢ়াগোহাঁয়ে অংশগ্ৰহণ কৰি চৰকাৰৰ জনবিৰোধী কাম-কাজক চোকা ভাষাৰে সমালোচনা কৰে।

# মেৰাপানীত বিশুদ্ধ খোৱাপানীৰ নামত বৰবিহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১ জুন ঃ** ৰাজ্য চৰকাৰে জলজীৱন আঁচনিৰ ৰূপায়ণৰ জৰিয়তে ২০২৪ চনৰ ভিতৰত ৰাজ্যৰ সকলো পৰিয়াললৈকে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ বাবে অহৰহ চেষ্টা কৰি থকাৰ সময়তে, গোলাঘাট জিলাৰ মেৰাপানীৰ বিভিন্ন অঞ্চলত গোলাঘাটৰ কেণ্টন নামৰ কোম্পানীটোৱে বিশুদ্ধ খোৱাপানীৰ নামত জনসাধাৰণক বৰবিহ খুৱাইছে বুলি অভিযোগ তুলিছে নিখিল বড়ো ছাত্ৰ সন্থাৰ চিচুপানী আঞ্চলিক সমিতিয়ে। CANTON AQUA PVT. LTD. নামৰ গোলাঘাট আঠাবাৰীৰ খোৱাপানী পেকেটিংকাৰী কোম্পানীটোৱে মেৰাপানী, চিচুপানী, দীঘলপানী, সৰুপানী, চাংখাতী, তেলীশাল আদি কৰি মেৰাপানী আৰক্ষী থানা এলেকাৰ এঘাৰখন পঞ্চায়তৰ দোকানসমূহত বিশুদ্ধ খোৱাপানীৰ বটল যোগান ধৰি গ্ৰাহকক বিশুদ্ধ খোৱাপানীৰ নামত যোগান ধৰিছে ম্যাদ উকলা পানীৰ বটল। এই সন্দৰ্ভত এবছুৰ চিচুপানী আঞ্চলিক সমিতিয়ে মেৰাপানীৰ বিভিন্ন স্থানৰ দোকানৰ পৰা সংগ্ৰহ কৰা CANTON AQUA ৰ পানীৰ বটলত কোনো ধৰণৰ পেকেজিং তাৰিখ, বেষ্টচ নম্বৰ, ম্যাদৰ তাৰিখ আদিৰ প্ৰত্যক্ষ নকৰি ক্ষোভিত হৈ পৰে। জনস্বাস্থ্যৰ প্ৰতি ভাবুকি আহিব পৰা বিষয়টোৰ সন্দৰ্ভত সংগঠনটোৱে কোম্পানীটোক সকীয়নি দিয়াৰ লগতে ইয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ খাদ্য সুৰক্ষা বিভাগক আহ্বান জনায়।

# সদ্য প্ৰাদেশীকৃত সৰ্বস্তৰৰ শিক্ষানুষ্ঠানক সামৰি টিউটৰ শিক্ষকৰ ৰাজ্যিক যৌথ মঞ্চ গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ১ জুন ঃ** অসম চৰকাৰে বিদ্যালয় প্ৰাদেশিকীকৰণ আইন ২০১৭ আৰু সংশোধনী আইন ২০১৮ৰ জৰিয়তে শিক্ষক সমাজক ভাগ ভাগ কৰি একাংশ শিক্ষাগুৰুক কাৰ্যতঃ বঞ্চনা কৰাৰ প্ৰতিবাদত ৰাজ্যৰ মহাবিদ্যালয়ৰ পৰা আৰম্ভ কৰি উচ্চতৰ মাধ্যমিক, ছিনিয়ৰ ছেকেণ্ডাৰী, উচ্চ মাধ্যমিক, উচ্চ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ সৰ্বস্তৰৰ টিউটৰ (শিক্ষক) একত্ৰিত হৈ নিজৰ প্ৰাপ্য অধিকাৰৰ দাবীত সৰৱ হৈ পৰে। এই উদ্দেশ্যে গুৱাহাটীৰ পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানী কাৰীকৰি শিক্ষা প্ৰতিষ্ঠানত অনুষ্ঠিত এক প্ৰতিবাদী সভাত বছৰ বছৰ ধৰি বিনা বেতনেৰে সেৱা আগবঢ়াই জীৱনৰ বিয়লি বেলাত চৰকাৰে কৰা প্ৰৱঞ্চনাক প্ৰচণ্ড অন্যায় বুলি অভিহিত কৰি সদ্য প্ৰাদেশীকৃত শিক্ষানুষ্ঠানৰ সমূহ টিউটৰক বিনাচৰ্তে পূৰ্ণাংগ পৰ্যায়ৰ শিক্ষকৰ মৰ্যাদা দিয়াৰ লগতে শীঘ্ৰে দৰমহা বৃদ্ধি কৰাৰ দাবী জনায়। দিনৰ ১১ বজাৰ পৰা টিউটৰ শিক্ষক ৰাজীৱ পেগুৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰি আহ্বায়ক ৰাজু কলিতাই কয়- চৰকাৰে প্ৰাদেশিকীকৰণ আইন ২০১৭ আৰু সংশোধনী আইন ২০১৮ৰ জৰিয়তে প্ৰাদেশিকীকৰণ কৰা শিক্ষাগুৰুসকলৰ পদসমূহ ২০২১ চনৰ এন, চি টি ই আইনৰ ভিত্তিত হ'লেও তেওঁলোকে ২০-৩০ বছৰ পূৰ্বেই নিযুক্তি লাভ কৰিছিল। ৰাজ্যৰ গ্ৰাম্য সমাজ আৰু শিক্ষাৰ পৰিৱেশ উত্তৰণত এই শিক্ষানুষ্ঠানসমূহৰ ভূমিকা আছিল অতি গুৰুত্বপূৰ্ণ। দুই তিনি দশকৰ পূৰ্বৰ শিক্ষা আইনৰ ভিত্তিত নিযুক্তি প্ৰাপ্ত শিক্ষকসকলৰ ওপৰত শিক্ষাৰ অধিকাৰ আইনৰ ধাৰা সমূহ জাপি দিয়াটো কেৱল অন্যায়েই নহয়, অমানৱীয় কাৰ্য বুলি উল্লেখ কৰি ন্যায্য প্ৰাপ্তিৰ বাবে গণতান্ত্ৰিক উপায়েৰে তীব্ৰ প্ৰতিবাদ গঢ়ি তোলা হ'ব বুলি মন্তব্য কৰে। সভাত স্নাতক কলেজৰ হৈ নিজৰা দেৱী, উচ্চতৰ মাধ্যমিকৰ হৈ তপন দত্ত, মইনুল হক, হাইস্কুলৰ হৈ অতুল ডেকা আৰু জাহাংগীৰ আলম, ছিনিয়ৰ ছেকেণ্ডাৰীৰ হৈ অমল ডেকা আৰু প্ৰদীপ বসুমতাৰী, উচ্চ প্ৰাথমিকৰ বিশ্বজ্যোতি নাথ আৰু নিম্ন প্ৰাথমিকৰ হৈ ফৰিদ চৰকাৰে ভাষণ প্ৰদান কৰি ন্যায্য প্ৰাপ্যৰ দাবীত তীব্ৰ আন্দোলন গঢ়ি তোলাৰ পোষকতা কৰে। সৰ্বস্তৰৰ টিউটৰ শিক্ষকৰ সন্মতিক্ৰমে 'সদৌ অসম প্ৰাদেশীকৃত টিউটৰ (শিক্ষক) - কৰ্মচাৰী যৌথ মঞ্চ'ৰ গঠন কৰা হয়। সভাই মৰিগাঁৱৰ অতুল ডেকাক সভাপতি, অমল ডেকাক কাৰ্যকৰী সভাপতি আৰু বাক্সা জিলাৰ ৰাজু কলিতাক সম্পাদক হিচাপে লৈ এখন শক্তিশালী ৰাজ্যিক সমিতি গঠন কৰে।



*গুৱাহাটীত বুধবাৰে বিশ্ব দুগ্ধ দিৱস উপলক্ষে পূৰ্বৰী ডেইৰীৰ সজাগতা অভিযানৰ ছবি*

## মেৰাপানীত সদৌ অসম ঠেঙাল কছাৰী সংগঠনৰ নৱ-নিৰ্বাচিত সভাপতি, সম্পাদকক উষ্ম আদৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১ জুন ঃ** অসম-নাগালেণ্ড সীমাৰ মেৰাপানীৰ কল্যাণপুৰত ২৯ মে'ত অনুষ্ঠিত এখন সম্বৰ্ধনা সভাত সদৌ অসম ঠেঙাল কছাৰী সংগঠনৰ নৱ-নিযুক্ত সভাপতি মাইনা মাধৱ কছাৰী, সাধাৰণ সম্পাদক দেৱৰ্ষি মোহন নেওগক উষ্ম আদৰণি জনোৱা হয় বুলি জানিব পৰা গৈছে। কল্যাণপুৰৰ গাঁও নিৱাসী প্ৰশান্ত শইকীয়াৰ ঘৰত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত সভাপতি, সম্পাদক দুগৰাকীক গামোচা, চেলেং চাদৰ জাপি আদিয়ে উষ্ম আদৰণি জনায়। নৱ-নিৰ্বাচিত সভাপতি, সম্পাদক দুগৰাকীয়ে, ঠেঙাল কছাৰীসকলৰ সৰ্বাংগীন উন্নতিৰ কাৰণে সকলো প্ৰচেষ্টা আগবঢ়াই যোৱাৰ লগতে, অসমৰ সকলো জাতি-জনগোষ্ঠীৰ লগত মিলিত হৈ ৰাজ্যখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ সহযোগিতাৰে আগুৱাই যোৱাৰ কথা ঘোষণা কৰে। সভাত সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠন নৱ-নিৰ্বাচিত সমিতিৰ উপ-সভাপতি জয়ন্ত দাস, সহকাৰী সম্পাদক ওমৰেন্দ্ৰ বড়া, কোষাধ্যক্ষ সৰোজ শইকীয়া, কেন্দ্ৰীয় সদস্য নিত্যা ঠেঙ্গাল, ঠেঙ্গাল কছাৰী সাহিত্য সংস্কৃতি সভাৰ কাৰ্যকৰী সভাপতি দ্বিপেন বড়াকে ধৰি কেবাগৰাকী উপস্থিত থাকে।

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ গড়গাঁও মহাবিদ্যালয়ৰ এক লাখ টকাৰ বৰঙণি

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি শিৱসাগৰ, ১ জুন ঃ** কালি কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰে শিৱসাগৰ জিলা ভ্ৰমণলৈ অহা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয় পৰিদৰ্শন কৰি অভিভূত হৈ পৰে। মহাবিদ্যালয়ৰ প্ৰতিগৰাকী শিক্ষক-শিক্ষাৰ্থী, কৰ্মচাৰী, এনচিচি, এনএছএছ গোটে উষ্ম অভিবাদন জনোৱাৰ লগতে ঢোলে-দগৰে মুখ্যমন্ত্ৰীগৰাকীক মহাবিদ্যালয়খনলৈ আদৰি নিয়ে। উল্লেখ্য যে মুখ্যমন্ত্ৰীগৰাকীক এখন সম্বৰ্দ্ধনা পত্ৰ, সঁফুৰা, গামোচা আদি উপহাৰেৰে মহাবিদ্যালয় পৰিয়ালে আদৰণি জনোৱাৰ লগতে 'মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি'লৈ এক লাখ টকা বৰঙণি হিচাপে আগবঢ়ায়। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই জনায় যে অসমৰ শৈক্ষিক তথা সামাজিক জীৱনৰ প্ৰতি দায়বদ্ধ গড়গাঁও মহাবিদ্যালয় পৰিয়ালে বন্যাৰ্ত জনসাধাৰণৰ প্ৰতি কিঞ্চিৎ সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে 'মুখ্যমন্ত্ৰী সাহায্য পুঁজি'লৈ এই এক লাখ টকাৰ সদিচ্ছামূলক বৰঙণি আগবঢ়াইছে। মুখ্যমন্ত্ৰীৰ আগমনত এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি তেখেতৰ আন্তৰিকতাপূৰ্ণ সঁহাৰিয়ে শিক্ষাৰ্থীসকলক উৎফুল্ল কৰি তোলে। ছাত্ৰ একতা সভাৰ সদস্য তথা উপস্থিত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে তেখেতে কিছুপৰ মত বিনিময় কৰাৰ লগতে মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰই নিজ হাতে অংকন কৰি প্ৰদান কৰা মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰতিচ্ছবিৰ ভূয়সী প্ৰশংসা কৰে। উল্লেখ্য যে সেউজ গছ-গছনিৰে পৰিৱেষ্টিত মহাবিদ্যালয়খনৰ শৈক্ষিক বাতাবৰণ তথা সামগ্ৰিক পৰিৱেশত আপ্লুত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে অচিৰেই পুনৰ অহাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। গড়গাঁও মহাবিদ্যালয়লৈ প্ৰদৰ্শন কৰা তেখেতৰ এই উৎসাহজনক হেঁপাহক অধ্যক্ষ ড° সব্যসাচী মহন্তৰ লগতে মহাবিদ্যালয় পৰিয়ালৰ সমূহ সদস্যই আন্তৰিক আদৰণি জনাইছে।

# প্ৰধানমন্ত্ৰীৰ ভাৰ্চুৱেল মত বিনিময়ৰ পোনপটীয়া সম্প্ৰচাৰ কাৰ্য সমাপন কামৰূপ জিলা প্ৰশাসনৰ

## গৰিব কল্যাণ সন্মিলনৰ কামৰূপ জিলাত অনুষ্ঠিত অনুষ্ঠানত অংশগ্ৰহণ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১ জুন ঃ** সমগ্ৰ দেশৰ সমান্তৰালকৈ 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি হিমাচল প্ৰদেশৰ পৰা 'গৰিব কল্যাণ সন্মিলন' নামৰ অনুষ্ঠানৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে ভাৰ্চুৱেল মাধ্যমৰ জৰিয়তে কৰা মত বিনিময় অনুষ্ঠানৰ কামৰূপ জিলাতো পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। উল্লেখ্য যে প্ৰধানমন্ত্ৰীয়ে কালি এই অনুষ্ঠানৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰাৰ উপৰি 'প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি'ৰ অধীনত দেশৰ ১০ কোটিৰো অধিক কৃষকলৈ ২১,০০০ কোটি টকাৰ ১১তম কিস্তিৰ ধনৰাশি ডি বি টি মাধ্যমেৰে হস্তান্তৰ কৰে। আমিনগাঁৱৰ কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰত জিলাখনৰ কেইবা হাজাৰ লোকৰ উপস্থিতিত আয়োজিত এই অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য ইত্যাদি বিভাগৰ মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উপৰি হাজো বিধানসভা সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, ছয়গাঁও বিধানসভা সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, জিলা উপায়ুক্ত কৈলাস কাৰ্তিক এন, আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়, জিলা পৰিষদৰ অধ্যক্ষা ৰীতা তালুকদাৰ, জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া পৰাগ কাকতিকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মত বিনিময় তথা ভাষণৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিৱসাগৰৰ পৰা এই উপলক্ষে প্ৰদান কৰা ভাষণৰো সম্প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানতে জিলাখনৰ কেইগৰাকীমান হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত আৱাস নিৰ্মাণৰ অনুমোদন পত্ৰ তথা হিতাধিকাৰীৰ হাতপুথি প্ৰদান কৰে জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ২০১৪ বৰ্ষৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমক বিভিন্ন প্ৰকাৰে যি ধৰণেৰে সহায়-সহযোগিতা আগবঢ়াই আছে তাৰ বাবে অসমৰ জনসাধাৰণ সদায় কৃতজ্ঞ বুলি কয়। দেশৰ প্ৰধান মন্ত্ৰীৰ সবল নেতৃত্ব তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গতিশীল নেতৃত্বত বৰ্তমান ৰাজ্যখনে বিকাশৰ যাত্ৰাত দ্ৰুতগতিৰে আগবাঢ়িছে বুলিও তেওঁ কয়। কামৰূপ জিলাৰ উপায়ুক্ত কৈলাস কাৰ্তিক এনে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত বিধায়িকা সুমন হৰিপ্ৰিয়াই কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন জনকল্যাণমূলক আঁচনিৰ অৱলোকনেৰে বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত ছয়গাঁৱৰ বিধায়ক ৰেকিবুদ্দিন আহমেদেও নিজৰ ভাষণ্দ কামৰূপ জিলা প্ৰশাসনে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ আঁচনিসমূহ ভালমতে ৰূপায়ণ কৰি আছে বুলি উল্লেখ কৰে।

# বিশখুঁটি স্বাস্থ্য-কল্যাণ কেন্দ্ৰত ডেংগু, এনকেফেলাইটিছ, মেলেৰিয়া আদি ৰোগ সম্পৰ্কত সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১ জুন ঃ** ওদালগুৰি জিলাৰ ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ বিশখুঁটি স্বাস্থ্য কল্যাণ কেন্দ্ৰত গাঁও স্বাস্থ্য অনাময় আৰু পৰিপুষ্টি সমিতিৰ লোকসকলক লৈ ২৩ মে'ত এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। সভাখনত সভাপতিত্ব কৰে বিশখুঁটি স্বাস্থ্য কল্যাণ কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সভাপতি মঃ আবুল কাদিৰে। সভাখনত ডেংগু, মেলেৰিয়া, জাপানীজ এনকেফেলাইটিছ জ্বৰৰ লক্ষণসমূহ আৰু প্ৰতিৰোধৰ সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয়। বিশেষকৈ ডেংগুৰ বিষয়ে গাঁৱৰ লোকসকলক সজাগ আৰু সচেতন কৰিবলৈ সজাগতা সভা আহ্বান কৰা হৈছে। সভাৰ মূল বিষয়বোৰৰ আঁত ধৰি বক্তব্য আগবঢ়ায় সমূহীয়া স্বাস্থ্য বিষয়া চামিৰণ নেহা, আশা ছুপাৰভাইজাৰ মেৰিনা শইকীয়া, এছ ডব্লিউ অনিল কলিতা, এ এন এম ৰুণজুন আহেমদ, ওৰাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিডিএম ৰাজদীপ বৰুৱা, স্বাস্থ্য কৰ্মী মহেন্দ্ৰ ঘিমিৰে, চেঙেলীমৰা লুইত জাতীয় বিদ্যালয়ৰ শিক্ষক মঃ বাবুল ইছলামে। এই সভাখনত আশা কৰ্মী নাজবিনা খাতুন, আনোৱাৰা বেগম, কুলছুমা বেগম, ফৰিদা বেগম, অংগনাবাড়ী কৰ্মী নাচিমা বেগম, আনোৱাৰা টাইমুৰৰ লগতে গাঁওৰ আত্মসহায়ক গোটৰ আৰু বিশখুটি গাওঁ স্বাস্থ্য অনাময় আৰু পৰিপুষ্টি সমিতিৰ বিষয়ববীয়াসকলৰ উপস্থিত থাকি সভাখন অনুষ্ঠিত কৰাত সাফল্যমণ্ডিত কৰি তোলে।



# নিচামুক্ত সমাজ গঢ়াৰ বাবে আজমল পৰিয়ালৰ মহানুভৱতা

## মৰিয়ম ছিনিয়ৰ ছেকেণ্ডাৰী-আজমল ছিনিয়ৰ ছেকেণ্ডাৰীৰ শিক্ষক-শিক্ষয়িত্ৰী-ছাত্ৰ-ছাত্ৰীৰ সমদল

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ১ জুন ঃ** অসমত বিভিন্ন ৰাজনৈতিক দলে আজমল পৰিয়ালক আৰু আজমল নেতৃত্বাধীন এ আই ইউ ডি এফ দলক সাম্প্ৰদায়িক তথা মৌলবাদী হিচাপে তুচ্ছ - তাচ্ছিল্য কৰি অহাৰ সময়তে আজমল পৰিয়ালে সমাজত দেখা দিয়া মৰণব্যাধি নিচাযুক্ত ধঁপাত সামগ্ৰীৰ পৰা নৱপ্ৰজন্মক আঁতৰাই অনাৰ প্ৰয়াস হাতত লোৱা পৰিলক্ষিত হৈছে। বৰ্তমান ভাৰতবৰ্ষত সাম্প্ৰদায়িক ৰাজনীতি মূৰ দাঙি উঠাৰ সময়ত আজমল পৰিয়ালৰ মহানুভৱতাই বাৰু কৈ আকৰ্ষিত কৰি তুলিছে সচেতন মহলক। আজমল পৰিয়ালৰ দ্বাৰা পৰিচালিত গৌৰীপুৰৰ মৰিয়ম ছিনিয়ৰ ছেকেণ্ডাৰী আৰু আজমল ছিনিয়ৰ ছেকেণ্ডাৰীৰ যৌথ উদ্যোগত ধঁপাত তথা নিচামুক্ত সমাজ গঢ়াৰ অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে ছাত্ৰ ছাত্ৰীৰ লগতে শিক্ষক - শিক্ষয়িত্ৰীসকল। প্ৰথমতে মঞ্চত তাৰ পাছত শোভাযাত্ৰা উলিয়াই ৰাইজক সজাগক কৰি তোলাৰ প্ৰচেষ্টা কৰে। আজমল পৰিয়ালে প্ৰথমতে ঘৰৰ পৰা ধঁপাত তথা নিচামুক্ত সমাজ গঢ়াৰ পৰিকল্পনা হাতত লৈ এই কাৰ্যসূচী হাতত লোৱা হৈছে বুলি অধ্যক্ষ শাইখুল ইছলামে সাংবাদিকক জানিবলৈ দিয়ে। উক্ত কাৰ্যসূচীত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে আলমগঞ্জ জিলা পৰিষদৰ প্ৰাক্তন সদস্য ওমৰ আলী শ্বেখ। মুখ্য বক্তা হিচাপে ভাষণ প্ৰদান কৰে আজমল ছিনিয়ৰ ছেকেণ্ডাৰীৰ অধ্যক্ষ শাইখুল ইছলামে। উল্লেখ্য যে, ধঁপাতজাত সামগ্ৰী সেৱনৰ ফলত দেশৰ লাখ লাখ মানুহ অকাল মৃত্যুৰ মুখত পৰা পৰিলক্ষিত হৈছে। যাৰ ফলত হজৰত মৌলানা বদৰ উদ্দিন আজমল আৰু ছিৰাজ উদ্দিন আজমলৰ নিৰ্দেশত আজমল কলেজসমূহত আজি ধঁপাতবিৰোধী কাৰ্যসূচী হাতত লোৱা পৰিলক্ষিত হয়। স্মৰ্তব্য যে, নিচাযুক্ত সামগ্ৰী সেৱন কৰি লক্ষ লক্ষ পৰিয়াল ধ্বংস হোৱাৰ সময়ত আজমল বাহিনীয়ে লোৱা ধঁপাতবিৰোধী পদক্ষেপক ৰাইজে কেনেদৰে গ্ৰহণ কৰে সেয়াই হ'ব লক্ষণীয় বিষয়।

## ৬ জুনত সদৌ অসম সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি ৰোহিণী মেধিৰ সপ্তম মৃত্যু বাৰ্ষিকী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১ জুন ঃ** অসমৰ আগশাৰীৰ সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান বাসনা সাহিত্য গোষ্ঠীৰ উদ্যোগত অহা ৬ জুন তাৰিখে দুপৰীয়া এক বজাত গুৱাহাটী প্ৰেছক্লাবত সদৌ অসম সাংবাদিক সন্থা(আজু) আৰু নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাংবাদিক, সাহিত্যিক, সমাজকৰ্মী, সমাজ সংগঠক প্ৰয়াত ৰোহিণী মেধিৰ সপ্তম মৃত্যু বাৰ্ষিকী পালন কৰা হ'ব । কাৰ্যসূচী মতে দুপৰীয়া এক বজাত প্ৰয়াত মেধিৰ সহধৰ্মিণী গিৰিজা মেধিয়ে বন্তি প্ৰজ্বলন কৰাৰ পাছত স্মৃতিচাৰণ সভাখন অনুষ্ঠিত হ'ব । সাংবাদিক নিপজ্যোতি মেধিয়ে আঁত ধৰিব লগা এই সভাখনত বিশিষ্ট সাহিত্যিক, সমালোচক, গৱেষক পণ্ডিত ডঃ গোবিন্দ প্ৰসাদ শৰ্মা, ডি এ নিউজ প্লাছৰ মুখ্য সম্পাদক প্ৰণয় বৰদলৈ, বিশিষ্ট সাহিত্যিক ডঃ অঞ্জলি শৰ্মা, ডঃ ডালিমী কোঁৱৰ, ভৱানীপ্ৰসাদ অধিকাৰী, বিশিষ্ট প্ৰকৃতিবিদ ভূপেন কুমাৰ দাস, অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্ত ৰেণু মহন্তৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকিব । উল্লেখ্য যে উক্ত সভাখনতে বিশিষ্ট সাংবাদিক দিগন্ত কুমাৰ নাথৰ 'চলন্তিকা' (২০২০ বৰ্ষৰ), সাহিত্যিক ৰত্নেশ্বৰ বসুমতাৰীৰ 'অসমত বাংলাদেশীৰ আগ্ৰাসন আৰু খিলঞ্জীয়া অসমীয়াৰ সংকট', লেখিকা নিৰ্মলা শৰ্মাৰ 'নীতিশিক্ষামূলক সাধু', লেখিকা ঋণুদেৱী শৰ্মাৰ 'সাহিত্য-সংস্কৃতিৰ সুবাস' (২০২১ বৰ্ষৰ), সৰুপেটা বি এইচ বি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ডঃ কল্পনা বৈশ্যৰ 'অসমীয়া জনগোষ্ঠীয় লোক-উৎসৱ' (২০২২ বৰ্ষৰ) নামৰ মৌলিক গ্ৰন্থকেইখনৰ বাবে বিশিষ্ট সাংবাদিক ৰোহিণী মেধি সোঁৱৰণী বঁটা, প্ৰাগ নিউজৰ আউটপুট এডিটৰ ধীৰাজ ৰায় মেধিক দীৰ্ঘদিন ধৰি সততা, নিষ্ঠা আৰু সাহসিকতাৰে সংবাদসেৱা কৰি অহাৰ বাবে বিশিষ্ট সাংবাদিক ৰোহিণী মেধি সোঁৱৰণী প্ৰেৰণা বঁটা প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।




*বুধবাৰে গুৱাহাটীত মাহেকীয়া আলোচনী 'বিজেপি বাৰ্তা' উন্মোচনৰ মুহূৰ্তত মেয়ৰ মৃগেন শৰণীয়াসহ একাংশ*

## চেঙাৰ আদুৰিপাৰাত বিদ্যুৎ বিভাগৰ বিৰুদ্ধে ৰাইজৰ উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১ জুন ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত আদুৰিপাৰাত বিদ্যুৎ যোগান নিয়মীয়া কৰাৰ দাবীত ৰাইজে যোৱানিশা অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে । হাতে হাতে মোবাইলৰ ফ্লাছ জ্বলাই নিশাৰ অন্ধকাৰত শ শ বিদ্যুৎ গ্ৰাহকে সাব্যস্ত কৰিলে প্ৰতিবাদ। উল্লেখ্য যে কিছুদিন ধৰি ধূপধৰা বিদ্যুৎ উপসংমণ্ডলৰ অধীনস্থ চেঙা সমষ্টিৰ আদুৰিপাৰা অঞ্চলত বিদ্যুৎ যোগান অনিয়মীয়া হোৱাৰ লগতে সঘনাই বিদ্যুৎ কৰ্তন কৰাত যথেষ্ট গ্ৰাহকসকলৰ মাজত অসুবিধাৰ সৃষ্টি হৈছে । আনহাতে গ্ৰাহকসকলে বিদ্যুৎ যোগান নিয়মীয়া কৰাৰ কথা ক'লেই অঞ্চলটোৰ গ্ৰাহকক বিভিন্ন ভয়-ভাবুকি প্ৰদান কৰে উপসংমণ্ডলটোৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে দায়িত্ব দিয়া দালালৰূপী লেছী আজিজুৰ ৰহমান ওৰফে গাঁওবুঢ়াই । ধূপধৰা বিদ্যুৎ উপসংমণ্ডলৰ বিষয়া-কৰ্মচাৰী আৰু লেছীৰ এনে কাৰ্যকলাপত ক্ষোভিত হৈ পৰিছে অঞ্চলটোৰ গ্ৰাহকসকল। ক্ষুব্ধ গ্ৰাহকে নিশাৰ অন্ধকাৰতে অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে মোবাইলৰ ফ্লাছ জ্বলাই বিদ্যুৎ বিভাগ হায় হায়, বিমল বৰা হায় হায়, বিদ্যুৎ যোগান নিয়মীয়া কৰক আদি বিভিন্ন শ্লোগানেৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। অচিৰেই অঞ্চলটোত বিদ্যুৎ যোগান নিয়মীয়া কৰাৰ লগতে দালালৰূপী লেছী আজিজুৰ ৰহমান আৰু লুৎফৰ ৰহমানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে ভুক্তভোগী গ্ৰাহকসকলে। তদন্ত সাপেক্ষে দোষীৰ বিৰুদ্ধে কৰ্তৃপক্ষই কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

### কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগৰ উদ্যোগ

## ২০০ যুৱক-যুৱতীক গাড়ীচালনাৰ প্ৰশিক্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১ জুন ঃ** স্বনিৰ্ভৰশীলতাৰ লক্ষ্যৰে কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগৰ উদ্যোগত ১ জুনৰ পৰা ২০০গৰাকী যুৱক-যুৱতীক গাড়ী চালনাৰ প্ৰশিক্ষণ দিয়াৰ বাবে পূৰ্ণপ্ৰস্তুতি চলোৱা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে কেবিনেট সিদ্ধান্তৰ জৰিয়তে ৰাজ্যৰ পৰিবহণ ক্ষেত্ৰলৈ আমূল পৰিৱৰ্তন তথা সংস্কাৰ অনাৰ উদ্দেশ্যে ঘোষণা কৰা প্ৰতি বিধানসভা সমষ্টিৰ ৫০গৰাকী যুৱক-যুৱতীক গাড়ী চালনাৰ দক্ষতা প্ৰশিক্ষণ আঁচনিৰ অধীনত এইসকল পুৰুষ-মহিলাক প্ৰশিক্ষণ দিয়া হ'ব। সহকাৰী পৰিবহণ আয়ুক্ত তথা কামৰূপ মহানগৰৰ জিলা পৰিবহণ বিষয়া আৰু জিলা বাছনি আৰু নিৰীক্ষণ সমিতিৰ সদস্য সচিব গৌতম দাসে জানিবলৈ দিয়া মতে মুখ্যমন্ত্ৰীৰ আগ্ৰহ আৰু পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ নিৰ্দেশ মৰ্মে কেবাটাও বিভাগীয় পৰ্যায়ৰ পৰীক্ষণৰ অন্তত কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগে চাৰিটা বিধানসভা সমষ্টি ক্ৰমে জালুকবাৰী, দিছপুৰ, পূব গুৱাহাটী আৰু পশ্চিম গুৱাহাটীৰ পৰা বিধায়কৰ অনুমোদন সাপেক্ষে এই ২০০ গৰাকী যুৱক-যুৱতীক গাড়ী চালনাৰ প্ৰশিক্ষণৰ বাবে বাছনি কৰা হৈছে । প্ৰশিক্ষণৰ বাবে মহানগৰীৰ ৪খন ড্ৰাইভিং ট্ৰেইনিং স্কুল বাছনি কৰি প্ৰতিখনকে ৫০গৰাকৈ যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰদানৰ বাবে দায়িত্ব অৰ্পণ কৰা হৈছে । উল্লেখ্য যে এই প্ৰশিক্ষণৰ কালত প্ৰশিক্ষাৰ্থীসকলৰ সকলো তদাৰকৰ বাবে যানবাহন পৰিদৰ্শক দুৰ্গা গগৈ আৰু কানাই মহন্তক দায়িত্ব অৰ্পণ কৰা হৈছে। মুখ্যমন্ত্ৰী মহোদয়ৰ গাড়ী চালনাৰ দক্ষতা প্ৰশিক্ষণৰ এই ব্যতিক্ৰমী আঁচনিখনৰ প্ৰধান উদ্দেশ্যসমূহৰ ভিতৰত যুৱপ্ৰজন্মক লৈ নিয়োগ বা নিযুক্তি সৃষ্টি কৰা, দক্ষতাসম্পন্ন এক শ্ৰেণীৰ কৰ্মচাৰীৰ সৃষ্টি কৰা, সুৰক্ষিত আৰু নিৰাপদ যাত্ৰাৰ বাবে বাতাৱৰণ গঢ়ি তোলাৰ লগতে আত্মনিৰ্ভৰশীল কৰি তোলা আদি উল্লেখযোগ্য। প্ৰশিক্ষাৰ্থীসকলক দিবলগীয়া প্ৰশিক্ষণৰ বিভিন্ন দিশসমূহৰ ভিতৰত পৰ্যটক আৰু ভিআইপিৰ সৈতে কথা-বাৰ্তা আৰু পৰিস্থিতিৰ মোকাবিলা, যোগাযোগ, প্ৰাথমিক চিকিৎসা আৰু ক্ষিপ্ৰ সঁহাৰি আগবঢ়োৱা, পৰ্যটন নিৰ্দেশনাৰ দক্ষতা আদি মন কৰিবলগীয়া। ডেৰ মাহজোৰা প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ, গাড়ীচালনাৰ অনুজ্ঞাপত্ৰ দিয়াৰ লগতে জলপানি প্ৰদান কৰা হ'ব।

## নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি নৰেন শৰ্মাক আছুৰ সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১ জুন ঃ** নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ নতুন সভাপতি নৰেন শৰ্মাক আজি পুৱাই বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থা আৰু সানেকুছি শাখা ছাত্ৰ সন্থাৰ এটি প্ৰতিনিধি দলে তেওঁৰ জিলাখনৰ অন্তৰ্গত দেহাৰকুছি গাঁৱৰ বাসভৱনত উপস্থিত হৈ গামোচা আৰু চেলেং চাদৰেৰে শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখ্য যে যোৱা ২৯ মে'ত জিলাখনৰ চামতাস্থিত পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ মোহন ভাৰৱীয়া সোঁৱৰণী কাৰ্যালয় গৃহত অনুষ্ঠিত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ বিষয় বাছনি সভাত শৰ্মাক আগন্তুক কাৰ্যকালৰ বাবে সভাপতি মনোনীত কৰে। শৰ্মাই বাৰ্তাজীৱী সংঘৰ সভাপতি হোৱাত স্থানীয় বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাই আনন্দ প্ৰকাশ কৰে আৰু আজি পুৱাই শুভেচ্ছা জনাই আগত দিনকেইটা কুশলে পাৰ কৰাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। মন কৰিবলগীয়া যে এসময়ত আছুৰ মজিয়াৰ পৰাই শৰ্মাই সামাজিক কামকাজ আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত এজন সংবাদসেৱী হিচাবে নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। আনহাতে বাৰ্তাজীৱী সংঘৰ সামৰণিৰ পিছমুহূৰ্ততে পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাইও নতুনকৈ মনোনীত সভাপতি নৰেন শৰ্মা আৰু সম্পাদক ৰূপকুমাৰ শৰ্মাক গামোচাৰে শুভেচ্ছা জনাইছিল।

## দুধনৈৰ চিলুকত শ্ৰীশ্ৰী আই খোকচি দেৱীৰ বাৰ্ষিক পূজা



**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ১ জুন ঃ** দুধনৈ চিলুক বাখৰাপাৰা ৰাভা কৃষ্টি সংঘৰ উদ্যোগত ৩১ মে'ত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয় শ্ৰীশ্ৰী আই খোকচি দেৱীৰ বাৰ্ষিক পূজা-অৰ্চনা। চিলুক মৌজাৰ অন্তৰ্গত এক প্ৰাকৃতিক পৰিৱেশৰ মাজত থকা ৰাজা হাচুত (ৰাজা পাহাৰ) ৰাভা জনগোষ্ঠীৰ আৰাধ্য দেৱতা আই খোকচি দাৰমাং আৰু কণ্ঠক প্ৰতিবছৰৰ জেঠ মাহত পূজা-অৰ্চনা দিয়া হয়। ৰাজা হাচুৰ শিখৰত থকা মন্দিৰত ৰাতিপুৱাৰে পৰা ভক্তপ্ৰাণ গাঁৱৰ ৰাইজ উপস্থিত হয়। মন্দিৰৰ পূজাৰীয়ে পূজাৰ সামগ্ৰী কঢ়িয়াই লৈ অহা ব্যক্তিসকলক মন্দিৰলৈ আদৰি আনি সেই সামগ্ৰী মন্দিৰত স্থাপন কৰে। তাৰ পিছত মন্দিৰৰ থাপনাত থকা মূল দেৱতা খোকচিলৈ এটা বগা কুকুৰা চৰাই ৰাইজে সোৱনী হিচাবে দেৱীলৈ আগবঢ়াই বলি প্ৰদান কৰে। তাৰ পিছত পুনৰ ৰাইজৰ তৰফৰ পৰা আন দুগৰাকী আৰাধ্য দেৱতালৈ প্ৰত্যেককে এটাকৈ ৰঙা কুকুৰা চৰাই সোৱনী হিচাবে আগবঢ়াই বলি প্ৰদান কৰে। ইয়াৰ পিছত ভক্তপ্ৰাণ ৰাইজে ফোকচাক নামৰ এবিধ গছৰ পাত হাতেৰে ছিঙি এটা বাঁহৰ চুঙাত ভৰাই তাত চাউলৰ পিঠাগুড়ি মিহলোৱাৰ লগতে দেৱী খোকচিলৈ আগবঢ়োৱা কুকুৰা চৰাইৰ মাংস মিহলাই জুইত সিজাই বিশেষভাৱে প্ৰস্তুত কৰা এবিধ খাদ্য ভোগ হিচাবে দেৱীলৈ আগবঢ়োৱা হয়। ইয়াৰ লগতে দেৱীৰ পূজাত চকো মদ দেৱীক অৰ্পণ কৰা হয়। পূজা চলি থকাৰ মাজতে আমন্ত্ৰিত অতিথি হিচাবে ৩৬ নং দুধনৈ বিধান সভা সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰী, সদৌ ৰাভা কৃষ্টি সন্মিলনৰ সভাপতি দীপক পাম, পুৰণিভিঠা গাঁও পঞ্চায়তৰ সভানেত্ৰী প্ৰতিভা ৰাভা উপস্থিত থাকে। তেওঁলোকক পূজা পৰিচালনা কমিটীৰ তৰফৰ পৰা একোখনকৈ ৰাভা জাতীয় পাজাৰেৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানৰ পিছতেই ৰাইজে খোকচী দেৱীক সেৱা জনাই পুষ্পাঞ্জলি দি প্ৰসাদ গ্ৰহণ কৰে। ৰাইজৰ মনোৰঞ্জনৰ বাবে গাঁৱৰ পুৰুষ-মহিলাৰ মাজত ৰাভা জাতিৰ পৰম্পৰাগত লেৱাটনা খেল অনুষ্ঠিত হয়। ১৯৭২ চনৰ পৰা চিলুক বাখৰাপাৰা গাঁৱৰ ৮৮ ঘৰ মানুহৰ দান-বৰঙনি আৰু সহায়-সহযোগিতাত এই পূজা অনুষ্ঠিত হৈ আছে। পূজা সমিতিৰ সভাপতি বলোৰাম ৰাভা, উপ-সভাপতি সঞ্জয় ৰাভা, সম্পাদক কমল ৰাভা, সহ-সম্পাদক আকাশদীপ ৰাভা আৰু সমাজসেৱক চাৰ্বেশ ৰাভাই পূজা সফলভাৱে ৰূপায়ণ কৰা বাবে ৰাইজক ধন্যবাদ জনায়।

## তামুলপুৰৰ কুমাৰীকাটাত যোগ চৰ্চা কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১ জুন ঃ** তামুলপুৰ জিলাৰ কুমাৰীকাটাত আজিৰ পৰা এটি যোগ চৰ্চা কেন্দ্ৰ মুকলি কৰা হয়। কুমাৰীকাটা ৰাজহুৱা প্ৰেক্ষাগৃহত ৰঙিয়াৰ স্বেচ্ছাসেৱী সংস্থা 'সাধনা'ৰ দ্বাৰা পৰিচালিত 'সৃষ্টি যোগ কেন্দ্ৰ' নামৰ যোগ চৰ্চা কেন্দ্ৰটো আজি পুৱা ৫:৩০ বজাত আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে স্থানীয় প্ৰাক্তন অধ্যক্ষ হৰিৰাম উপ্যাধায়ে । যোগাচাৰ্য জ্যোতিষ কলিতা আৰু যোগ প্ৰশিক্ষক অনামিকা দাসে আঁত ধৰা উদ্বোধনী সভাত উপাধ্যায়ে যোগ কেন্দ্ৰটিৰ শুভ উদ্বোধন কৰি ইয়াৰ দীৰ্ঘায়ু কামনা কৰি কয়— যোগ হৈছে এনে এটি অমৃত ব্যৱস্থা, যি ব্যৱস্থাৰ দ্বাৰা মানুহক বেমাৰ-আজাৰৰ পৰা দূৰত ৰাখিব পাৰি । যোগৰ দ্বাৰা মানুহে নিজকে সু-স্বাস্থ্য কৰি ৰাখিব পাৰে বুলি মন্তব্য কৰি ইয়াৰ সুফল লাভৰ বাবে সকলোকে আগবাঢ়ি আহিবলৈ তেওঁ উপস্থিতসকললৈ আহ্বান জনায় । উল্লেখ্য যে এই যোগ চৰ্চা কেন্দ্ৰটোত সপ্তাহৰ প্ৰতি সোমবাৰ, বুধবাৰ আৰু শুক্ৰবাৰে ৰাতিপুৱা ৫.৩০ বজাৰ পৰা ৬.৩০ বজালৈ যোগ চৰ্চা কৰা হ'ব । সকলো বয়সৰ লোকৰ বাবে যোগচৰ্চা কেন্দ্ৰটো মুকলি থাকিব বুলিও উদ্যোক্তাসকলে জনাইছে।

## লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু কেঞ্চাৰ কেয়াৰ কেন্দ্ৰ নিৰ্মাণত বিসংগতি

### উচিত তদন্তৰ দাবী আপৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ১ জুন ঃ** লখিমপুৰ জিলাৰ কেঞ্চাৰ কেয়াৰ কেন্দ্ৰ আৰু চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণৰ বিসংগতি সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ৰাজ্যিক আম আদমী পাৰ্টীয়ে। বিগত মাহত টাটা কেঞ্চাৰ হাস্পতালখনৰ উদ্বোধনে লখিমপুৰ তথা উত্তৰ অসমৰ ৰাইজৰ বাবে আশাৰ ৰেঙনি কঢ়িয়াইছিল। নিৰ্মাণৰ এটা বৰ্ষ অতিক্ৰমে নৌহওঁতে দুয়োখন স্বাস্থ্য প্ৰতিষ্ঠানৰ আন্তঃগাঁথনিত ফাট মেলা কাৰ্য অতি দুৰ্ভাগ্যজনক আৰু গৰিহণাযোগ্য বুলি উল্লেখ কৰে আম আদমী পাৰ্টীৰ ৰাজ্যিক সমন্বয়ক ডাঃ ভবেন চৌধুৰীয়ে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতি যোগে চৌধুৰীয়ে কয় যে চিকিৎসা প্ৰতিষ্ঠান দুটাৰ নিৰ্মাণৰ লগত জড়িত নিৰ্মাণকাৰী সংস্থাৰ কামৰ বিশ্বাসযোগ্যতা আৰু দূৰদৰ্শিতাৰ ওপৰত সন্দেহ ঘনীভূত হৈছে । নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ আৰু গাফিলতিৰ ফলত চৰকাৰী ধনৰ অপব্যৱহাৰ হৈছে। সেয়ে আম আদমী পাৰ্টীয়ে এই সমগ্ৰ বিষয়টোৰ তদন্তৰ দাবী জনাইছে।

## বিহালীৰ বটিয়ামাৰীত গোৰ্খা সন্মিলনৰ দুই বিষয়ববীয়াক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১ জুন ঃ** বিহালী অঞ্চলৰ বটিয়ামাৰী ভানু ৰঙ্গমঞ্চত কালি এক আদৰণি অনুষ্ঠানত অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপসভাপতি হিচাপে নিৰ্বাচিত কলাশ্ৰী বিনোদ খনাল আৰু সম্পাদক হিচাপে নিৰ্বাচিত জয় কুমাৰ সূতাৰক পূব বটিয়ামাৰী শাখা আৰু উত্তৰ বটিয়ামাৰী শাখাৰ কৰ্মকৰ্তা সকলে আনুষ্ঠানিক ভাৱে আদৰণি জনায়। অনুষ্ঠানৰ আঁঞ্জত ধৰে পংকজ পোখ্ৰেলে আৰু সহযোগ কৰে শিৱ দাহালে। কাৰ্যসূচীত বিহালী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সম্পাদক বিজয় কৈৰালাই দুয়োগৰাকীকে গামোচাৰে আদৰণি জনায়। দুয়োগৰাকী বিষয়ববীয়াই গোৰ্খা সন্মিলনলৈ প্ৰতিনিধি হিচাপে প্ৰেৰণ কৰি, কেন্দ্ৰীয় সমিতিৰ বিষয়বাৱ পাবলৈ সুবিধা প্ৰদান কৰাত সকলোকে ধন্যবাদ জ্ঞাপন কৰি, অসম গোৰ্খা সন্মিলনৰ সাংগঠনিক দিশ টনকিয়াল কৰি ৰাখি, জাতীয় সমস্যা সমূহ সমাধান আৰু সামগ্ৰিক উন্নয়নৰ বাবে কাম কৰি যোৱাত সহযোগিতা আশা কৰি বক্তব্য ৰাখে উল্লেখযোগ্য যে, ১৯৪৬ চনতে জন্ম লাভ কৰা অসম গোৰ্খা সন্মিলনৰ বা'ৰী জিলাৰ নিকাচীত ১৬, ১৭, ১৮ মে'ত কেন্দ্ৰীয় সমিতিৰ ২৭ তম্ অধিৱেশন অনুষ্ঠিত হৈছিল। ইয়াৰ পাছতে ডম্বৰু দাহাল , নোমল নেপাল আৰু বিহালী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সম্পাদক বিজয় কৈৰালা আদিয়ে অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ দুয়োগৰাকী বিনোদ খনাল অভিনন্দন জনাই , গোৰ্খা জনগোষ্ঠীৰ উত্তৰণৰ হকে কাম কৰি যাবলৈ আহ্বান জনাই বক্তব্য ৰাখে। অনুষ্ঠানত আৰ এল মেম'ৰিয়েল হাইস্কুলৰ প্ৰধান শিক্ষক নবীন চুবেদী, সংবাদকৰ্মী পলাশ প্ৰিয়ম আৰু ত্ৰিদিব দাস, সমাজকৰ্মী ভূৱন ঘোৰ্ছানে ছেত্ৰী আদি কে'বা গৰাকীও ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## বহিঃৰাজ্যত অট্টালিকাৰ পৰা পৰি কলগাছিয়াৰ যুৱকৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলগাছিয়া, ১ জুন ঃ** কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত লাচাংঙ্গা গাঁৱৰ প্ৰয়াত ছাইদুৰ ৰহমানৰ পুত্ৰ আশ্ৰাফুল আলম পেটৰ তাড়নাত কাম বিচাৰি গৈছিল কেৰালাত। মঙলবাৰে আবেলি বিল্ডিঙত কাম কৰি থাকোতে ওপৰ মহলাৰ পৰা তলত পৰি কৰুণ মৃত্যুক আঁকোৱালি লয় আশ্ৰাফুল আলমে। ইপিনে যুৱকজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে বৃহত্তৰ লাচাংগা অঞ্চললৈ গভীৰ শোকৰ ছাঁ বিৰাজ কৰিছে। পৰিয়াল আৰু স্থানীয় ৰাইজে মৃতদেহটো কেৰালাৰ পৰা কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত লাচাংঙ্গা গাঁৱলৈ অনাৰ ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, সাংসদ আব্দুল খালেক, বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলাম আৰু বৰপেটা জিলা প্ৰশাসনক সহায়-সহযোগিতা কৰিবলৈ কাতৰ আহ্বান জনাইছে।

### গুৱাল গাঁৱক আদৰ্শ গাঁও হিচাপে গঢ়ি তোলাৰ প্ৰয়াস

## টীয়ক দ-গুৱাল গাঁৱৰ অংকুৰ পুথিভঁৰাললৈ কাকজান কলেজৰ সমাজতত্ত্ব বিভাগৰ গ্ৰন্থ প্ৰদান




**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১ জুন ঃ** যোৰহাট জিলাৰ টীয়ক বিধানসভা সমষ্টিৰ অন্যতম জনবহুল গাঁও হৈছে দ-গুৱাল গাঁও অৰ্থাৎ কটিকুছিয়া গাঁও। কাকজান কলেজৰ সমাজতত্ত্ব বিভাগ আৰু এনএছএছৰ যুটীয়া উদ্যোগত আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত দ-গুৱাল গাঁৱৰ নামঘৰত এখনি বিশেষ সভা অনুষ্ঠিত হৈ যায়। অৱসৰপ্ৰাপ্ত শিক্ষক কনক চন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনিৰ আঁত ধৰে অংকুৰ পুথিভঁৰালৰ সম্পাদক ৰন্টু ভূএগ্ৰই । কাকজান কলেজৰ অধ্যক্ষ ড০ ৰূপৰেখা বৰদলৈ, সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক দীপ্তি তামুলী, উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড০ ববিতা ফুকন বৰকটকী, এন. এছ.গোটৰ তত্ত্বাৱধায়ক তথা উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক জয়ন্ত বৰা, সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা মিনাক্ষী মিলি, বৰষাৰাণী বৰা, অধ্যাপক প্ৰবীণ দাসে সমাজতত্ত্ব বিভাগ আৰু বিভাগৰ ষষ্ঠ সান্মাষিক ছাত্ৰ-ছাত্ৰীৰ হৈ দ-গুৱাল গাঁৱৰ অংকুৰ পুথিভঁৰাললৈ এটা বুক চেল্‌ফ, অৰ্ধশতাধিক গ্ৰন্থৰ টোপোলা আগবঢ়াই। ভাষণ প্ৰসংগত কাকজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰূপৰেখা বৰদলৈয়ে উঠি অহা প্ৰজন্মই গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰাৰ লগতে দ-কটিকুছিয়া গাঁৱক আদৰ্শ গাঁও হিচাপে গঢ় দিয়াত যি ভূমিকা গ্ৰহণ কৰিছে তাত আগন্তুক দিনত গাঁওবাসী ৰাইজৰ পূৰ্ণ সহযোগিতা বিচাৰিছে মহাবিদ্যালয়ৰ পৰিয়ালে। টীয়ক জুনিয়ৰ কলেজৰ অধ্যক্ষ অনিমা ওজা, নামঘৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰমোদ শইকীয়া, শতবৰ্ষ উদযাপন সমিতিৰ কোষাধ্যক্ষ অজিত ভূএগ্ৰা, অংকৰ পুথিভঁৰালৰ সভাপতি ব্ৰজেন ওজা, কাকজান কলেজৰ ছাত্ৰ একতা সভাৰ সভাপতি স্বপ্নীল বৰুৱা,অংকুৰ মইনা পাৰিজাত, অংকুৰ শিল্পী সমাজৰ বিষয়ববীয়া, গাঁৱৰ শতাধিক ৰাইজ তথা কলেজৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। সমাজতত্ত্ব বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে সমগ্ৰ গাঁওখনত এটি ক্ষেত্ৰভিত্তিক অধ্যয়নো সম্পন্ন কৰে। এক বিবৃত্তিত অংকৰ পুথিভঁৰালৰ সভাপতি ব্ৰজেন ওজা আৰু সম্পাদক ৰন্টু ভূএগ্ৰই কাকজান মহাবিদ্যালয় পৰিয়াললৈ এই মহান পদক্ষেপৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।

### তামুলপুৰৰ কুমাৰীকাটাত নৃশংস হত্যাকাণ্ড

## সুৰাসক্ত স্বামীয়ে হত্যা কৰিলে পত্নীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১ জুন ঃ** সুৰাসক্ত স্বামীৰ প্ৰহাৰত প্ৰাণ গ'ল পত্নীৰ। এই নৃশংস ঘটনা সংঘটিত হৈছে তামুলপুৰ জিলাৰ কুমাৰীকাটাৰ দোহা আঙাৰকাটা নামৰ ঠাইত। যোৱানিশা কুমাৰীকাটা আৰক্ষী চকীৰ অন্তৰ্গত দোহা আঙাৰকাটা গাঁৱৰ চুহান মুণ্ডা (৩৫) ই নিজ পত্নী সুনাতি মুণ্ডা(৩০)ৰ স'তে সুৰাপান কৰি থাকোতে কিবা কথাক লৈ দুয়োৰে মাজত প্ৰচণ্ড কাজিয়াৰ সূত্ৰপাত হয় । পিছত অত্যধিক সুৰাপান কৰা চুহানে সুৰাৰ ৰাগিত মাতাল হৈ নিজ পত্নী সুনাতিক লাঠিৰে উপৰ্যুপৰি প্ৰহাৰ কৰাত পত্নী সুনাতিৰ প্ৰাণবায়ু উৰি যায়। এটি দুমহীয়া ল'ৰা আৰু তিনিগৰাকী কণমানি কন্যা সন্তানৰ মাতৃ আছিল সুনাতি মুণ্ডা। পুৱা সুনাতি মুণ্ডাৰ কন্যা সন্তানে কান্দি থকা দেখি আগবাঢ়ি অহা স্থানীয় লোকে ঘৰৰ ভিতৰতে মহিলাগৰাকীৰ মৃতদেহ প্ৰত্যক্ষ কৰি স্থানীয় গাঁওবুঢ়া আৰু আৰক্ষী চকীত খবৰ দিয়াত ঘটনাস্থলীত আহি উপস্থিত হয় তামুলপুৰ মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি কলিতা, তামুলপুৰৰ চক্ৰ বিষয়া ৰাহেদুৰ ৰহমানৰ লগতে কুমাৰীকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰাঞ্জল বৰুৱাৰ নেতৃত্বত এটি আৰক্ষীৰ দল। ইপিনে স্বামী চুহান মুণ্ডাই নিজ পত্নীক হত্যা কৰি ঘৰৰ কাষতে বহি থাকে। ঘটনাস্থলীত আৰক্ষীৰ লোক উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰাৰ লগতে হত্যাকাৰীক আটক কৰি কুমাৰীকাটা আৰক্ষী চকীলৈ লৈ আনে। আৰক্ষীয়ে কাইলৈ হত্যাকাৰী স্বামীক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰাৰ কথা। একমাত্ৰ সুৰাপানৰ বাবেই দুমহীয়া পানীকেঁচুৱা আৰু তিনিগৰাকী কন্যা সন্তানে মাতৃহাৰা হোৱাৰ খবৰে মৰ্মাহত কৰি তুলিছে প্ৰতিজন লোকক। ইতিমধ্যেই তিনি কন্যা সন্তানক আৰক্ষীয়ে মুছলপুৰস্থিত শিশু কল্যাণ সমিতিলৈ নিয়াৰ লগতে দুমহীয়া কেঁচুৱাটিৰ যত্ন লোৱাৰ বাবে আত্মীয়ৰ কাষত ৰাখে। উল্লেখ্য যে তামুলপুৰৰ একাংশ গাঁও অঞ্চলত সুৰৰ ৰমৰমীয়া বেহা গঢ় লৈ উঠাত প্ৰায়ে সৰু-ডাঙৰ এনে ঘটনা সংঘটিত হৈ আহিছে বুলি সচেতন মহলে অভিযোগ কৰিছে।

No. CE/H&UA/Tech/17/PT-II/21-22/57

**PRESS NOTICE**

The Chief Engineer, H&UA (Technical Cell), Assam on behalf of the Governor of Assam invites proposal from reputed Class-IA Contractor/Farm registered under P.W.D, Assam and having extensive experience in the relevant field of work for the following work.

| SI No | Name of work | Approx value of work (in Lakhs) | Cost of RFP and BID Document | EMD / BID security | Last Day of Submission of Bid |
|---|---|---|---|---|---|
| 1 | CONSTRUCTION OF SWIMMING POOL AT D.N. SINGHA STADIUM AT GOALPARA UNDER CIDF FOR THE YEAR 2019-20 | ₹774.44 Lakhs | ₹15,500.00 | Rs. 15.49 Lakhs for Unreserved Category & Rs. 7.74 Lakhs for ST/ SC/ OBC/MOBC/ UGE | 16-06-2022 |

1. Details of the bid may be seen at e-procurement portal website i.e., www.assamtenders.gov.in and also in the office of the undersigned during office hours from 14:00 hrs of 02-06-2022 to 16-06-2022 2. The BID validity period of the RFP shall be 180 days from the date of submission.
3. The Bidders must be registered with the E-tendering system (ETS) of the Govt. of Assam.
4. The Chief Engineer, H&UA (Technical Cell), Assam reserves the right to accept or reject any or all proposals without showing any reason thereof.

Chief Engineer (Technical Cell)
Department of Housing and Urban Affairs
Assam, Guwahati-03

Janasanyog /C/3551/22

## 'নদী আৰু নাৰী'ৰ গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ জুন ঃ** জাৰ্মানী কহিনুৰ ৱৰ্ল্ড বুক অৱ ৰেকৰ্ডছৰ স্বীকৃতিপ্ৰাপ্ত জনপ্ৰিয় কাব্যিক, বৌদ্ধিক তথা মানৱদৰদী অনুষ্ঠান নদী আৰু নাৰীৰ উদ্যোগত ৰবিবাৰে গুৱাহাটী প্ৰেছ ক্লাবত ডঃ অনামিকা গগৈৰ সভাপতিত্বত সভাখন অনুষ্ঠিত হয়। সভাত উপস্থিত থাকে কটন বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক তথা বিশিষ্ট সাহিত্যিক ডঃ জগদীশ পাটগিৰি, বিশিষ্ট কবি-সাহিত্যিক তথা শংকৰী সংস্কৃতি গৱেষক ইছমাইল হোছেইন, বিশিষ্ট লেখক, কবি, সমাজকৰ্মী, প্ৰবাসী ভাৰতীয় তথা আমেৰিকাৰ নিবাসী মনোৰমা দাস, শিশু সাহিত্য অকাডেমী বঁটা বিজয়ী ২০১৬ চনৰ হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি, বিশিষ্ট কবি তথা সাহিত্য সমালোচক বিপুল শৰ্মা, বিশিষ্ট লেখক কবি ডলী গোস্বামী। সভাখনত কেইবাখনো গ্ৰন্থ উন্মোচন কৰাৰ লগতে থিতাতে লিখা কবিতা প্ৰতিযোগিতা, বিশিষ্ট অতিথিসকলক সম্বৰ্দ্ধনা জনোৱাৰ লগতে কবিতা পাঠৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কবিতাৰ এক সুৰীয়া অংগ হৈছে থলীতে লিখা কবিতা প্ৰতিযোগিতা। থলীতে লিখা কবিতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পায় ক্ৰমে নগাঁও ধিঙৰ দীপাঞ্জু বৰাই, দ্বিতীয় পুৰস্কাৰ লাভ কৰে হাউলীৰ কঙ্কন তালুকদাৰে আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে বৰপেটাৰ ছায়াৰাণী মেধিয়ে। নিচুকনি পুৰস্কাৰ লাভ কৰে ক্ৰমে গুৱাহাটীৰ প্ৰণীতা শৰ্মা আৰু কাৰ্বি আংলং বকলীয়াঘাটৰ মামণি বৰাই। সভাত নিৰ্জন মধুমিতা শৰ্মাৰ ৰাতিৰ বুকুভৰা সুহুৰি, জ্যোতিকা দেউৰীৰ সৰি পৰা গোলাপৰ পাহি, সৰোজিনী বসুমতাৰীৰ নীৰৱ নিশাৰ সপোন, কল্লোলিত নদী, ৰেজিনা পাৰবিনৰ ৰোহিণী, এছ আহমেদৰ পলকতে নামনি অসম, কাজি শ্বাহাদত ইছলামৰ মোৰ আঁউসীৰ জোন, ভানুমতী কাকতিৰ নদী আৰু নাৰী উন্মোচন কৰা হয়। নদী আৰু নাৰীৰ মননশীল অনুষ্ঠানত কবি ইছমাইল হোছেইনৰ সঞ্চালনাত প্ৰায় শতাধিক কবিয়ে কবিতা পাঠ কৰে। লগতে নাৰী সমাজক বৌদ্ধিকভাৱে আগুৱাই নিবলৈ কবিতা কুইজ, সাঁথৰ আদি বৌদ্ধিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। সাঁথৰ প্ৰতিযোগিতা পৰিচালনা কৰে কেন্দ্ৰীয় কাব্য সম্পাদিকা দীপিকা ফুকনে আৰু কবিতা কুইজ পৰিচালনা কৰে কবি ৰুনাল্ডো টাইদ আৰু বিপুল শৰ্মাই। সাঁথৰ আৰু কবিতা কুইজ প্ৰতিযোগিতা দুয়োটাতে বিজয়ী হয় শ্ৰুতি ডেকা।



### তেজপুৰতো গৰীব কল্যাণ সন্মিলন

## দহগৰাকী হিতাধিকাৰীক আনুষ্ঠানিক পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১ জুন ঃ** মোদী চৰকাৰৰ ৮ বছৰীয়া শাসনৰ বিশেষ পদক্ষেপ তথা আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি মঙলবাৰে সমগ্ৰ দেশজুৰি আয়োজিত ভাৰ্চুৱেল অনুষ্ঠানৰ সমান্তৰালভাৱে গৰীব কল্যাণ সন্মিলনৰ তেজপুৰত আয়োজন কৰা হয়। তেজপুৰতো শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত কলেজিয়েট হাইস্কুল খেলপথাৰত এই উপলক্ষে আয়োজিত প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ ভাৰ্চুৱেল মীট অনুষ্ঠানত উপস্থিত থাকে অসম চৰকাৰৰ জলসিঞ্চন আৰু নগৰ উন্নয়ন পৰিকল্পনা বিভাগৰ মন্ত্ৰী অশোক সিংঘাল। প্ৰধানমন্ত্ৰী আৱাস যোজনাকে ধৰি সৰ্বমুঠ ১৮খন আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেলী দেশবাসী হিতাধিকাৰীসকলৰ পৰা বুজ লয়। তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা উপস্থিত থকা অনুষ্ঠানত মন্ত্ৰী অশোক সিংঘালে আগবঢ়োৱা বক্তব্যত অসমত নতুনকৈ ৫ লাখ আবেদনকাৰীক প্ৰধানমন্ত্ৰী আৱাস প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি শোণিতপুৰ জিলাৰ প্ৰতিটো বিধানসভা সমষ্টিত ৫ হেজাৰকৈ নতুন হিতাধিকাৰীয়ে প্ৰধানমন্ত্ৰী আৱাস লাভ কৰিব বুলি ঘোষণা কৰে। লগতে কেন্দ্ৰ আৰু অসম চৰকাৰ উভয়ে দুখীয়া লোকৰ হিতৰ অৰ্থে সকলোবোৰ আঁচনি ৰূপায়ণ কৰাৰ লগতে লাভ উঠাবলৈ সক্ষম হোৱা বুলি দাবী কৰে মন্ত্ৰীগৰাকীয়ে। এই অনুষ্ঠানত ১০গৰাকী হিতাধিকাৰীক আনুষ্ঠানিকভাৱে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ লাভৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত বিধায়ক পৃথ্বিৰাজ ৰাভাই আগবঢ়োৱা বক্তব্যত চৰকাৰৰ জনকল্যাণমুখী আঁচনিৰ কথা উল্লেখ কৰি প্ৰসংগক্ৰমে উঠি অহা প্ৰজন্মক কৃষি কৰ্মত নিয়োজিত হ'বলৈ আহ্বান জনায়। জিলা পৰিষদৰ সভানেত্ৰী ডলি চুৰিন, মুখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়া কৰণ, তেজপুৰ পৌৰসভাৰ সভাপতি প্ৰজ্ঞানু ভট্টাচাৰ্য, বিজেপিৰ জিলা সভাপতি বাতাচ ওৰাং আদি উপস্থিত থকা সভাখনত কেবাগৰাকী হিতাধিকাৰীয়ে নিজৰ অনুভৱ ব্যক্ত কৰে।

# ধুবুৰীত ভাৰ্চুৱেল মাধ্যমেৰে 'গৰীব কল্যাণ সন্মিলন'ত অংশগ্ৰহণ হিতাধিকাৰীৰ

### প্ৰধানমন্ত্ৰীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ ধুবুৰীৰ হিতাধিকাৰীৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১ জুন ঃ** আজাদী কা অমৃত মহোৎসৱ উপলক্ষে মঙলবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিমলাৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ সুবিধা লাভ কৰা দেশৰ বিভিন্ন স্থানৰ হিতাধিকাৰীৰ সৈতে মত বিনিময় কৰা, তেওঁলোকক উদ্দেশ্যি ভাষণ প্ৰদান আৰু আনুষ্ঠানিকভাৱে কৃষক সন্মান নিধিৰ একাদশ কিস্তি মোকলাই দিয়াৰ অনুষ্ঠান 'গৰীব কল্যাণ সন্মিলন'ত ভাৰ্চুৱেল মাধ্যমেৰে ধুবুৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত পাঁচ শতাধিক হিতাধিকাৰীয়ে অংশগ্ৰহণ কৰে। ধুবুৰী জিলা প্ৰশাসনে দেশৰ আন জিলাসমূহৰ দৰে প্ৰধানমন্ত্ৰীৰ মত বিনিময় অনুষ্ঠান অনলাইনযোগে পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰে। প্ৰধান মন্ত্ৰী আৱাস যোজনা, প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, জলজীৱন মিছন, প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা আদি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ হিতাধিকাৰী ৰাইজে প্ৰধানমন্ত্ৰীৰ ভাষণ মনোযোগেৰে শুনে আৰু অনায়াসে আঁচনিসমূহৰ সুবিধা পোৱা বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণ আৰম্ভ হোৱাৰ পূৰ্বে পুৱা ৯.৩০ বজাত ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, ধুবুৰী জিলা উপায়ুক্ত অন্বামুথন এম পি, ধুবুৰী পৌৰসভাৰ সভাপতি ডাঃ দেৱময় সান্যাল, প্ৰাক্তন বিধায়ক অশোক কুমাৰ সিংহী, জিলা উন্নয়ন আয়ুক্ত কান্তা দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিশ্বজিৎ গোস্বামী প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত এক চমু অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাই কয় যে পূৰ্বতে আৱাস যোজনা, বৃদ্ধ পেন্সন, বিধৱা পেন্সন সকলোতে মধ্যভোগী আছিল আৰু হিতাধিকাৰীৰ অধিকাংশ ধন হৰলুকী হৈছিল। কিন্তু কেন্দ্ৰত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰ গঠন হোৱাৰ পিছৰে পৰা পৰিস্থিতিৰ সলনি হ'ল। এতিয়া হিতাধিকাৰীৰ একাউন্টত পোনপটীয়াকৈ ধন সোমায়, কোনো মধ্যভোগী নাথাকে। তেওঁ ক'ভিড সংকটৰ সময়ত ৰাইজক সকাহ দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে লোৱা বলিষ্ঠ পদক্ষেপৰ প্ৰসংগ উল্লেখ কৰে। তেওঁ কয়— 'ক'ভিড আৰম্ভ হোৱাৰ সময়ত আমাৰ পিপিই কিটৰ অভাৱ হৈছিল। কিন্তু সময়ৰ লগে লগে মোদী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্ব আৰু দূৰদৰ্শিতাৰ বাবে আজি ভাৰত পিপিই কিট উৎপাদনত বিশ্বৰ আগশাৰীৰ দেশ হৈ পৰিল। আজি বিশ্বৰ বহু দেশ ক'ভিড ভেকচিনৰ বাবে ভাৰতৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে।' যোগ দিৱসৰ জৰিয়তে ভাৰতীয় সংস্কৃতিৰ বৈভৱ যোগক বিশ্বৰ দেশে দেশে জনপ্ৰিয় কৰি তোলাকে ধৰি বিশ্বত ভাৰতৰ বৃদ্ধি পোৱা প্ৰভাৱৰ কথাও সাংসদগৰাকীয়ে উল্লেখ কৰে। জিলা উপায়ুক্তই আদৰণী ভাষণ দিয়া অনুষ্ঠানৰ অন্ত পৰাৰ লগে লগে আৰু প্ৰধানমন্ত্ৰীৰ মত বিনিময় অনুষ্ঠান আৰম্ভ হোৱাৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকা অনুষ্ঠান আৰু তেখেতৰ ভাষণ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত উপস্থিত থকা ৰাইজক পোনপটীয়াকৈ দেখুওৱা হয়।



লখিমপুৰত আম আদমী পাৰ্টীৰ কাৰ্যালয় মুকলি, বুধবাৰে

## চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ধূমপান বিৰোধী দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১ জুন ঃ** দৰঙৰ অন্যতম অগ্ৰণী চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মঙলবাৰে ধূমপান বিৰোধী দিৱস উদ্‌যাপন কৰা হয়। বিদ্যালয় প্ৰাঙ্গণত এই লৈ ছাত্ৰ-ছাত্ৰীসকলক লৈ অনুষ্ঠিত এক সভাত ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে শিক্ষক-শিক্ষয়িত্ৰীসকলে ধূমপানৰ পৰা হ'ব পৰা ক্ষতিকৰ কাৰকবোৰৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰা হয়। শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলক ধূমপান তথা মাদক দ্ৰব্যৰ দৰে বিষাক্ত বস্তুসমূহৰ পৰা হ'ব পৰা ভয়াৱহ বিপদ, যিসমূহৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক আঁতৰি থাকিবলৈ আহ্বান জনায়। জানিব পৰা মতে উল্লিখিত বিদ্যালয়খনত ইতিপূৰ্বেৰে পৰা গুটখাকে ধৰি ৰাগিয়াল তথা মানুহৰ শৰীৰৰ, সমাজৰ ক্ষতি কৰিব পৰা বস্তুসমূহ নিষিদ্ধ কৰা আছে বুলি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।

## বাক্সাৰ সাউদৰভিঠাত বিজেপি কাৰ্যালয়ৰ চুৰি হোৱা সামগ্ৰী উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ১ জুন ঃ** বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত আনন্দ বজাৰ আৰক্ষী চকীৰ অধীনৰ সাউদৰভিঠাত দুমাহ পূৰ্বে উত্তৰ মণ্ডল ভৱানীপুৰ বিজেপিৰ কাৰ্যালয়ৰ পৰা চুৰি হোৱা সামগ্ৰী উদ্ধাৰক লৈ এক হুলস্থুলীয়া পৰিৱেশৰ সূচনা হয়। সাউদৰভিঠাত নিৰ্মীয়মাণ জল জীৱন মিছন আঁচনিত কৰ্মৰত কৰ্মচাৰীৰ অস্থায়ী গৃহৰ পৰা উদ্ধাৰ হয় কেইবাখনো চকীসহ আপত্তিজনক সামগ্ৰী। বিজেপিৰ স্থানীয় কৰ্মীৰ তৎপৰতাত উদ্ধাৰ হয় সামগ্ৰীসমূহ। ইয়াৰ পিছতে আনন্দ বজাৰ আৰক্ষী চকীত খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ জলজীৱন আঁচনিত কৰ্মৰত কেইবাজনো লোকক সোধা-পোছাৰ বাবে কৰাৰ লগতে জব্দ কৰে সামগ্ৰীসমূহ। উল্লেখ্য যে দুমাহ পূৰ্বে সাউদৰভিঠাস্থিত উত্তৰ মণ্ডল বিজেপি কাৰ্যালয়ৰ পৰা চুৰি হৈছিল এখন ভিআইপি চকী, দুখন টেবুল, দুটা ফিল্টাৰ, ২৫খন প্লাষ্টিকৰ চকীৰ লগতে বহুকেইবিধ লাগতিয়াল সামগ্ৰী।

## তেজপুৰ উকীল সন্থাৰ নতুন বিষয়ববীয়াৰ নিৰ্বাচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১ জুন ঃ** ক'ভিডকালীন পৰিস্থিতি হেতু বিগত তিনি বছৰৰ অন্তত সোমবাৰে অনুষ্ঠিত তেজপুৰ উকীল সন্থাৰ বছৰেকীয়া সাধাৰণ সভাৰ জৰিয়তে আগন্তুক কাৰ্যকালৰ বাবে নতুন কাৰ্যনিৰ্বাহক সমিতিও গঠন কৰা হয়। উল্লেখ্য যে সভাপতি পদৰ বাবে ছৈয়দ ইস্কে আলম বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। প্ৰমোদ চন্দ্ৰ শৰ্মা আৰু গিৰীন্দ্ৰ বৰা উপ-সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ উপৰি তুমুল প্ৰতিদ্বন্দ্বিতাৰ মাজেৰে বিৰাজ নাথ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হয়। ৰাজীৱ গোহাঁই আৰু অভিজিৎ ভূঞা সহকাৰী সম্পাদক ৰূপে নিৰ্বাচিত হয়। উল্লেখ্য যে নীলাক্ষ শৰ্মা বিনা প্ৰতিদ্বন্দ্বিতাৰে লাইব্ৰেৰিয়ান পদৰ বাবে নিৰ্বাচিত হয়।




সোণাৰিত আটছাৰ প্ৰতিবাদ

### নগাঁৱত গৰীব কল্যাণ সন্মিলন

## অসমৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰীৰ অৱদান উল্লেখনীয় ঃ কেশৱ মহন্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ আঠ বছৰীয়া কাৰ্যকাল পূৰ্ণ হোৱা আৰু আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি কালি নগাঁৱত 'গৰীব কল্যাণ সন্মিলন' শীৰ্ষক এক অনুষ্ঠান অনুষ্ঠিত হয়। নগাঁও জিলা পুথিভঁৰালৰ সভাগৃহত অনুষ্ঠিত এই অনুষ্ঠানত অংশগ্ৰহণ কৰি অসমৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই কয়— প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে সফলতাৰে আঠ বছৰ পূৰ্ণ কৰিলে। প্ৰধানমন্ত্ৰী মোদীয়ে সাহসেৰে দেশৰ সকলো পৰিস্থিতি মোকাবিলা কৰি ভাৰতবৰ্ষক বিশ্বৰ গুৰুৰাষ্ট্ৰলৈ আগবঢ়াই নিছে। তেওঁৰ নেতৃত্বত দেশৰ সকলো নাগৰিকৰে নিৰাপত্তা নিশ্চিত হৈছে। দেশৰ সকলো অংশৰ উন্নয়নত গুৰুত্ব প্ৰদান কৰি দেশৰ অৰ্থনীতিৰ বিকাশত অৰিহণা যোগাইছে। দেশৰ লগতে অসমক আগুৱাই নিয়াত প্ৰধানমন্ত্ৰীৰ অৱদান উল্লেখনীয়। সেয়ে আজি আমি সমগ্ৰ অসমবাসীয়ে তেওঁক অভিনন্দন জনাইছো আৰু তেওঁৰ ওচৰত আমি কৃতজ্ঞ। এই আঁচনিৰ অধীনত নগাঁও জিলাৰ ৫২,১১০ গৰাকী হিতাধিকাৰী উপকৃত হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে 'গৰীব কল্যাণ সন্মিলন'খনত উপস্থিত থাকি স্বাস্থ্য বিভাগৰ মন্ত্ৰীগৰাকীয়ে 'প্ৰধানমন্ত্ৰী আৱাস যোজনা'ৰ অধীনস্থ বহুকেইগৰাকী হিতাধিকাৰীক আৰ্থিক সহযোগিতা আগবঢ়োৱাৰ উদ্দেশ্যৰে অনুমোদন পত্ৰ প্ৰদান কৰে। অনুষ্ঠানত নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা, নগাঁও জিলা উপায়ুক্ত নিসৰ্গ হিৱৰে, জিলা উন্নয়ন আয়ুক্ত উদয়াদিত্য গগৈকে ধৰি বিষয়াবৰ্গ আৰু হিতাধিকাৰীসকল উপস্থিত থাকে। প্ৰধানমন্ত্ৰীয়ে ভাৰ্চুৱেল পদ্ধতিৰে জনকল্যাণ আঁচনিৰ অধীনত উপকৃত হোৱা হিতাধিকাৰীৰ লগত মত বিনিময় কৰে। ইপিনে সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী কেশৱ মহন্তই কয় যে হিতাধিকাৰীৰ গৃহ নিৰ্মাণৰ বিষয়টো মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা কৰি আছে। ইয়াৰ লগত জড়িত বিষয়াক বিষয়টো পৰ্যবেক্ষণ কৰি গৃহ নিৰ্মাণৰ ক্ষেত্ৰত যাতে কোনো বাধাৰ সৃষ্টি নহয় তাৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছে। কিবা অজুহাত থাকিলে আইনী ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়া হৈছে।

## নলবাৰীত গৰীব কল্যাণ সন্মিলনত উপস্থিত ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হিমাচল প্ৰদেশৰ পৰা ভাৰ্চুৱেলী গৰীব কল্যাণ যোজনাৰ অন্তৰ্গত আঁচনিসমূহৰ বাবে হিতাধিকাৰীসকলৰ লগত মত বিনিময় কৰে। দেশৰ বিভিন্নখন ৰাজ্যৰ লগতে অসমতো ঐতিহাসিক শিৱসাগৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনকল্যাণ আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় আৰু প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অধীনত ১০ কোটিৰো অধিক কৃষকলৈ ২১,০০০ কোটি টকাৰ ১১তম কিস্তি হস্তান্তৰকৰণ কৰাৰ বাবে বৃহৎ ৰাজহুৱা সভাৰ আয়োজন কৰা হয়। এই সভাখন উদ্বোধন কৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই । এই ঐতিহাসিক সভাখন নলবাৰী চহৰস্থিত নাট্য মন্দিৰতো প্ৰদৰ্শন কৰা হয়। বিশিষ্ট শিক্ষাবিদ সঞ্জীৱ গোস্বামীয়ে আঁত ধৰা সভাখনত উপস্থিত থাকে ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, নলবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, জিলা উপায়ুক্ত গীতিমণি ফুকন, জিলা পৰিষদৰ সভাপতি নিতুল ডেকাকে প্ৰমুখ্য কৰি বিশিষ্ট লোক আৰু স্থানীয় ৰাইজ। সকলো গৰীব কল্যাণৰ বাবে লোৱা কেইবাখনো আঁচনিভুক্ত এইখন এক ঐতিহাসিক সভা বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু বিধায়ক জয়ন্ত মল্ল বৰুৱাই মত প্ৰকাশ কৰে। লগতে টেট শিক্ষকৰ ক্ষেত্ৰত কোনো জটিলতা নাই বুলি উল্লেখ কৰে, লগতে অনাগত সময়ত যদি বিভিন্ন বিদ্যালয়ৰ পদসমূহ মুকলি হয় তেন্তে পদসমূহ পৰ্যায়ক্ৰমে মুকলি কৰি দিব বুলিও উল্লেখ কৰে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে।

## ধেমাজি জিলাত গৰীব কল্যাণ সন্মিলন সফলতাৰে সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ১ জুন ঃ** কালি সমগ্ৰ দেশৰ লগতে ধেমাজি জিলাতো প্ৰধানমন্ত্ৰীৰ গৰীব কল্যাণ সন্মিলন ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত সফলতাৰে অনুষ্ঠিত কৰা হয় । অনুষ্ঠানটো ভাৰ্চুৱেলী সভাপতিত্ব কৰে মাননীয় সাংসদ প্ৰদান বৰুৱাই । উপায়ুক্ত অসীম কুমাৰ ভট্টাচাৰ্যই উপস্থিত সকলো সদস্যক আদৰণি জনোৱাৰ লগতে সন্মিলনৰ উদ্দেশ্য ব্যাখ্যা কৰে আৰু সন্মিলনৰ বাবে তালিকাভুক্ত ১৫ খন আঁচনি ৰূপায়ণৰ বিষয়ে এক চমু স্থিতি বৰ্ণনা কৰে। তাৰ পিছত অনুষ্ঠানটো শিৱসাগৰত মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আয়োজিত ৰাজ্যিক সমাৰোহৰ সৈতে লাইভ সংযোগ হয়। লগে লগে ১০:৫০ বজাত কাৰ্যসূচীটো হিমাচল প্ৰদেশৰ ছিমলাৰ সৈতে লাইভ সংযোগ কৰা হৈছিল। তাৰে পৰা মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই লেহ-লাডাখ, বিহাৰ, পশ্চিম ত্ৰিপুৰা, কৰ্ণাটক আৰু গুজৰাটৰ হিতাধিকাৰীসকলৰ সৈতে টেলিকনফাৰেন্সিঙৰ জৰিয়তে বাৰ্তালাপ কৰে। ইয়াৰ লগে লগে দেশবাসীক উদ্দেশ্য কৰি বক্তব্য ৰাখে। উক্ত কাৰ্যসূচীত প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ ১১তম কিস্তিও মুকলি কৰি দিয়া হয়। উক্ত অনুষ্ঠান সকলো মিডিয়া প্লেটফৰ্ম যোগে সমগ্ৰ ৰাষ্ট্ৰৰ প্ৰত্যেকখন জিলাতে লাইভ প্ৰচাৰ কৰা হয়। ধেমাজিৰ অনুষ্ঠানটোত স্বাধীনতা সংগ্ৰামী টংক বৰা, অন্যান্য স্বাধীনতা সংগ্ৰামীসকলৰ পৰিয়াল, জিলাখনৰ বিশিষ্ট ব্যক্তি, আগশাৰীৰ নাগৰিকসকল, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰফুল্ল কুমাৰ দেউৰী, জিলা পৰিষদৰ অধ্যক্ষ মোহন গগৈ, জিলা উন্নয়ন আয়ুক্ত অৰূপ পাঠক, অতিৰিক্ত উপায়ুক্ত উৎপল দলে, উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ তোলন কোঁৱৰ, ধেমাজি পৌৰসভাৰ অধ্যক্ষ দীপৰেখা দাস বাঘ্ৰী, বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকল, জনপ্ৰতিনিধিসকল, সাংবাদিক বন্ধুসকল, ১৫খন তালিকাভুক্ত আঁচনিৰ হিতাধিকাৰীসকলেও কাৰ্যসূচীটোত অংশগ্ৰহণ কৰে।

## লিগিৰীপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত ধঁপাত বিৰোধী সজাগতা অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১ জুন ঃ** নাজিৰাৰ অগ্ৰণী শিক্ষানুষ্ঠান লিগিৰীপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত কালি এক ধঁপাত বিৰোধী সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হয়। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক হৰেশ গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত বিদ্যালয়খনৰ আন এগৰাকী শিক্ষক তথা বিদ্যালয়ৰ ইক' ক্লাবৰ তত্ত্বাৱধায়ক সিদ্ধাৰ্থ বৰগোহাঁয়ে ছাত্ৰ-ছাত্ৰীসকলক বিশ্বত ধঁপাতজাতীয় সামগ্ৰীৰ প্ৰসাৰতাৰ হেতু সৃষ্টি হোৱা ভয়াৱহ পৰিস্থিতি সন্দৰ্ভত বিশদ ব্যাখ্যা আগবঢ়ায়। শিক্ষক হৰেশ গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলক ধঁপাত জাতীয় সামগ্ৰীৰ ব্যৱহাৰ ৰোধ কৰাৰ ক্ষেত্ৰত বলিষ্ঠ ভূমিকা ল'বলৈ আহ্বান জনোৱাৰ লগতে শেহতীয়াকৈ বিশ্বজুৰি ভয়াৱহ ৰূপ ধাৰণ কৰা কৰ্কট ৰোগৰ দ্ৰুত প্ৰসাৰতাৰ অন্যতম কাৰণ ধঁপাত জাতীয় সামগ্ৰী বুলি উল্লেখ কৰে।

## ৰঙাপৰাত বিজেপি কৃষক মৰ্চাৰ উদ্যোগত গৰীব কল্যাণ সন্মিলন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১ জুন ঃ** দেশৰ অন্যান্য অংশৰ লগতে কালি শোণিতপুৰ জিলাতো স্বাধীনতাৰ অমৃত মহোৎসৱৰ উপলক্ষত কেন্দ্ৰীয় আঁচনিৰ হিতাধিকাৰীৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাৰ্তালাপ অনুষ্ঠান অনুষ্ঠিত হয়। এই উপলক্ষে ৰঙাপৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত সোণাজুলি নাথ গাঁৱত বিজেপি কৃষক মৰ্চাৰ উদ্যোগত অনুষ্ঠিত গৰীব কল্যাণ সন্মিলনত অংশগ্ৰহণ কৰি কৃষক মৰ্চাৰ ৰঙাপৰা মণ্ডলৰ সভাপতি কমল শৰ্মা বৰুৱাই কয় যে দৰিদ্ৰজনৰ উন্নয়নৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে আঁচনিসমূহৰ সঠিক ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সেয়ে এতিয়া দেশৰ পৰিস্থিতি সলনি হ'ব ধৰিছে বুলি তেওঁ কয় । তেওঁ উল্লেখ কৰে যে দেশৰ স্বাধীনতাৰ ৭৫ বৰ্ষ পূৰ্তি উপলক্ষে অনুষ্ঠিত এয়া অভিনৱ আৰু অভিলাষী কাৰ্যসূচী, যাৰ দ্বাৰা প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একে সময়তে দেশৰ সকলো প্ৰান্তৰ প্ৰতিখন জিলাৰ লক্ষাধিক দৰিদ্ৰ লোকৰ সৈতে ভাৰ্চুৱেলী সংযোগ স্থাপন কৰিছে। প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি যোজনাৰ একাদশ কিস্তিৰ ২,০০০ টকা কৃষকসকলৰ একাউণ্টত আজি জমা হ'ব বুলিও তেওঁ উল্লেখ কৰে। ১১ তম কিস্তিটো যোৱা বছৰৰ ৰেকৰ্ডৰ ওপৰত আধাৰিত কৰি পৰিশোধ কৰা হৈছে বুলি তেওঁ কয়। কৃষক মৰ্চা ৰঙাপৰা মণ্ডলৰ সম্পাদক ৰত্নেশ্বৰ নাথে আঁত ধৰা সভাত প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি যোজনাৰ প্ৰপত্ৰও প্ৰদান কৰা হয়।



বিশ্ব পৰিৱেশ দিৱসৰ প্ৰাক্‌মুহূৰ্তত ৰোপণৰ বাবে সাজু কৰা বিভিন্ন প্ৰকাৰৰ গছপুলি, কলিয়াবৰত

## ডি এইচ এছ কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় ধঁপাত বিৰোধী দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১ জুন ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ এন এছ এছ গোট, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত কালি আন্তঃৰাষ্ট্ৰীয় ধঁপাত বিৰোধী দিৱস পালন কৰা হয়। কানৈ মহাবিদ্যালয় এন এছ এছৰ প্ৰগ্ৰেম অফিচাৰ ড° বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই উদ্বোধনী ভাষণ প্ৰসংগত কয়— বৰ্তমান সময়ত আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত কেনেধৰণেৰে ধঁপাত আৰু ইয়াৰ উৎপাদিত সামগ্ৰীৰ কু-প্ৰভাৱ পৰিছে তাৰ বিষয়ে বিস্তৃত ৰূপত ছাত্ৰ-ছাত্ৰী তথা এন এছ এছৰ স্বেচ্ছাসেৱকসকলক অৱগত কৰে। ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই উল্লেখ কৰে যে বৰ্তমান সময়ত প্ৰত্যক্ষভাৱে ধঁপাতজাতীয় দ্ৰব্যৰ সেৱনে পৃথিৱীত প্ৰায় আঠ নিযুত লোকৰ প্ৰাণ কাঢ়ি নিছে। সমান্তৰালভাৱে এখন তৃতীয় বিশ্বৰ ৰাষ্ট্ৰ হিচাপে ভাৰতবৰ্ষত ধঁপাত জাতীয় সামগ্ৰীৰ ব্যৱহাৰ ব্যাপক ৰূপে বৃদ্ধি পাইছে। এই ক্ষেত্ৰত অসমৰ প্ৰায় তেৰ লাখ ধঁপাত জাতীয় সামগ্ৰী সেৱন কৰা লোকে এদিনৰ ভিতৰতে ৬৬ লাখ চিগাৰেট সেৱন কৰে। এই তথ্যসমূহ ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰাৰ লগতে কি ধৰণেৰে আমি আমাৰ যুৱ প্ৰজন্মক ধঁপাত জাতীয় সামগ্ৰী সেৱনৰ পৰা বিৰত কৰি ৰাখিব পাৰো আৰু এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ কৰণীয় কামসমূহৰ বিষয়েও অৱগত কৰে। অনুষ্ঠানটিত ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° নিৰ্মালি পেগু, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° মৃদুল শৰ্মাকে প্ৰমুখ্য কৰি ভালেকেইজন অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি আন্তঃৰাষ্ট্ৰীয় ধঁপাত বিৰোধী দিৱসটি সাফল্যমণ্ডিত কৰে। শেষত শলাগৰ শৰাই আগবঢ়ায় ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° নিৰ্মালি পেগুৱে।

## ধঁপাতবিৰোধী দিৱসত মাদক দ্ৰব্য নিবাৰণী মঞ্চ আৰু আৰ্লী বাৰ্ডছৰ যুটীয়া উদ্যোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ জুন ঃ** কালি বামুণীমৈদামৰ নিউ গুৱাহাটী আদৰ্শ বিদ্যালয়ত আৰ্লী বাৰ্ডছ আৰু মাদক দ্ৰব্য নিবাৰণী মঞ্চৰ যুটীয়া প্ৰচেষ্টাত নৱম আৰু দশম শ্ৰেণীৰ প্ৰথম তিনিটা স্থান অধিকাৰ কৰা ছাত্ৰ-ছাত্ৰীসকলক দুয়োটা অনুষ্ঠানৰ পৰা বিভিন্ন কিতাপ আৰু আলোচনীৰে পুৰস্কৃত কৰাৰ লগতে শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীক আৰ্লী বাৰ্ডছ আৰু মাদক দ্ৰব্য নিবাৰণী মঞ্চৰ গোহাৰি-পত্ৰ বিতৰণ কৰা হয় । এই গোহাৰি-পত্ৰত বিভিন্ন নিচাযুক্ত দ্ৰব্যৰ অপকাৰিতা যেনে- ভাং খালে মগজু ক্ষয় হোৱা, হাওঁফাওঁ আৰু হৃদৰোগৰ সম্ভাৱনা, যকৃৎ অকামিলা হোৱা, সুৰা খালে পাকস্থলীৰ ৰক্তক্ষৰণ হোৱা আৰু যকৃৎ অকামিলা হৈ ফুলি পেটত পানী জমা হোৱা, বৃক্কযন্ত্ৰ অকামিলা হৈ শেষত মৃত্যু মাতি অনা, হেৰ'ইন ল'লে খাদ্যতন্ত্ৰৰ ক্ষৰণ শক্তি কমায় আৰু ভোক হৰণ কৰা ইত্যাদি কথা বৰ্ণনা কৰি ছাত্ৰ-ছাত্ৰীসকলক এইবোৰৰ পৰা দূৰত থাকিবলৈ আহ্বান জনোৱা হয় । এনে নিচাজাতীয় দ্ৰব্য গ্ৰহণ কৰিলে টোপনি নোহোৱা, ভোক নলগা, শাৰীৰিক আৰু মানসিকভাৱে ভাগি পৰা আৰু শেষত মতিভ্ৰম হৈ মৃত্যু হোৱাৰ অজস্ৰ উদাহৰণ দাঙি ধৰা হয় । আৰ্লী বাৰ্ডছৰ সভাপতি আৰু মঞ্চৰ সাধাৰণ সম্পাদক মলয় বৰুৱাৰ লগত উপস্থিত থাকে আৰ্লী বাৰ্ডছৰ মনোজ তামুলী আৰু নিবাৰণী মঞ্চৰ কুমুদ চন্দ্ৰ ডেকা । উল্লেখযোগ্য যে এই সপ্তাহৰ ভিতৰতে আন দুখন বিদ্যালয়, গুৱাহাটী ৰিফাইনেৰী হাইস্কুল আৰু চানমাৰি কলনীৰ পূব গুৱাহাটী আদৰ্শ উচ্চ বিদ্যালয়ত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

## তেজপুৰত দুই ড্ৰাগ্‌ছ সেৱনকাৰীক কৰায়ত্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১ জুন ঃ** ৰাজ্যজুৰি কালি বিশ্ব ধঁপাত বিৰোধী দিৱস উদ্‌যাপন হৈ থকাৰ সময়তে তেজপুৰত নিচাসক্ত লোকৰ বিৰুদ্ধে ওলাই আহিল ৰাইজ। ড্ৰাগ্‌ছ সেৱন কৰাৰ মুহূৰ্ততে দুই ড্ৰাগ্‌ছ সেৱনকাৰীক হাতে-লোটে কৰায়ত্ত কৰি ৰাইজে আৰক্ষীক চমজাই দিয়া ঘটনাই চহৰখনত চাঞ্চল্যৰ সৃষ্টি কৰে। ঘটনাৰ বিৱৰণী অনুসৰি তেজপুৰৰ মৰাভৰলী নৈৰ পাৰত গৰমৰ অছিলা লৈ একাংশ যুৱকে মদ-ভাং-জুৱাৰ আড্ডা বহুওৱাৰ সমান্তৰালকৈ একাংশ যুৱক ড্ৰাগ্‌ছৰ প্ৰতি শেহতীয়াকৈ আকৃষ্ট হৈছে বুলি অভিযোগ উত্থাপিত হৈ আহিছিল। এনে প্ৰেক্ষাপটৰ মাজতে আজি বিয়লি অঞ্চলটোত একাংশ যুৱকে ড্ৰাগ্‌ছ সেৱন কৰাৰ কথা জানিব পাৰি স্থানীয় লোকে তেজপুৰ গাৰোৱানপট্টিৰ কুনাল দাস আৰু ধনোৱানগৰৰ মিন্টু পাল নামৰ দুই যুৱকক হাতে-লোটে কৰায়ত্ত কৰাতে ক্ষান্ত নাথাকি লপাথপা দি স্থানীয় মহাভৈৰৱ আৰক্ষীক চমজাই দিয়ে।

**INTERVIEW POSTPONEMENT NOTICE**

**THE GAUHATI HIGH COURT AT GUWAHATI**

(The High Court of Assam, Nagaland, Mizoram and Arunachal Pradesh)

The *Walk-in-Interview* for one post of Front Office Coordinator (contractual) in the office of Gauhati High Court Legal Services Committee, Guwahati, which was scheduled to be held on 04-06-2022 (Saturday), has been postponed. Fresh date of the Interview will be notified in due course.

Sd/-
Registrar (Administration),
Gauhati High Court, Guwahati

Janasanyog /D/4574/22

## শোণিতপুৰৰ গুণোৎসৱৰ গোপনীয় সামগ্ৰী কঢ়িয়াই অনা বাহন দুৰ্ঘটনাগ্ৰস্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১ জুন ঃ** শোণিতপুৰ জিলাৰ গুণোৎসৱত ব্যৱহাৰ কৰিব লগা গোপনীয় সামগ্ৰী কঢ়িয়াই অনা এখন ডি আই ট্ৰাক যোৱা নিশা ১২.৩০ বজাত নগাঁৱৰ সমীপৱৰ্তী অঞ্চলত দুৰ্ঘটনাত পতিত হয়। জানিব পৰা মতে জিলাখনৰ শিক্ষা বিষয়া কৃষ্ণকান্ত ডেকাৰ নেতৃত্বত যোৱা শিক্ষা বিভাগৰ কৰ্মচাৰী দলটো আহি এখন ইন'ভা গাড়ীৰে সামগ্ৰী কঢ়িওৱা গাড়ীৰ লগে লগে আহি থকা অৱস্থাত গাভৰু শিক্ষাখণ্ডৰ সামগ্ৰী কঢ়িয়াই অনা ডি আই ট্ৰাকখনে নিয়ন্ত্ৰণ হেৰুৱাই নদুৱাৰ শিক্ষা খণ্ডৰ সামগ্ৰী কঢ়িয়াই অনা গাড়ীখনত প্ৰচণ্ড বেগেৰে খুন্দা মৰাত এই দুৰ্ঘটনা সংঘটিত হয় যদিও কোনো লোক আহত হোৱা নাই। অৱশ্যে এই দুৰ্ঘটনাত গাড়ীখনৰ যথেষ্ট ক্ষতিসাধন হয়। নিশাই তেজপুৰৰ পৰা আন এখন গাড়ীৰে গুণোৎসৱৰ গুৰুত্বপূৰ্ণ সামগ্ৰীসমূহ কঢ়িয়াই অনা হয় আৰু দুৰ্ঘটনাত পতিত হোৱা বাহনখন নগাঁও সদৰ আৰক্ষী থানাত ৰখা হয়।

### তেজপুৰত বিভিন্ন অনুষ্ঠানৰ বিশ্ব ধঁপাত বিৰোধী দিৱস উদ্‌যাপন

## চৰকাৰী কন্যা বিদ্যালয়ৰ সজাগতা শোভাযাত্ৰা আৰু বাটৰ নাটে মুগ্ধ কৰিলে ৰাইজক

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কালি তেজপুৰতো বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে বিশ্ব ধঁপাত বিৰোধী দিৱস-২০২২ উদ্‌যাপন কৰে। গিৰিজানন্দ চৌধুৰী ইনষ্টিটিউট অৱ ফাৰ্মাচিউটিকেল ছায়েন্স, চমুকৈ জি আই পি এছ তেজপুৰৰ উদ্যোগত আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ সহযোগত কালি এই উপলক্ষে জি.আই.পি.এছ-তেজপুৰৰ চেমিনাৰ হলত বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানটিত দুয়োখন স্বাস্থ্য শিক্ষা প্ৰতিষ্ঠানৰে অধ্যাপক, গৱেষক, কৰ্মচাৰী তথা শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিৰ আঁত ধৰে আহ্বায়ক তথা সহ:অধ্যাপক উদ্ধৱ পটংগীয়াই। সভাৰ আদৰণী ভাষণত জি.আই.পি.এছ.-তেজপুৰৰ অধ্যক্ষ ডঃ আব্দুল বাকী আহমেদ ডাঙৰীয়াই ধঁপাত বিৰোধী দিৱস উদ্‌যাপনৰ লক্ষ্য আৰু প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। এইবেলি বিশ্ব ধঁপাত দিৱস-২০২২ ৰ বিষয়বস্তু হ'ল পৰিৱেশ ৰক্ষা। এই বিষয়ত তথ্যসমৃদ্ধ বক্তব্য ৰাখে মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ ক্লিনিকেল চাইক'লজী বিভাগৰ সহঃ অধ্যাপক ডঃ ৰাজেশ কুমাৰে। অনুষ্ঠানটিত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে তেজপুৰ ছায়েন্স একাডেমীৰ অধ্যক্ষা সুৰঞ্জনা শৰ্মাই । বৰ্তমান বিশেষকৈ যুৱচামৰ মাজত পৰিলক্ষিত হোৱা ধঁপাত জাতীয় সামগ্ৰী সেৱনৰ প্ৰৱণতাৰ ওপৰত বক্তব্য প্ৰদান কৰে মানসিক স্বাস্থ্য প্ৰতিষ্ঠানখনৰ চাইকিয়েট্ৰিক ছ'চিয়েল ৱৰ্ক বিভাগৰ সহ:অধ্যাপক ডঃ আৰিফ আলীয়ে। ধঁপাত তথা অন্য নিচাজাতীয় সামগ্ৰীয়ে শাৰীৰিক ক্ষয়-ক্ষতিৰ বাহিৰেও মানসিকভাৱে এজন লোকক অত্যধিক পৰিমাণে ক্ষতিগ্ৰস্ত কৰে। চাইকিয়েট্ৰিক নাৰ্ছিং বিভাগৰ প্ৰশিক্ষক বৰষা শেনচোৱাই শিক্ষাৰ্থীসমূহক নিচাজাতীয় সামগ্ৰী সেৱনৰ পৰা বিৰত ৰাখিবলৈ কলেজসমূহত মানসিক স্বাস্থ্য সম্পৰ্কীয় অনুষ্ঠানৰ প্ৰয়োজনীয়তাৰ বিষয়ে বিতংভাৱে বৰ্ণনা কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত শেষৰ ফালে গৱেষক মনাস্পিকা দাসৰ দ্বাৰা চুটি ছবি প্ৰদৰ্শন তথা আলোচনা কাৰ্যসূচী ৰখা হয়। অনুষ্ঠানৰ শেষত কৃতজ্ঞতাৰ শৰাই আগবঢ়ায় সহ:অধ্যাপক ফৰুক আলীয়ে। আনহাতে বিশ্ব ধূমপান বিৰোধী দিৱস উপলক্ষে কালি তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়ে সজাগতা শোভাযাত্ৰা আৰু বাটৰ নাটেৰে তেজপুৰ চহৰত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰে। বিদ্যালয়ৰ অধ্যক্ষা ভাৰতী দাসে শুভাৰম্ভ কৰা অনুষ্ঠানটিত প্ৰথমে ছাত্ৰীসকলৰ মাজত এক সজাগতা সভাৰ আয়োজন কৰা হয়। ইয়াৰ পিছত ৭৩ নং অসম ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ উদ্যোগত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ বিষয়া বৰ্ণালী শইকীয়াৰ নেতৃত্বত বিদ্যালয়ৰ ছাত্ৰীসকলে চহৰখনৰ মাজমজিয়াইদি এক সমদল উলিয়াই জনসাধাৰণৰ মাজত এই বিষয়ে সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰে। আমাৰ সমাজৰ কাল ব্যাধি হৈ পৰা মাৰাত্মক এই নিচা জাতীয় সামগ্ৰীসমূহে কেনেকৈ উঠি অহা যুৱ প্ৰজন্মক তিলতিলকৈ ধ্বংস কৰিছে, এই বিষয়ে গভীৰভাৱে আলোকপাত কৰি বিভিন্ন প্লেকাৰ্ডো প্ৰদৰ্শন কৰা হয় । এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি কেডেটসকলে এখন বাটৰ নাটো বাছ আস্থান তিনিআলিত মঞ্চস্থ কৰে। সেইদৰে স্থানীয় জিলা ন্যায়িক আদালত চৌহদতো বিশ্ব ধঁপাত বিৰোধী দিৱস উপলক্ষে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। ইফালে ভাৰতীয় চিকিৎসা সেৱা সন্থাৰ তেজপুৰ শাখাইও নিজা কাৰ্যালয়ত ধঁপাত বিৰোধী দিৱস উদ্‌যাপন কৰে।

**সৰুসজাইত ৰাজ্যিক মাষ্টাৰছ এথলেটিক্‌ছ প্ৰতিযোগিতাৰ শুভাৰম্ভ**

# ৰাজ্যৰ ৩ শতাধিক এথলীটৰ অংশগ্ৰহণ




**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ১ জুন ঃ** অসম এথলেটিকচ্‌ সন্থাৰ উদ্যোগত আজিৰে পৰা দুদিনীয়াকৈ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আৰম্ভ হ'ল প্ৰথম বাৰ্ষিক ৰাজ্যিক মুকলি মাষ্টাৰ এথলেটিকচ্‌ প্ৰতিযোগিতা। পুৰুষ আৰু মহিলা উভয়ৰে ৩৫ বছৰ উৰ্দ্ধৰ পৰা ৯০ বছৰ উৰ্দ্ধৰ প্ৰায় ৩ শতাধিক খেলুৱৈয়ে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিছে। ৫০০০ মিটাৰ দৌৰ ইভেণ্টেৰে আৰম্ভ হোৱা প্ৰতিযোগিতাখনৰ শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ-কল্যাণ বিভাগৰ সঞ্চালক নিৰেদন দাস পাটোৱাৰী, অসম এথলেটিকচ্‌ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰ, অসম এথলেটিকচ্‌ সন্থাৰ সম্পাদক অশোক ভড়ালীৰ লগতে অসম এথলেটিকচ্‌ সন্থাৰ বহুকেইগৰাকী বিষয়-ববীয়া। ক্ৰীড়াৰ সৈতে জড়িত হৈ ক্ৰীড়াক্ষেত্ৰত অসমৰ নাম উজলাই তুলিবলৈ ক্ৰীড়া বিভাগৰ সঞ্চালক গৰাকীয়ে খেলুৱৈসকলক উদ্দেশ্যি মন্তব্য আগবঢ়ায়। দুদিনীয়াকৈ অনুষ্ঠিত এই প্ৰতিযোগিতাৰ প্ৰথম দিনা দৌৰ, হাইজাম্প আৰু থ্ৰ' ইভেণ্টৰ খেলসমূহ অনুষ্ঠিত হয়। প্ৰতিযোগিতাত খেলুৱৈসকলৰ প্ৰদৰ্শন আৰু উৎসাহে দৰ্শকক আপ্লুত কৰি ৰাখে।

# ফ্ৰেন্স অপেনৰ পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰত ডক'ভিচক হৰুৱাই ছেমিত নাডাল

**পেৰিছ, ১ জুন ঃ** বিশ্বৰ ক্ৰীড়াপ্ৰেমীৰ দৃষ্টি থকা চলিত ফ্ৰেন্স অপেনৰ পুৰুষৰ একক শাখাৰ দুই তাৰকাৰ মাজৰ কোৱাৰ্টাৰ ফাইনেলত ৰাফেল নাডালে আৰু ন'ভাক ডক'ভিচক ৬-২, ৪-৬, ৬-২, ৭-৬ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে বিশ্ব টেনিছৰ দুই মহাৰথী ৰাফেল নাডাল আৰু ন'ভাক ডক'ভিচৰ দৃষ্টিনন্দন আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ৰুচিসম্পন্ন খেল উপভোগ কৰাৰ বাবে উৎকণ্ঠাত আছিল বিশ্বৰ ক্ৰীড়াপ্ৰেমী। ইয়াৰপূৰ্বে চতুৰ্থ ৰাউণ্ডৰ এখন মেচত ক্লে' কোৰ্টৰ বাদশ্বাহ ৰাফেল নাডালে পাঁচটা ছেটৰ এক ধ্ৰুপদী মেচৰ অন্তত কানাডাৰ ফেলিক্স অগাৰ-এলিয়াচিমক ৩-৬, ৬-৩, ৬-২, ৩-৬, ৬-৩ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰত প্ৰৱেশ কৰিছিল। উল্লেখ্য যে ৰোঁলা গেৰোঁৰ ইতিহাসত আটাইতকৈ সফল টেনিছ তাৰকা হিচাপে



পৰিচিত ১৩ বাৰৰ চেম্পিয়ন নাডালে ফেলিক্সক পৰাস্ত কৰিবলৈ চাৰি ঘণ্টা ২১ মিনিট ধৰি যুঁজত অৱতীৰ্ণ হ'বলগীয়া হয়। কেৰিয়াৰৰ ১৭ সংখ্যক ফেন্স অপেন টুৰ্ণামেণ্টত অৱতীৰ্ণ হোৱা নাডালে প্ৰতিযোগিতাখনত এতিয়ালৈকে ১১১ খন খেলত ভাগ লৈছে আৰু কেৱল তৃতীয়বাৰৰ বাবে এইদৰে বিপক্ষৰ বিৰুদ্ধে এখন মেচত পাঁচটাকৈ ছেট খেলিবলগীয়া হৈছিল। কিন্তু যোৱানিশা নাডাল অতিমানৱ হৈ পৰে ক'ৰ্টত। ইফালে, বিশ্বৰ শীৰ্ষ স্থানৰ খেলুৱৈ তথা ডিফেণ্ডিং চেম্পিয়ন ন'ভাক ডক'ভিচে আন এখন মেচত আৰ্জেণ্টিনাৰ ডিয়েগো শ্বৱাৰ্টজমেনৰ বিৰুদ্ধে ৬-১, ৬-৩, ৬-৩ ব্যৱধানত জয়েৰে অন্তিম আঠত স্থান নিশ্চিত কৰিছিল। উল্লেখ্য যে ডক'ভিচ নাডালৰ মুখামুখিৰ পূৰ্বে ৰোঁলা গেৰোঁ টুৰ্ণামেণ্টত এটাও ছেটত পৰাস্ত হোৱা নাছিল। চলিত মাহৰ আৰম্ভণিতে ইটালিয়ান অপেন জয়ৰ পিছত ডক'ভিচে ধাৰাবাহিকভাৱে ২২ টা ছেটত অপৰাজেয় হৈ আছিল। কিন্তু যোৱানিশা গৌৰৱৰ অন্ত পৰে। উল্লেখ্য যে নাডাল আৰু ডক'ভিচে কেৰিয়াৰত ৬০ সংখ্যক বাৰৰ বাবে পৰস্পৰ সন্মুখীন হৈছে। নাডালে ২৯ বাৰ জয়ৰ মুখ দেখাৰ বিপৰীতে ডক'ভিচ জয়ী হৈছে ৩০ খন মেচত। আনহাতে ৰোঁলা গেৰোঁত দুয়োগৰাকী তাৰকা ১১ বাৰৰ বাবে প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হয়। ইয়াৰ পূৰ্বৰ ১০ বাৰৰ মুখামুখিত নাডালে সাত বাৰ জয় সাব্যস্ত কৰাৰ বিপৰীতে জক'ভিচে তিনিবাৰ জয়ী হ'বলৈ সক্ষম হৈছে। বিগত ফ্ৰেন্স অপেনত দুয়োগৰাকী তাৰকা ছেমিফাইনেলত মিলিত হৈছিল। নাডালক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰা ডক'ভিচে সেইবাৰ দ্বিতীয়বাৰৰ বাবে ফ্ৰেন্স অপেন খিতাপ জয় কৰিছিল। কেৰিয়াৰত অভিলেখ সংখ্যক ২১ বাৰৰ গ্ৰেণ্ডশ্লেম বিজয়ী নাডালে টেনিছ ইতিহাসত সৰ্বাধিক গ্ৰেণ্ডশ্লেম খিতাপ জয়ী হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছে। আনহাতে, এই তালিকা নাডালৰ পিছতে যুটীয়াভাৱে দ্বিতীয় স্থানত আছে ডক'ভিচ। ছাৰ্বিয়ান তাৰকাগৰাকীয়ে এই পৰ্যন্ত ২০ টা গ্ৰেণ্ডশ্লেম খিতাপ জয় কৰিছে। আন এজন টেনিছ কিংবদন্তি ছুইজাৰলেণ্ডৰ মহাতাৰকা ৰ'জাৰ ফেডাৰাৰৰ নামতো আছে ২০ টা গ্ৰেণ্ডশ্লেম খিতাপ জয়ৰ ৰেকৰ্ড।

# এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতৰ ব্ৰঞ্জ লাভ

**জাকাৰ্টা, ১ জুন ঃ** বিগত বৰ্ষৰ চেম্পিয়ন ভাৰতে চলিত এছিয়া কাপ হকী প্ৰতিযোগিতাত ব্ৰঞ্জ লাভ কৰি ঘৰলৈ প্ৰত্যাৱৰ্তন কৰিলে। আজি হোৱা তৃতীয় স্থানৰ মেচত ভাৰতে একমাত্ৰ গ'লত পৰাস্ত কৰে জাপানক। ৰাজকুমাৰ পালে দিয়া গ'লৰ জড়িয়তে মেচত জয়ী হয় ভাৰত। উল্লেখ্য যে দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে খেলা ছেমিফাইনেল লীগৰ অন্তিম মেচখনত ড্ৰ খেলাৰ বাবে ফাইনেলত প্ৰৱেশ কৰাত ব্যৰ্থ হৈছিল ভাৰত। এই মেচ দলৰ বাবে গুৰুত্বপূৰ্ণ আছিল খিতাপৰ যুঁজত স্থান নিশ্চিতৰ বাবে। কিন্তু ভাৰতে ৪-৪ গ'লত ড্ৰ' খেলি আশাহত হয়। দক্ষিণ কোৰিয়াই ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে আনএখন মেচত মালয়েছিয়াই ৫-০ গ'লৰ ব্যৱধানত জাপানক হৰুৱাই খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়। উল্লেখ্য যে ছুপাৰ ৪ ৰ দ্বিতীয়খন ভাৰতে ৩-৩ গ'লত ড্ৰ' খেলিছিল মালয়েছিয়াৰ বিৰুদ্ধে। ইয়াৰপূৰ্বে ছুপাৰ ৪ ৰ প্ৰথমখন খেলত ভাৰতে জাপানক ২-১ গ'লত পৰাস্ত কৰিছিল। উল্লেখ্য যে এছিয়া কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপৰ প্ৰথমখন মেচত পাকিস্তানেৰে ড্ৰ খেলাৰ পিছত দ্বিতীয়খন




মেচত ২-৫ গ'লৰ ব্যৱধানত জাপানৰ বিৰুদ্ধে পৰাস্ত হৈছিল ভাৰতীয় পুৰুষ দলটো। কিন্তু গ্ৰুপৰ অন্তিমখন মেচত ভাৰতীয় পুৰুষ হকী দলে ইণ্ডোনেছিয়াৰ বিৰুদ্ধে ১৬-০ গ'লত জয়ী হৈ চমক সৃষ্টিৰে ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। কিন্তু সেই চমক ছেমিফাইনেল লীগত ধৰি ৰাখিব নোৱাৰিলে।

# যোগ ক্ৰীড়াৰ কৰ্মশালা আৰম্ভ

**গুৱাহাটী, ১ জুন ঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া টুকটুকীত অৱস্থিত কটহগুৰি মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (এন এছ এছ) গোটৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত কটহগুৰি মহাবিদ্যালয়ত দহদিনীয়া এক যোগ ক্ৰীড়াৰ কৰ্মশালা আৰম্ভ হৈছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ খাইৰুল ইছলামে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা এই যোগ কৰ্মশালাৰ আৰম্ভণিতে উদ্দেশ্য বাখ্যা কৰে মহাবিদ্যালয়খনৰ এন এছ এছ গোটৰ আঁচনি বিষয়া তথা সহকাৰী অধ্যাপক মোজামিল হুছেইন খন্দকাৰে। সহকাৰী অধ্যাপক ইকবাল বাহাৰ চৌধৰী, ৰেকিব আহমেদ ফকীৰকে ধৰি মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা,কৰ্মচাৰীসকলে ভাগলোৱা কৰ্মশালাৰ শুভাৰম্ভণি অনুষ্ঠানত অসম যোগ সংস্থাৰ যুটীয়া সম্পাদক সমীৰ হাজৰিকা,ৰাষ্ট্ৰীয় যোগ ৰেফাৰী তথা নগাঁও জিলা খো খো সন্থাৰ সহকাৰী সম্পাদক হিৰণ্য গোহাঁই সন্মানীয় অতিথিৰূপে উপস্থিত থাকে। শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণৰে অহা ন জুনলৈকে চলিবলগীয়া এই কৰ্মশালাত ৰাষ্ট্ৰীয় যোগ খেলুৱৈ তথা বিচাৰক জয়াৰাণী ডেকা মুখ্য প্ৰশিক্ষক, ৰাষ্ট্ৰীয় খেলুৱৈ তথা বিচাৰক বিচিত্ৰৰঞ্জন বৰা আৰু সুপ্ৰতিভ দাস প্ৰশিক্ষকৰূপে আছে। মনকৰিবলগীয়া যে,মহাবিদ্যালয়খনত পোনপ্ৰথমবাৰৰ বাবে আয়োজন কৰা এই শিবিৰত শতাধিক ছাত্ৰ-ছাত্ৰীৰ যোগদানৰে যথেষ্ট সঁহাৰি লাভ কৰাৰ বাবে আয়োজকসকলৰ লগতে অসম যোগ সংস্থাই প্ৰশিক্ষক আগবঢ়োৱাৰ বাবে স্থানীয় যোগপ্ৰেমীসকলে তেওঁলোকক প্ৰশংসা কৰিছে।

## প্ৰতিযোগিতাত বাহিৰা ফুটবলাৰক দলত অন্তৰ্ভুক্ত কৰাৰ বাবে দহোটিয়া স্কুলক নিলম্বন

**গুৱাহাটী, ১ জুন ঃ** যোৰহাট জিলাৰ পশ্চিম যোৰহাটৰ ৭৬ বছৰীয়া পুৰণি এখন শিক্ষানুষ্ঠান দহোটিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়। ঐতিহ্যপূৰ্ণ এই বিদ্যালয়খনে শেহতীয়াকৈ কালিমা সানিলে এখন ফুটবল প্ৰতিযোগিতাত । যোৰহাট জিলা ক্ৰীড়া সন্থাই আয়োজন কৰা আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতাত যোৱা সপ্তাহত দহোটিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ে যোগদান কৰিছিল । কিন্তু এই খেল আৰম্ভ হোৱাৰ পূৰ্বে যোৰহাট জিলা ক্ৰীড়া সন্থাই দহোটিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ক প্ৰতিযোগিতাৰ পৰা নিলম্বন কৰে । উল্লেখ্য যে দহোটিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হৈ প্ৰায় চাৰিগৰাকী খেলুৱৈ বিদ্যালয়খনৰ বাহিৰৰ আছিল । যিসময়ত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক খেলৰ প্ৰতি আগ্ৰহী কৰাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা হৈছে জিলা ভিত্তিত আন্তঃবিদ্যালয় প্ৰতিযোগিতাৰ, তেনে সময়ত দহোটিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ে জালিয়াতিৰে বাহিৰা ছাত্ৰক যোগদান কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে । জানিব পৰা মতে, দুবছৰ লৈ দহোটিয়াক যোৰহাট জিলা ফুটবল খেলত যোগদানৰ পৰা বিৰত ৰখা হ'ব।

## নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট

# বিশ্বনাথক হৰুৱাই চেম্পিয়ন শিলচৰ

**গুৱাহাটী, ১ জুন ঃ** শিলচৰে নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন ট্ৰফী লাভ কৰিছে। উল্লেখ্য যে এ চি এৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ ফাইনেল মেচত শিলচৰে ১০ উইকেটত পৰাস্ত কৰে বিশ্বনাথক। চাৰিদিনীয়া নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন তিনিদিনতে সমাপ্ত হ'ল। উল্লেখ্য যে খিতাপৰ যুঁজৰ মেচখনত প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল শিলচৰ দলে। চাৰিদিনীয়া মেচখনৰ প্ৰথমদিনা পোনতে বেটিং কৰা বিশ্বনাথে ১২২ ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত, শিলচৰে প্ৰথমদিনা প্ৰথম ইনিংছত তিনি উইকেটত ৫৭ ৰাণ কৰাত বৰষুণৰ বাবে মেচ বন্ধ হৈছিল। দ্বিতীয় দিনা দলে পুনৰ ইনিংছ আৰম্ভ কৰি ২২৩ ৰাণত অলআউট হয়। ইফালে, কালি দিনান্তত বিশ্বনাথে দ্বিতীয় ইনিংছ আৰম্ভ কৰি চাৰি উইকেটত ৯০ ৰাণ কৰিছিল। আজি বিশ্বনাথে ১৪০ ৰাণত দ্বিতীয় ইনিংছ সামৰে। প্ৰত্যুত্তৰত, জয়ৰ বাবে শিলচৰক প্ৰয়োজন হোৱা ৪১ ৰাণ দলে কোনো উইকেট নেহেৰুৱাকৈ দ্বিতীয় ইনিংছত সংগ্ৰহ কৰি জয় অৰ্জন কৰে। মেচৰ শ্ৰেষ্ঠ হয় শিলচৰৰ ৰাহুল সিং। তেওঁ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বলাৰৰূপেও নিৰ্বাচিত হয়। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বেটাৰ হয় বিশ্বনাথৰ বিকাশ কুৰ্মি। আজি সামৰণি অনুষ্ঠানত উপস্থিত থাকি বঁটা প্ৰদান কৰে এ চি এৰ সভাপতি ৰমেন দত্ত, উপসভাপতি পৰিক্ষিত দত্ত, কোষাধ্যক্ষ ত্ৰিদিপ কোঁৱৰ, এ চি এৰ প্ৰাক্তন সম্পাদক বিকাশ বৰুৱা আদিয়ে।


# ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত মাইনা গগৈৰ সোণৰ পদক

**গুৱাহাটী, ১ জুন ঃ** গোৱাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ পাঞ্জা প্ৰতিযোগিতাত চৰাইদেউ জিলাৰ মৰাণৰ মাইনা গগৈয়ে মহিলাৰ ৭৮ কেজি ছিনিয়ৰ শাখাত সোণৰ পদক লাভ কৰি অসমৰ লগতে মৰাণ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে । উল্লেখ্য যে মাইনা গগৈ মৰাণৰ মাউত গাৱঁৰ নিবাসী ৰাজু গগৈ আৰু প্ৰতিমা গগৈৰ কন্যা । খেলুৱৈ গৰাকীয়ে মৰাণৰ পলাশ বডি প্লেনেট কেন্দ্ৰত পলাশ শেনচোৱাৰ ওচৰত প্ৰশিক্ষণ লৈছিল । ইফালে, পদকজয়ী মাইনা গগৈক ৰাজহুৱা ভাৱে সম্বৰ্ধনা জনোৱা হয় । অনুষ্ঠানত মৰাণ আঞ্চলিক ছাত্ৰ সন্থা , পলাশ বডি প্লেনেট , মৰাণ শাখা সাহিত্য সভা , আহোম জাতীয় মঞ্চকে ধৰি বহু কেইটা অনুষ্ঠানে ফুলাম গামোচা , চেলেং , জাপি আদিৰে সম্বৰ্ধনা জনায় । অনুষ্ঠানটো আঁত ধৰে আহোম জাতীয় মঞ্চৰ অকণ ভূএগ্ৰাই । উল্লেখ্য যে উক্ত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ পাচত মাইনা গগৈয়ে মালয়েচিয়াত অনুষ্ঠিত হ'ব লগীয়া এছিয়ান আৰ্মৰেচলিং চেম্পিয়নশ্বিপ আৰু ফান্সত অনুষ্ঠিত হ'ব লগীয়া বিশ্ব চেম্পিয়নশ্বিপত অংশ গ্ৰহনৰ যোগ্যতা অৰ্জন কৰিছে।

# হাৰ্দিকৰ অধিনায়ক দক্ষতা ইমান দিনে লুকাই আছিল ঃ গাভাস্কাৰ



**গুৱাহাটী, ১ জুন ঃ** সদ্য সমাপ্ত আই পি এলত হাৰ্দিক পাণ্ডিয়াৰ নেতৃত্বৰ গুণত আপ্লুত হৈ ভাৰতীয় ক্ৰিকেটৰ বেটিং কিংবদন্তি সুনীল গাভাস্কাৰে অনুভৱ কৰিছে যে অদূৰ ভৱিষ্যতে ভাৰতীয় দলটোক নেতৃত্ব দিবলৈ টীম ইণ্ডিয়াৰ তাৰকা অলৰাউণ্ডাৰগৰাকীয়ে শক্তিশালী প্ৰতিদ্বন্দ্বী হিচাপে আত্মপ্ৰকাশ কৰিছে। উল্লেখ্য যে আজি এক অনুষ্ঠানত অংশ লোৱাৰ বাবে গুৱাহাটীলৈ অহা গাভাস্কাৰে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি আই পি এল খেলা অসম সন্তান ৰিয়ান পৰাগৰ প্ৰতিভা সম্পৰ্কতো মত ব্যক্ত কৰে। 'ৰিয়ান প্ৰতিভাবান ক্ৰিকেটাৰ। কিন্তু নিজক আগুৱাই নিবলৈ অধিক কষ্ট আৰু সাধনা কৰিব লাগিব।'-গাভাস্কাৰে ব্যক্ত কৰে। ইফালে, টীম ইণ্ডিয়াৰ বৰ্তমানৰ প্ৰদৰ্শন চাই টি-২০ বিশ্বকাপত ভাৰতীয় ক্ৰিকেট দলৰ প্ৰদৰ্শন নিৰূপন কৰাটো ভুল হ'ব বুলি কয় গাভাস্কাৰে। ইফালে, হাৰ্দিকৰ সম্পৰ্কত গাভাস্কাৰে কয়-'এয়া কেৱল মোৰ অনুমান নহয়, সকলোৱে অনুমান অধিনায়ক হিচাপে হাৰ্দিকৰ সুনাম বৃদ্ধি পাইছে। এইটো তেওঁৰ খেলৰ এটা দিশ আছিল যাৰ বিষয়ে কাৰো হাতত বেছি তথ্য নাছিল। কিন্তু এই আই পি এলে সেয়া চমকিত কৰিলে। যেতিয়া ক্ৰিকেটাৰৰ নেতৃত্বৰ গুণ থাকে, তেতিয়া ই স্বয়ংক্ৰিয়ভাৱে ৰাষ্ট্ৰীয় পৰ্যায়ত সন্মানৰ দুৱাৰ মুকলি কৰি দিয়ে যাতে অদূৰ ভৱিষ্যতে ভাৰতীয় জাতীয় দলৰ অধিনায়ক হ'ব পাৰে।'




# প্ৰথম ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতা আৰম্ভ



*ফ্ৰেন্স অপেনৰ পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰত ডক'ভিচক বিৰুদ্ধে ৰাফেল নাডালৰ শ্বট*

**গুৱাহাটী, ১ জুন ঃ** অসম এথলেটিকছ সন্থাৰ উদ্যোগত আজিৰে পৰা দুদিনীয়াকৈ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আৰম্ভ হৈছে প্ৰথম বাৰ্ষিক ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতা। পুৰুষ আৰু মহিলা উভয়ৰে ৩৫ বছৰ উৰ্দ্ধৰ পৰা ১০০ বছৰ উৰ্দ্ধৰ ১৪ টা শাখাত খেলুৱৈসকলৰ বাবে মুকলি থকা প্ৰতিযোগিতাখনত প্ৰায় তিনি শতাধীক খেলুৱৈয়ে অংশ লৈছে। আজি ৫০০০ মিটাৰ দৌৰ ইভেণ্টেৰে আৰম্ভ হোৱা প্ৰতিযোগিতাখনৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ-কল্যাণ বিভাগৰ সঞ্চালক নিৰেদন দাস পাটোৱাৰী,অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰ,অসম এথলেটিকছ সন্থাৰ সম্পাদক অশোক ভড়ালীৰ লগতে অসম এথলেটিকছ সন্থাৰ বহুকেইগৰাকী বিষয়-ববীয়া। দুদিনীয়াকৈ অনুষ্ঠিত এই প্ৰতিযোগিতাৰ প্ৰথম দিনা দৌৰ,হাইজাম্প আৰু থ্ৰ'ইভেণ্টৰ খেলসমুহ অনুষ্ঠিত হয়। প্ৰতিযোগিতাত খেলুৱৈসকলৰ প্ৰদৰ্শন আৰু উৎসাহে দৰ্শকক আপ্লুত কৰি ৰাখে। এই ৰাজ্যিক প্ৰতিযোগিতাৰ পৰা বাছনি হোৱা খেলুৱৈসকলে অহা ১৬-১৯ জুনত গুজৰাটৰ বদোদ্ৰাত ভাৰতীয় এথলেটিকচ ফেডাৰচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকচ প্ৰতিযোগিতাত অংশগ্ৰহনৰ সুবিধা লাভ কৰিব।

## মৰাণত আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতা

# উদ্বোধনী খেলত শলগুৰি উচ্চ মাধ্যমিক বিদ্যালয় ৫-০ গ'লত জয়


**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, মৰাণ, ১ জুন ঃ** চৰাইদেউ জিলাৰ মৰাণ ক্ৰীড়া সন্থাৰ উদ্বোগত মৰাণ মহাবিদ্যালয় খেলপথাৰত আজিৰ পৰা একাদশ বাৰ্ষিক জিয়াউৰ ৰহমান সোঁৱৰণী মৰাণ আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতাখন অনুষ্ঠিত হৈছে। আজি উদ্বোধনী খেল খনত শলগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ে স্বামী বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়ক ৫-০ গলত পৰাজিত কৰি পৰৱৰ্তী পৰ্যায়ত প্ৰবেশ কৰিছে। বিজয়ী দলটোৰ হৈ গল দিয়ে অভিজ্ঞান বৰুৱাই ৩ টা, পাচুৰ্য গগৈ আৰু দুৰ্লভ ফুকনে একোটাকৈ গল দিয়ে। তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলখনত প্ৰথম পৰ্যায়ত কোনো দলে গল দিব পৰা নাছিল। খেলখন পৰিচালনা কৰে জুন বৰগোহাঁয়ে। লাইনত সহায় কৰে কৌস্তভ গগৈ আৰু দিগন্ত সোণোৱালে। চতুৰ্থ ৰেফাৰী ত্ৰিদীপ ফুকন। খেলৰ আৰম্ভণীতে পতাকা উত্তোলন কৰে মৰাণ ক্ৰীড়া সন্থাৰ সভাপতি অজয় মহনে। খেলখন উদ্বোধন কৰে শিৱসাগৰ জিলাৰ অৱসৰপ্ৰাপ্ত বিদ্যালয় পৰিদৰ্শক আব্দুল জেলিলে।



*ফ্ৰেন্স অ'পেন টেনিছৰ এখন খেলত বিশ্বৰ এক নম্বৰ স্থানৰ মহিলা টেনিছ খেলুৱৈ ইগা ছিয়াটেক*

**গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেন**

# মহিলাৰ একক শাখাৰ ছেমিফাইনেলত ইগা-ডাৰিয়া



**পেৰিছ, ১ জুন ঃ** বিশ্বৰ এক নম্বৰ স্থানৰ মহিলা টেনিছ খেলুৱৈ ইগা ছিয়াটেকে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে আজি আমেৰিকাৰ জেচিকা পেগুলাৰ বিৰুদ্ধে কোৱাৰ্টাৰত সহজ জয়লাভ কৰি ইগাই ক্ৰমাগত জয়ৰ ধাৰা ৩৩ খন মেচলৈ বৃদ্ধি কৰাৰ লগতে ফ্ৰেন্স অ'পেনৰ অন্তিম চাৰিত প্ৰৱেশ কৰে। ৬-৩, ৬-২ ত জয়ী হোৱা পোলেণ্ডৰ তাৰকাগৰাকীয়ে ছেমিফাইনেলত ডাৰিয়া কাছাটকিনাৰ বিৰুদ্ধে খেলিব। উল্লেখ্য যে অন্য এখন কোৱাৰ্টাৰত দেশৰ সতীৰ্থ ৰাছিয়ান ভেৰ'নিকা কুডাৰমেট'ভাক ৬-৪, ৭-৬ ত পৰাস্ত কৰি ডাৰিয়া কাছাটকিনাই প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেমৰ ছেমি ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে ২০১৩ ত ছেৰেনা উইলিয়ামছে ৩৪ খন মেচত জয়লাভ কৰাৰ পিছত পেৰিছত ২০২০ ৰ চেম্পিয়ন পোলেণ্ডৰ ছিয়াটেকে শ্ৰেষ্ঠত্ব অব্যাহত ৰাখিছে। ইয়াৰপূৰ্বে কানাডাৰ লেইলা ফাৰ্নাণ্ডেজৰ বিৰুদ্ধে পোনপটিয়া ছেট জয় কৰি কেৰিয়াৰত প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেম টেনিছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ইটালীৰ মাৰ্টিনা ট্ৰেভিছানে। উল্লেখ্য যে বিশ্বৰ ৫৯ নম্বৰ খেলুৱৈ ট্ৰেভিছানে ১৭ নং বাচনিৰ কানাডিয়ান খেলুৱৈগৰাকীক ৬-২, ৬-৩ ব্যৱধানত পৰাস্ত কৰে। এতিয়া ২৮ বছৰীয়া ৰিয়ানে ফাইনেলত স্থান লাভৰ বাবে মুখামুখি হ'ব কোকো গাউফৰ। আন এখন কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ কোকোই সতীৰ্থ স্লোৱেন ষ্টিফেন্সৰ বিৰুদ্ধে ৭-৫, ৬-২ ত জয়ী হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে ইটালীৰ নৱাগত তাৰকা মাৰ্টিনা ট্ৰেভিছানে হেলাৰঙে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। আলিয়াক্সান্দ্ৰা ছাছনোভিচৰ বিৰুদ্ধে ৭-৬, ৭-৫ ত জয়ী হৈ ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছিল মাৰ্টিনাই। ইফালে, চাৰি ছেটৰ নাটকীয় সংঘৰ্ষত কাৰ্লোছ আলকাৰাজক পৰাস্ত কৰি আলেকজেণ্ডাৰ জেভেৰেভে ফ্ৰেন্স অ'পেনৰ ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। জাৰ্মানীৰ তৃতীয় বাছনিৰ খেলুৱৈগৰাকীয়ে তিনি ঘণ্টা ১৮ মিনিটৰ পাছত স্পেইনৰ চেনচেচন আলকাৰাজৰ বিৰুদ্ধে ৬-৪, ৬-৪, ৪-৬, ৭-৬ ত জয়লাভ কৰে।



*No.ACE- 50/TECH/KOK(Bldg)/IFB/2016-17/498* *Dated Kokrajhar the 31/05/2022*

Tender No. 05 of 2022-23

**PRESS NOTICE**

The Addl. Chief Engineer cum Director, PWD, BTC, Kokrajhar invite bid for the work **"Construction of Security Barrack at BTC Secretariat Complex, Kokrajhar"**under Kokrajhar Building Division, bid amount of Rs.47,63,400.00 (Rupees forty seven lakh sixty three thousand and four hundred) only from the registered contractors of Class- I (A, B & C)& Class - II category of Assam PWD (Building)/BTC.

Details may be seen at website http://assamtenders.gov.in and also at the office of the undersigned during office hours.

Sd/-
Addl. Chief Engineer, Cum Director, PWD,
Bodoland Territorial Council, Kokrajhar.

***IPR (BTC)-74/2022***


কাৰ্বি আংলং অটোনমাছ কাউন্সিলৰ নিৰ্বাচনী প্ৰচাৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কাৰ্বি আংলঙৰ বৈঠালাংছ’ত

### ককলাবাৰী সমষ্টিত উপ-নিৰ্বাচন

# শিমলাত ইউপিপিএলৰ বিৰুদ্ধে সংবাদ মেল বিপিএফৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ১ জুন ঃ** ককলাবাৰী সমষ্টি তথা বাক্সাৰ শিমলাস্থিত বিপিএফৰ কাৰ্যালয়ত আজি ইউপিপিএল দলৰ বিৰুদ্ধে এক সংবাদমেল সম্বোধন কৰে বিপিএফ দলে। সংবাদ মেলখনত বিটিআৰৰ কাৰ্যবাহী সদস্য উইলচন হাজদা আৰু গৌতম দাসৰ সংবাদমেলৰ বিৰুদ্ধে সৰৱ হৈ পৰে বিপিএফৰ এমচিএলএ তথা বিপিএফৰ বিৰোধী দলৰ দলপতি দেৰহাছাৎ বসুমতাৰী। বিটিচিৰ কৃষি বিভাগৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে বিপিএফৰ পূৰ্বৰ সংবাদমেলক ভুৱা বুলি দেৰহাছাৎ বসুমতাৰীক ক্ষমা খুজিবলৈ কোৱা কথাৰ প্ৰত্যুত্তৰ দিয়ে দেৰহাছাৎ বসুমতাৰীয়ে। প্ৰমোদ বড়োৰ চৰকাৰৰ বিৰুদ্ধে সংবাদমেল যোগে প্ৰত্যাহবান জনায় দেৰহাছাৎ বসুমতাৰীৰ। কাৰ্যবাহী সদস্য উইলচন হাজদাই কোৱা বিপিএফৰ ৯০০ কোটি টকাৰ কেলেংকাৰীক মিছা আখ্যা দিয়ে দেৰহাছাৎ বসুমতাৰীয়ে। হাগ্ৰামা মহিলাৰীৰ দিনত বহুতো উন্নয়ন হৈছে। সেইখিনিকে ইউপিপিএলে কামৰ নমুনা দেখুৱাইছে বুলি সংবাদ মেলখনত উল্লেখ কৰি বিটিচিত প্ৰমোদ বড়োৰ চৰকাৰৰ কাৰ্যকালত ৬৭১ কোটি টকাৰ কোনো তথ্য নাই। বিটিচিত তিনি মাহত খৰচ কৰা ৬৭১ কোটি টকাৰ হিচাপ বিচাৰি প্ৰমোদ বড়োৰ চৰকাৰক প্ৰশ্ন উত্থাপন কৰে বিৰোধী দলপতি দেৰহাছাৎ বসুমতাৰীয়ে। সংবাদ মেলখনত লগতে বিটিচিত প্ৰমোদ বড়োৱে একো কাম কৰিব পৰা নাই। বিটিচিৰ শিক্ষকসকলক নিয়মীয়াকৈ দৰমহা দিব নোৱাৰাটো প্ৰমোদ বড়োৰ ব্যৰ্থতা বুলিও মন্তব্য বসুমতাৰীৰ। সংবাদমেলৰ জৰিয়তে প্ৰমোদ বড়োলৈ সংবাদমেলৰ সকলো প্ৰশ্নৰ উত্তৰ বিচাৰি প্ৰশ্ন তোলে দেৰহাছাৎ বসুমতাৰীয়ে। আজিৰ সংবাদমেলত দেৰহাছাৎ বসুমতাৰীৰ লগতে দলটোৰ একাংশ নেতা-কৰ্মী উপস্থিত থাকে।

# আজিৰে পৰা তৃতীয় পৰ্যায়ৰ গুণোৎসৱ

### তামুলপুৰত মুঠ ৬৮৮খন বিদ্যালয়ত অনুষ্ঠিত হৈছে গুণোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১ জুন ঃ** সমগ্ৰ ৰাজ্যতে আজিৰে পৰা আৰম্ভ হৈছে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ। সমান্তৰালকৈ নৱ গঠিত তামুলপুৰ জিলাৰ বিদ্যালয় সমূহতো আজিৰে পৰা আৰম্ভ হৈছে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ । আজিৰ পৰা ৪ জুনলৈ অনুষ্ঠিত হ’ব লগা তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ বাবে তামুলপুৰ জিলাৰ সকলো বিদ্যালয় সাজু হৈ পৰিছে। জিলাখনৰ মুঠ ৬৮৮ খন বিদ্যালয়ত অনুষ্ঠিত হ’ব গুণোৎসৱ । আজি পুৱা ৯ বজাত প্ৰাতঃ সভাৰে আৰম্ভ হয় গুণোৎসৱৰ কাৰ্যসূচী । আজি স্ব মূল্যায়ন, পাঠ পঢ়াৰে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ আৰম্ভ কৰাৰ পাছত কাইলৈৰ পৰা ৪ জুনলৈকে নিৰ্দিষ্ট সূচী অনুসৰি বিদ্যালয়সমূহত চৰকাৰে নিয়োজিত কৰা নিৰীক্ষকৰ উপস্থিতিত গুণোৎসৱ সম্পন্ন হ’ব। তামুলপুৰ জিলাৰ প্ৰত্যেকখন বিদ্যালয়ে গুণোৎসৱৰ জৰিয়তে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ বাবে এতিয়া সাজু হৈ উঠাৰ সময়তে একাংশ বিদ্যালয়ৰ দুশ্চিন্তা বৃদ্ধি পাইছে, কিয়নো তামুলপুৰ শিক্ষা খণ্ডৰ বহু বিদ্যালয়ত এতিয়াও ডেৰশ-দুশজন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষকে পাঠদান কৰি আহিছে। আনহাতে বহু বিদ্যালয়ত এতিয়াও ন্যূনতম আন্তঃগাঁথনিৰো অভাৱ। সেয়ে এনে গুণোৎসৱৰ পৰা চৰকাৰে কি সুফল লাভ কৰিব সেয়াও বহুতে প্ৰশ্ন উত্থাপন কৰিছে।

# বোকাখাতত শিক্ষাবিদ বিশ্বেশ্বৰ দাসৰ অভিনন্দন ‘গ্ৰন্থ দৃষ্টি কোনত বহ্নিমান শিখা’ৰ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১ জুন ঃ** যোৱা ১ জুনত বোকাখাতৰ পুৱতি সাহিত্য সভা ভৱনত কুৰুৱাবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, ডঃ আম্বেদকাৰ ফেল’শ্বিপ বঁটাপ্ৰাপক বিশ্বেশ্বৰ দাসৰ অভিনন্দন গ্ৰন্থ ‘দৃষ্টিকোণত বহ্নিমান শিখা’ উন্মোচন কৰা হয়। অভিনন্দন গ্ৰন্থ সম্পাদনা সমিতিৰ সহযোগত অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ বোকাখাত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত বিশ্বেশ্বৰ দাসৰ কৰ্মময় জীৱন ভিত্তিত যুগুত কৰা গ্ৰন্থখনৰ উন্মোচনী সভাৰ বন্তি প্ৰজ্বলন কৰে দুগৰাকী বিশিষ্ট সমাজকৰ্মী ক্ৰমে মিনতি দলে, হেম কুমাৰী দাসে। অভিনন্দন গ্ৰন্থখনৰ সম্পাদনা সমিতিৰ সম্পাদক ধনীৰাম কুৰ্মীয়ে অনুষ্ঠানৰ আঁত ধৰাৰ লগতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ বোকাখাত শাখাৰ সভাপতি আনিচুৰ ৰহমানে সভাত সভাপতিত্ব কৰে। উজনি অসম বিকলাংগ কেন্দ্ৰৰ শিল্পী মাখনী দত্তই লোকগীত পৰিৱেশন কৰে। ‘দৃষ্টিকোণত



বহ্নিমান শিখা’ অভিনন্দন গ্ৰন্থ উন্মোচন কৰি জে ডি এছ জি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জয়ন্ত গগৈয়ে দাসৰ শৈক্ষিক আৰু সামাজিক জীৱনৰ এক আলোকপাত কৰে। বিশ্বেশ্বৰ দাসে জীৱনৰ অভিজ্ঞতাৰ বিষয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। সভাত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে বিশ্বেশ্বৰ দাসৰ পত্নী দীপালী দাস, সন্ধানী লেখিকা সমাৰোহ সমিতিৰ সভাপতি পুতলী খাউণ্ড, বিশিষ্ট নাট্যকৰ্মী হৰিপ্ৰসাদ বৰঠাকুৰ, সমাজকৰ্মী খগেশ্বৰ শইকীয়া আদি। সভাৰ মাজত ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে বিকি ৰজক আৰু গৌতম দেৱ মাঝিয়ে। আনহাতে সভাত উপস্থিত থাকে মিনতি দলে, জ্যেষ্ঠ সাংবাদিক বুবুল দত্ত, সাহিত্যিক নিজৰা বৰঠাকুৰ, হেম কুমাৰী দাস, মহেন শইকীয়া, মুহীৰাম দলে, বিমল দলে, পুতলী খাউণ্ড, পুৱতি সাহিত্য সভাৰ সভাপতি অপূৰ্ব বৰদলৈ, বোকাখাত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক নিৰঞ্জন শইকীয়া, গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি উপেন বৰা, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা, কবি, সাহিত্যিক কল্পনা চেতিয়া, অধ্যাপক ডঃ অৰুণ বৰা, মনোৰঞ্জন সেন, মিলন কৰ্মকাৰ, উপেন হাজৰিকা, জীৱন চন্দ্ৰ বৰা, ভৱানন্দ কলিতা, নীলু আচাৰ্যী, মৃদুস্মিতা শৰ্মা, নৰেন বৰা, জীৱন শইকীয়া, দুৰ্গেশ্বৰ শইকীয়া, হৰিবোলা কালিন্দী, ধনেশ্বৰ শইকীয়া, ধীৰেন শইকীয়া, ঘনকান্ত কুৰ্মী আদিয়ে উপস্থিত থকাৰ লগতে একাংশই বক্তব্য প্ৰদান কৰে। অসম চাহ জনগোষ্ঠীয় সাহিত্য সভাৰ উপ সভাপতি ধনীৰাম কুৰ্মীয়ে উপস্থিতসকলৰ শলাগ লয়।

### মাজুলীত তিনিদিনীয়াকৈ শ্ৰীশ্ৰী বদলা পদ্ম আতাৰ আৱিৰ্ভাৱ মহোৎসৱ

# প্ৰস্তুতি তুংগত, আনুষ্ঠানিকভাৱে কাৰ্যসূচী মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১ জুন ঃ** কমলাবাৰী সত্ৰৰ লগতে অসমৰ ২৪খন সত্ৰৰ প্ৰতিষ্ঠাতা শ্ৰীশ্ৰী বদলা পদ্ম আতাৰ ৪৭৬ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ তথা সমন্বয় সাংস্কৃতিক সমাৰোহখনি মাজুলী উত্তৰ কমলাবাৰী সত্ৰৰ ‘কমলাকান্ত আতা ক্ষেত্ৰ’ত অহা ৮, ৯ আৰু ১০ জুনত অনুষ্ঠিত হ’ব। আজি সত্ৰৰ প্ৰেক্ষাগৃহত আয়োজন কৰা এখন সংবাদ মেলত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ তথা বদলা পদ্ম আতাৰ সেৱা সমিতিৰ সভাপতি শ্ৰীশ্ৰী জনাৰ্দন দেৱগোস্বামীয়ে উৎসৱৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰি ৰজাঘৰ-প্ৰজাঘৰৰ অভূতপূৰ্ব সঁহাৰি লাভ কৰা বুলি সদৰী কৰে। ইতিমধ্যে প্ৰস্তুতিৰ প্ৰায়বিলাক কাম সম্পূৰ্ণ হোৱাৰ পথত বুলি উল্লেখ কৰি উৎসৱৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰে। প্ৰায় ৮০ লাখ টকাৰ বাজেটেৰে আয়োজন কৰা উৎসৱটিৰ জৰিয়তে অসমলৈ এক সমন্বয়ৰ বাৰ্তা কঢ়িয়াই আনিব বুলি আশাবাদী উদ্‌যাপন সমিতি। কাৰ্যসূচী অনুসৰি উৎসৱৰ প্ৰথম দিনা অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি উত্তৰ কমলাবাৰী সত্ৰৰ নৱনিৰ্মিত কীৰ্তনঘৰটিৰ দ্বাৰ উদ্‌ঘাটন কৰিব। তদুপৰি অসমৰ বিভিন্ন ঠাইৰ ধৰ্মাধিকাৰসকলে সন্মিলনত অংশ গ্ৰহণ কৰিব। অনুষ্ঠানটোৰ আৰম্ভণিতে ৫০০ যোৱা গায়ন-বায়নৰ ঐকতানত এক আধ্যাত্মিক পৰিৱেশৰ সূচনা কৰিব। প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰিব শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে আৰু স্মৃতিগ্ৰন্থ উন্মোচন কৰিব শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল দেৱগোস্বামীয়ে। কাৰ্যসূচীৰ প্ৰথম দিনা ‘সাম্প্ৰতিক সময়ত আধ্যাত্মিক গুৰুসকলৰ কৰণীয়’ শীৰ্ষক এক মনোজ্ঞ আলোচনা-চক্ৰ শ্ৰীশ্ৰী বৰদোৱা নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত হ’ব আৰু উদ্বোধন কৰিব তিতাবৰস্থিত কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ ভৱকান্ত গোস্বামীয়ে। আনহাতে একেদিনাই এশগৰাকী থলুৱা শিল্পীৰ থলুৱা বাদ্যৰ এক সুৰ-সমলয়ে অভ্যাগতক আদৰণি জনোৱা হ’ব। দ্বিতীয় দিনাৰ কাৰ্যসূচী আৰম্ভ হ’ব দুগৰাকী শিশুশিল্পীৰ দ্বাৰা সত্ৰীয়া মাটি আখৰাৰে। তদুপৰি পুৱা ৯ বজাৰ পৰা মহিলাৰ দিহানাম সমাৰোহ আৰু ১০ বজাৰ পৰা ‘নৱবৈষ্ণৱ ভক্তি চেতনাৰ অখিল ভাৰতীয় প্ৰেক্ষাপট’ শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ উদ্বোধন কৰিব অসমৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে আৰু সঞ্চালনা কৰিব কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ডীন ডঃ দিব্যজ্যোতি মহন্তই। বিয়লি ৩ বজাৰ পৰা অনুষ্ঠিত হ’বলগীয়া জনগোষ্ঠীয় লোককৃষ্টি প্ৰদৰ্শন অনুষ্ঠান উদ্বোধন কৰিব পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত দাসে, বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকিব অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী। শেষৰ দিনা কাৰ্যসূচীৰ শুভাৰম্ভ হ’ব এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰে। শোভাযাত্ৰা উদ্বোধন কৰিব বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াই। বদলা পদ্ম আতা সেৱা সমিতিৰ নৱনিৰ্বাচিত সভাপতিৰ পৌৰোহিত্যত অনুষ্ঠিত হ’বলগীয়া মুকলি সভা উদ্বোধন কৰিব ঠেঙাল স্বায়ত্ত পৰিষদৰ অধ্যক্ষ কুমুদ কচাৰীয়ে। মুখ্য অতিথি ৰূপে উপস্থিত থাকিব প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জল পৰিবহণ আৰু আয়ুষ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, কৃষিমন্ত্ৰী অতুল বৰা, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তকে ধৰি কেবাগৰাকী সাংসদ, বিধায়ক তথা গণ্যমান্য ব্যক্তি। উৎসৱত ৩ বজাৰ পৰা একোখন সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত কৰাৰ উপৰি প্ৰতিদিনে একোখনকৈ অংকীয়া নাট প্ৰদৰ্শন হ’ব। সংবাদ মেলত উদ্‌যাপন সমিতিয়ে জানিবলৈ দিয়ে যে যোৰহাট-নিমাতী ফেৰীৰে, আৰু গোগামুখ-ঢকুৱাখনা হৈ প্ৰতিনিধি আৰু অতিথিসকলৰ যাতায়াতৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে একেলগে ৫০০ লোকে ভোজন কৰিব পৰাকৈ এটা ভোজনালয় প্ৰস্তুত কৰা হৈছে। সত্ৰাধিকাৰগৰাকীয়ে মাজুলীৰ লগতে অসমবাসীৰ সহায়-সহযোগ কামনা কৰে। উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক তীৰ্থ ভূঞাই আঁত ধৰা অনুষ্ঠানটোত উদ্‌যাপন সমিতিৰ সভাপতি তথা মাজুলীৰ বিধায়ক ভুৱন গামেও ৰাইজৰ সহযোগিতা কামনা কৰে। ইয়াৰ পিছতে উদ্‌যাপন সমিতিৰ উপসমিতিসমূহৰ বৈঠক অনুষ্ঠিত হয়।

### ধুবুৰীত গুণোৎসৱ ঃ আজিৰে পৰা বিদ্যালয়ত আৰম্ভ বহিঃমূল্যায়ন

# সামৰি ল’ব ২,০১০খন বিদ্যালয়ৰ ২.৮৯ লাখ শিক্ষাৰ্থীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১ জুন ঃ** তৃতীয় পৰ্যায়ত আন আঠখন জিলাৰ লগতে ধুবুৰী জিলাৰ বিদ্যালয়সমূহতো আজিৰে পৰা গুণোৎসৱ আৰম্ভ হৈছে। জিলাখনৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ অধ্যয়ন কৰা শিক্ষাৰ্থী থকা ২০১০খন বিদ্যালয়ত আজি স্ব-মূল্যায়ন সম্পন্ন হয়। জিলাখনত গুণোৎসৱে সামৰি ল’বলগীয়া মুঠ শিক্ষাৰ্থী ২,৮৯,৩১৭গৰাকী। আজি বিদ্যালয়সমূহে নিজাকৈ মূল্যায়ন কৰাৰ পিছত কাইলৈৰ পৰা তিনি দিনৰ বাবে বহিঃমূল্যায়কে বিদ্যালয়সমূহলৈ গৈ মূল্যায়ন কৰিব। বহিঃমূল্যায়নৰ বাবে বিদ্যালয়সমূহক তিনিভাগত ভাগ কৰা হৈছে। কাইলৈ জিলাখনৰ ৬৭৫ খন বিদ্যালয়ত, ৩ জুনত ৬৭২ খন বিদ্যালয়ত আৰু ৪ জুনত ৬৬৩ খন বিদ্যালয়ত বহিঃমূল্যায়কৰ জৰিয়তে মূল্যায়ন কৰা হ’ব। বহিঃমূল্যায়নৰ বাবে মুঠ ১,১৪৪ গৰাকী বহিঃমূল্যায়ক নিযুক্তি দিয়া হৈছে। তদুপৰি প্ৰতিখন বিদ্যালয়ত সেই বিদ্যালয়ৰে এজন শিক্ষকক ন’ডেল শিক্ষকৰ দায়িত্ব দিয়া হৈছে। বিদ্যালয় আৰু বহিঃমূল্যায়কৰ মাজত যোগাযোগ ৰাখিবলৈ ২৬৩ গৰাকী লিয়েচন বিষয়া নিয়োগ কৰা হৈছে। অসম চৰকাৰৰ কেবাজনো জ্যেষ্ঠ বিষয়ায়ো ধুবুৰীৰ বিভিন্ন বিদ্যালয়ত বহিঃমূল্যায়কৰ দায়িত্ব পালন কৰিব। অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব তথা ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া মনিন্দৰ সিং আগমনি শিক্ষাখণ্ডৰ তিনিখন বিদ্যালয়ত, ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ প্ৰধান সচিব তথা ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া এম আৰিজ আহমেদ বিলাসীপাৰা শিক্ষাখণ্ডৰ তিনিখন বিদ্যালয়ত, প্ৰধান মুখ্য বন সংৰক্ষক তথা ভাৰতীয় বন সেৱাৰ বিষয়া মহেন্দ্ৰ কুমাৰ যাদৱ চাপৰ শিক্ষাখণ্ডৰ তিনিখন বিদ্যালয়ত, ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া ৰাকেশ আগৰৱালা গৌৰীপুৰ শিক্ষাখণ্ডৰ তিনিখন বিদ্যালয়ত আৰু অসম আৰক্ষীৰ সহকাৰী মহাপৰিদৰ্শক তথা ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া ধনঞ্জয় পৰশুৰাম ঘনাৱট গোলকগঞ্জ শিক্ষাখণ্ডৰ তিনিখন বিদ্যালয়ত বহিঃমূল্যায়কৰ দায়িত্বত থাকিব। ধুবুৰীৰ উপায়ুক্ত অন্বামুথন এম পিয়ে ধুবুৰী চৰকাৰী ল’ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যায়ত আৰু ধুবুৰীৰ আৰক্ষী অধীক্ষক অভিজিত গুৰাৱে গৌৰীপুৰৰ শ্ৰীমন্ত শংকৰদেৱ এম ই স্কুলত বহিঃ মূল্যায়কৰ দায়িত্ব পালন কৰিব। ধুবুৰী জিলাত গুণোৎসৱৰ সামগ্ৰিকভাৱে তদাৰক কৰি থকা অতিৰিক্ত উপায়ুক্ত (শিক্ষা) ধ্ৰুৱজ্যোতি দাসে কয়, ‘ধুবুৰী জিলাত গুণোৎসৱ নিখুঁতভাৱে সম্পন্ন কৰাৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা কৰা হৈছে। বহিঃমূল্যায়ক হিচাপে পাঁচজন জ্যেষ্ঠ বিষয়া ধুবুৰীলৈ আহিছে। আমাৰ জিলাত থকা সকলো আই এ এছ, এ চি এছ, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া সহিতে অৰ্হতা থকা বিষয়াসকলক বহিঃমূল্যায়কৰ দায়িত্ব দিয়া হৈছে। আশা কৰো সুন্দৰকৈ গুণোৎসৱ সম্পন্ন হ’ব।’



আমাৰ গাঁও নিধি লিমিটেডৰ প্ৰথম বাৰ্ষিকীত ভাষণ প্ৰদান কৰিছে প্ৰতিষ্ঠানটোৰ সঞ্চালক পুলিন শইকীয়াই

# পশ্চিম গুৱাহাটী মহাবিদ্যালয়ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১ জুন ঃ** মহানগৰীৰ পশ্চিম প্ৰান্তৰ ধাৰাপুৰ চাৰিআলিস্থিত পশ্চিম গুৱাহাটী মহাবিদ্যালয়ত ৩১ মে’ত বৰ্ণাঢ্য কাৰ্যসূচীৰে ‘প্ৰাক্তন ছাত্ৰ-ছাত্ৰী দিৱস’ উদ্‌যাপন কৰা হয় । কাৰ্যসূচী অনুসৰি পশ্চিম গুৱাহাটী মহাবিদ্যালয় প্ৰাংগণত আজি পুৱা ৯ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ ৰাণা শৰ্মাই । ইয়াৰ পিছত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন, ছাত্ৰ একতা সভা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে ক্ৰমে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ সভাপতি পৰেশ বৰুৱা, ছাত্ৰ একতা সভাৰ সভাপতি কুমাৰ ৰাণা যোগী আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সভাপতি আনোৱাৰ হুছেইনে। পশ্চিম গুৱাহাটী ছাত্ৰ সন্থাৰ সভাপতি জিন্টুমণি শৰ্মাই শ্বহীদ তৰ্পণ কৰাৰ পিছত স্মৃতি তৰ্পণ কৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে । তদুপৰি সন্মিলনৰ সাধাৰণ সম্পাদক ডঃ হেমন্ত কলিতাই প্ৰয়াত ডঃ বিজয়লক্ষ্মী দাসৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছত গছপুলি ৰোপণ কাৰ্যসূচী আৰু কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰ’জমিল আলী। দিনৰ ২ বজাত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে বিশিষ্ট অভিনেতা আৰু পৰিচালক হিমাংশু প্ৰসাদ দাসে।



উদ্বোধন কৰে সন্মিলনৰ উপদেষ্টা ক্ৰমে প্ৰশান্ত কলিতা আৰু তপন দাসে । মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰা মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সন্মিলনৰ মুখ্য উপদেষ্টা ধনেশ্বৰ কলিতা । লগতে নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সাংবাদিক দীপক শৰ্মা সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় শিল্পী সান্নিধ্য ভূঞা, ৰিচা শৰ্মাৰ লগতে পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ ২০২২ বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পী জিলমিল ৰূপালী জোনাক, কণমানি কণ্ঠশিল্পী হীনা কাশ্যপৰ উপৰি মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে সংগীত পৰিৱেশন কৰি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# কামৰূপ জিলাৰ ১৫গৰাকী হাইস্কুল আৰু এম ই স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কৰ্মচাৰীক অৱসৰকালীন লাভালাভ প্ৰদান



**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১ জুন ঃ** কামৰূপ জিলাৰ সংহত উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ উদ্যোগত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া অপূৰ্ব ঠাকুৰীয়াই সদ্য অৱসৰী ১৫ গৰাকী হাইস্কুল আৰু এম ই স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কৰ্মচাৰীক তেওঁলোকৰ অৱসৰী লিভ এনকেছমেন্ট আৰু জি আই এছৰ মঞ্জুৰিপত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰাৰ উপৰি সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে কৰ্মচাৰীসকলক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। এই সম্পৰ্কে আয়োজিত অনুষ্ঠানত বক্তব্য ৰাখি বিদ্যালয়সমূহৰ পৰিদৰ্শকগৰাকীয়ে কয় যে ২০১৯ বৰ্ষৰ ৩১ মাৰ্চৰ পৰা কামৰূপ জিলাৰ এম ই স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকলক অৱসৰৰ দিনাই তেওঁলোকক অৱসৰৰ লাভালাভ প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল। পৰৱৰ্তী পৰ্যায়ত হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কৰ্মচাৰীসকলকো অৱসৰৰ দিনাই এনেদৰেই তেওঁলোকৰ অৱসৰকালীন লাভালাভ প্ৰদান কাৰ্য নিয়মিত ৰূপত কৰি অহা হৈছে। অৱসৰৰ দিনাই তেওঁলোকক পেঞ্চনৰ কাগজ-পত্ৰ আৰু সা-সুবিধা প্ৰদানৰ দিশত কামৰূপ জিলাই দায়বদ্ধতাৰে কাম কৰি আহিছে বুলিও তেওঁ কয়। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলেও কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ এই কামৰ শলাগ লৈ নিজৰ নিজৰ বক্তব্য আগবঢ়ায়।

### নানকাৰভয়ৰাত একেদিনাই ছটা অনুষ্ঠানৰ শুভাৰম্ভ

# আধাৰশিলা কৰিলে বিধায়ক জয়ন্ত মল্ল বৰুৱাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১ জুন ঃ** নলবাৰী জিলাৰ ইতিহাস প্ৰসিদ্ধ নানকাৰভয়ৰা গাঁৱত কালি একেদিনাই ছটা অনুষ্ঠানৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰে নলবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই । ইয়াৰে নানকাৰভয়ৰা ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসক-ক্ষেত্ৰ সহায়কৰ বাবে নৱনিৰ্মিত দুমহলীয়া আৱাসৰ শুভ উদ্বোধন, ঘুলি সত্ৰৰ চৌহদত থকা দৰ্শনাৰ্থীৰ জিৰণি চ’ৰাৰ নৱনিৰ্মিত গৃহ উদ্বোধন, নানকাৰভয়ৰা তালিয়াতোলা চুবুৰিৰ সভাগৃহৰ আধাৰশিলা স্থাপন, বিষ্টুপুৰ খোৱাপানী যোগান আঁচনি উদ্বোধন, জাজিয়াবাৰী বাৰগোপাল নামঘৰৰ আধাৰশিলা স্থাপন, বৰখানাজানৰ দক্ষিণ-পূব চুবুৰিৰ নামঘৰৰ আধাৰশিলা স্থাপন কৰে । গাঁওখনৰ এক উখল-মাখল পৰিৱেশৰ মাজত গাঁৱৰ মাজত থকা ঘুলি সত্ৰ নামঘৰ প্ৰাংগণত এই উপলক্ষে তথা ‘ৰাইজৰ সদন’ৰ এখন গাম্ভীৰ্যপূৰ্ণ সভা অনুষ্ঠিত হয় । পূব নলবাৰী বিজেপি মণ্ডলৰ সম্পাদক প্ৰণৱ শৰ্মাই আঁত ধৰা সভাখনত নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱা, ৰাজ্যিক বিজেপিৰ উপ-সভানেত্ৰী তথা নলবাৰী জিলা প্ৰভাৰী বিজুলী মেধি, ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ধনেশ্বৰ ডেকা, নলবাৰী জিলা বিজেপিৰ সভাপতি মৃগাংক তালুকদাৰ, পূব নলবাৰী বিজেপি মণ্ডলৰ সভাপতি প্ৰতুল কলিতা, নলবাৰী জিলাৰ সহ-প্ৰভাৰী বিতোপন ৰাইদঙীয়া, সমবায় কোষৰ আহ্বায়ক দিলজিৎ বৰ্মন, ১নং খাতা গাঁও পঞ্চায়তৰ সভাপতি লাৱণ্য নাথ, গ্ৰামীণ জীৱিকা অভিযান প্ৰকল্পৰ নলবাৰী জিলা প্ৰবন্ধক চন্দন তালুকদাৰ, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ নলবাৰী জিলা বিষয়া অশ্বিনী কলিতা, এডিঅ’ কৃষি বিভাগ হেমেন লহকৰকে ধৰি বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে । বিধায়ক জয়ন্ত মল্ল বৰুৱাই ভাষণ প্ৰসংগত কয় যে যদি কোনোবা ধনী মানুহে অৰুণোদয় আঁচনি লাভ কৰিছে, তেনেহ’লে এইবেলি তেওঁলোক লাজত পৰিব । কিয়নো অৰুণোদয় পোৱা লোকৰ গৃহত ফলক আঁৰি দিয়াৰ ব্যৱস্থা কৰা হ’ব । গতিকে দুখীয়া লোকৰ বাবে অহা আঁচনি ধনী মানুহে ল’বলৈ ইচ্ছা নকৰাই ভাল । পিছত লাজত পৰিব । আনহাতে বিধায়ক বৰুৱাই চৰকাৰৰ বিভিন্ন আঁচনিৰ বিষয়ে বহল ব্যাখ্যা দাঙি ধৰে । সভাৰ অন্তত উপস্থিত ৰাইজে নিজৰ নিজৰ আবেদনসমূহ জমা দিয়াৰ ক্ষেত্ৰত হেতা-ওপৰা লগা পৰিলক্ষিত হয়।


ধুবুৰী মেডিকেল কলেজৰ উদ্বোধনী অনুষ্ঠানত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক’লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ’ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি